
# ৰঙিয়া মহাবিদ্যালয়




ACC NO
097

সম্পাদক :
শ্ৰী প্ৰকাশ কলিতা

# ৰঙিয়া মহাবিদ্যালয় আলোচনী

## বাৰ্ষিক প্ৰকাশ

Acc no
097

### ঊনবিংশতম্ বছৰেকীয়া প্ৰকাশ

২০০১-২০০২ ইং বৰ্ষ

শ্ৰদ্ধাৰে/আন্তৰিকতাৰে-

শ্ৰী.........................................................................

.........................................................................লৈ

তত্বাৱধায়ক
শ্ৰীফুকন চন্দ্ৰ বসুমতাৰী

সম্পাদক
শ্ৰীপ্ৰকাশ কলিতা

# ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ সম্পাদনা সমিতি

২০০১-২০০২ ইং বৰ্ষ

সভাপতি
**শ্ৰীভবেন্দ্ৰ নাথ ডেকা**
অধ্যক্ষ

তত্বাৱধায়ক
**শ্ৰীফুকন বসুমতাৰী**
অধ্যাপক

সম্পাদক
**শ্ৰীপ্ৰকাশ কলিতা**

সদস্য
**শ্ৰীসংগীতা শৰ্মা**
**শ্ৰীপংকজ ডেকা**

বেটুপাত
**শ্ৰীধ্ৰুৱজ্যোতি কলিতা**

অঙ্গসজ্জা
**শ্ৰীহেমন্ত মহন্ত**

মুদ্ৰণ
**চিত্ৰালী কম্পিউটাৰ প্ৰিন্টাৰ্চ্**
বৈশ্য মাৰ্কেট কমপ্লেক্স, ৰঙিয়া

## অশ্ৰু-অঞ্জলি



যোৱা ৬ এপ্ৰিল ২০০২ তাৰিখে ৰঙিয়া মহাবিদ্যালয়ৰ
চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ৰজনী বড়োক
কোনো অজ্ঞাত আততায়ীয়ে
হত্যাকৰি থৈ যায়।
তেখেতৰ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰিছোঁ
আৰু তেখেতৰ আত্মাৰ সদ্‌গতিৰ কাৰণে
ভগৱানৰ ওচৰত
প্ৰাৰ্থনা জনাইছোঁ।

ফোন-৫৭১১৩০

# সদৌ কামৰূপ জিলা ছাত্ৰ সন্থা

**ALL KAMRUP DISTRICT STUDENTS' UNION**

মুখ্য কাৰ্য্যালয়ঃ গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী-৭৮১০১৪

H.Q.: Gauhati University,
Guwahati-781014

প্ৰসঙ্গ ................ দিনাংক......................

## শুভেচ্ছাবাণী

ইং ২০০১-০২ চনৰ "ৰঙিয়া মহাবিদ্যালয় আলোচনী" খন প্ৰকাশ হ'ব বুলি জানিব পাৰি সুখী হৈছোঁ।

সাম্প্ৰতিক শৈক্ষিক পৰিবেশত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সমাজে প্ৰতিযোগিতাৰ মনোভাৱেৰে আগবঢ়াৰ সংকল্প গ্ৰহনেৰে উন্নত চিন্তা আৰু ভাল ফলাফলেৰে জীৱন গঢ়ি অসমীয়া সমাজ খনক ন-কৈ সুস্থিৰ আৰু প্ৰগতিশীল কৰি গঢ়ি তোলাত আত্মানিয়োগ কৰিব বুলি আশা ৰাখিলোঁ।


মহাবিদ্যালয়ত এক সাহিত্য চৰ্চাৰ প্ৰতিযোগী মনোভাৱ গঠনত আলোচনীখনে গ্ৰহন কৰা প্ৰচেষ্টা "সমূহৰ" বাবে "পাথেয়" হওঁক এই শুভ ইচ্ছাৰে-

"জয় আই অসম"

(কমলেশ ডেকা)
সভাপতি
সদৌ কামৰূপ জিলা ছাত্ৰ সন্থা

(প্ৰিন্স ফাইজুল হক)
সাধাৰণ সম্পাদক
সদৌ কামৰূপ জিলা ছাত্ৰ সন্থা

# সম্পাদনা সমিতি, ২০০১-২০০২



বাওঁফালৰ পৰা ক্ৰমে ঃ সৰ্বশ্ৰী সংগীতা শৰ্মা (সদস্যা), ভবেন্দ্ৰ নাথ ডেকা (সভাপতি), পংকজ ডেকা (সদস্য), প্ৰকাশ কলিতা (সম্পাদক), ফুকন বসুমতাৰী (তত্বাৱধায়ক) ফটোত অনুপস্থিত।

## কৰ্ম্মৰত অৱস্থাত অধ্যক্ষ মহোদয়



মাননীয় শ্ৰীভবেন্দ্ৰ নাথ ডেকা

অধ্যক্ষ, বঙিয়া মহাবিদ্যালয়



# সম্পাদকীয়



সম্পাদকীয় লিখিব লওঁতেই মনটোত বহুত প্ৰশ্নই ভূমুকি মাৰিছে। ইমান কম পৰিসৰৰ ভিতৰত ইমানবোৰ কথা লিখাটো নিশ্চয় সম্ভৱ নহয়। তথাপিও চেষ্টা কৰিছো- নিলিখিলেই নক'লেও নোহোৱা দুটামান কথা উল্লেখ কৰিবলৈ।

পংগু সময়, বিপৰ্য্যস্ত সময়। বিপৰ্য্যস্ত সমাজ ব্যৱস্থাত জনজীৱন পংগু। ৰাজনীতি, অৰ্থনীতি, শিক্ষা ব্যৱস্থা, সমাজ ব্যৱস্থা- ক'ত অৰাজকতা চলা নাই। গতিশীলতাই জীৱন, গতিহীনতাই মৃত্যু। আজি যেন আমাৰ মৃত্যু হৈছে। কিন্তু কিয়? কিহৰ কাৰণে? নিজকে আত্মসমালোচনা কৰাৰ সময় আহি পৰিছে এতিয়া।

সাহিত্য জীৱনৰ দলিল। মানুহৰ সুখ-দুখ, হাঁহি-কান্দোন, আৱেগ অনুভুতি- সকলোবোৰৰ জীৱন্ত স্বাক্ষৰ। প্ৰথমতে ইতিহাস, তাৰপিছতহে সাহিত্যৰ সৃষ্টি। ইতিহাসৰ পিছে পিছে সাহিত্যই বাট বুলে। লেখকে নিজা আৱেগেৰে সেইবোৰ বান্ধি ৰাখে। বৰ্তমানৰ সাহিত্যৰ পথাৰখনত চকু দিলেই দেখা পাম এক বিৰাট শূন্যতা। যদি এইটোও সঁচা যে বৰ্তমান সময়ত সাহিত্যৰ বহুকেইজন কাণ্ডাৰী পুৰুষে চিৰবিদায় গ্ৰহণ কৰিছে তাৰ অৰ্থ এইটো নহয় যে আমি এই শূন্যতাৰ মাজত থাকিম। সৃষ্টিৰ বন্তি জ্বলায় প্ৰেৰণাই। চিত্ৰ আৰু সংগীতৰ দৰে সাহিত্যও এবিধ কলা; লিখা কামটোও এটি কলা বা কৌশল। কৰ্মশালা পাতি শ্ৰেণীকোঠাত ইয়াক শিকাব বা শিক্ষা দিব নোৱাৰি। ইয়াত কেৱল প্ৰেৰণাৰ কথাই প্ৰযোজ্য। মানুহৰ অন্তৰত থকা গোপন সম্পদ সকলোৱে ব্যক্ত কৰিব নাজানে বাবেই সকলোৱে লেখক হ'ব নোৱাৰে। প্ৰেৰণাই মূৰ্ত আৰু বিমূৰ্ত ৰূপত প্ৰেৰণাই শিকাব- কেনেকৈ ব্যক্ত কৰিব লাগে। সেয়া সান্নিধ্যৰ প্ৰেৰণা- ব্যক্তি, গ্ৰন্থ আৰু জীৱনৰ সৈতে সান্নিধ্য। বৰ্তমান সততে এটা অভিযোগ উঠা দেখা যায় যে অসমীয়া কিতাপৰ ভাল বিক্ৰী নহয়। আজিৰ পঢ়ুৱৈয়ে তেনেকৈ অসমীয়া কিতাপ নপঢ়ে বুলি প্ৰকাশক সকলে অতি বেয়া কৰে। এই ক্ষেত্ৰত কুমুদ গোস্বামী ('প্ৰান্তশ্ৰী'ৰ সম্পাদক)ৰ পৰামৰ্শ এটা উল্লেখ কৰিব পাৰি। তেখেতৰ মতে যদি কথাটো অন্যধৰণে চিন্তা কৰো তেনেহ'লে আমি অন্য এটা দিশহে দেখা পাওঁ। ধৰি লোৱা হওঁক গ্ৰন্থবোৰ পন্য আৰু পঢ়ুৱৈবোৰ গ্ৰাহক। তেন্তে পন্যভাল হ'ব লাগিব আৰু গ্ৰাহকক আকৰ্ষিত কৰিব পাৰিব লাগিব। তেতিয়াহে পণ্যৰ বজাৰ ভাল হ'ব। ইউৰোপত বিশেষকৈ আমেৰিকা আদিত প্ৰকাশক সকলে কিতাপ ছপোৱাৰ আগতে এজন নাম থকা সম্পাদকৰ হতুৱাই চকু ফুৰাই লয় আৰু তাৰ পিছতহে কিতাপ খন ছপা কৰে। এনে কৰাৰ ফলত কিতাপ খনৰ গুণগত মান ওপৰলৈ উঠিবই। আমাৰ অসমীয়া গ্ৰন্থৰ ক্ষেত্ৰতো যদি এই কথাষাৰ প্ৰযোজ্য কৰিব পৰা যায় তেন্তে ডাঠি ক'ব পাৰি অসমীয়া গ্ৰন্থৰ জনপ্ৰিয়তাৰ হাৰ নিশ্চয়কৈ ওপৰলৈ উঠিবই আৰু লগতে গুণগত মানো।

সন্ত্ৰাসবাদতকৈ বেছি ঘৃণনীয়, নৃশংস কদৰ্য্য আজিৰ ৰাজনীতি। আজিৰ ৰাজনীতিত কি নহয়? কিন্তু ৰাজনীতিতো আব্ৰাহাম লিংকনৰ দৰে পুৰুষো আছিল। শেক্সপীয়েৰে "টুৱেলফ্‌থ নাইট" ত লিখিছে কিছুমানে মহৎ হৈ জন্মে, কিছুমানে মহত্ব অৰ্জন কৰে।" আব্ৰাহাম লিংকনে মহত্বতা অৰ্জন কৰিছিল। আজিৰ ৰাজনীতিৰ সমাজত মহৎ পুৰুষ বহুত আছে; কিন্তু মহত্বতা সেইজনে অৰ্জন কৰিছে? দয়া বিনয়, পৰোপকাৰ, নৈতিকতা- এইবোৰ এতিয়া ৰাজনীতিৰ ক্ষেত্ৰত অনাদৃত অৱহালিত। এইটোৰ যেন এতিয়া কিতাপৰ একো একোটা আলংকৰিক শব্দ। স্বজন তোষন ভোগ লিপ্সা, দুনীতিৰে ভৰি পৰা ৰাজনীতিৰ পথাৰ খন সম্পূৰ্ণৰূপে গেলি পচি গৈছে। নেপোলিয়ন বোনাপাৰ্ট, আলেকজেণ্ডাৰ আদি পুৰুষৰ দৰে ব্যক্তিত্ব অৰ্জন কৰিব নোৱাৰে আজিৰ

ৰাজনীতিকে। প্ৰশাসন যন্ত্ৰ সম্পূৰ্ণৰূপে পৃথক হৈ পৰিছে জনসাধাৰণৰ পৰা গনতন্ত্ৰক এতিয়া মূল্যাংকন কৰাটো কঠিন হৈ পৰিছে।

হতাশাগ্ৰস্ত হোৱা কিছুমান যুৱক যুৱতীয়ে এই স্খলনত অতিষ্ঠ হৈয়ে হাতত তুলি লয় অস্ত্ৰ মুক্তিৰ পথ বিচাৰি। কিন্তু তেওঁলোকে নিজেই নাজানে তেওঁলোকৰ এই পথ কিমান শুদ্ধ কিমান সঁচা। সমাজত অতীজৰে পৰা নিবলীৰ ওপৰত বলীৰ অত্যাচাৰ চলি আহিছে। তাৰে ফলশ্ৰুতিতে চলি আহিছে বা জন্ম হৈছে বহু বিপ্লৱৰ। কিন্তু বৰ্তমান চামে কি কৰিছে বা কি কৰি আছে সেয়া সকলোৰে জ্ঞাত। ইতিহাস এনে সৃষ্টি হোৱা নাই। ইতিহাসৰ জ্ঞান ল'ব নোখোজা কাৰণে আজি সকলোৰে এই অৱস্থা। অ'হেনৰী ('O'Henry) য়ে কৈছিল- "সাহস থাকিব লাগে, কিন্তু বুদ্ধিহীন সাহসে ধ্বংস কৰে।" নতুবা জীৱন নবহে কৰৰ দৰে- আচলতে সন্ধ্যাই কেতিয়াও নাপাহৰে দিনটোৰ বলাৎকাৰ...............মানুহ, সমীকৰণত মানুহো কেতিয়াবা বিবেকৰ দ্বাৰা অমানুহ হয়।" শুদ্ধ পথত সংগ্ৰাম কৰিলে ফল নিশ্চয় আহিব।

গ্লোবেলাইজেচনৰ ফলত এতিয়া আমাৰ উশাহ নিশাহ ল'ব নোৱাৰা অৱস্থা। আমাৰ নিজৰ ফালে চকু দিবৰ সময় নাই। পশ্চিমীয়া ধ্যান-ধাৰণা, সংস্কৃতি ভোগবাদী মন সকলোবোৰ গোলকীকৰণৰ কাৰণে আমাৰ সমাজত বিষ বাষ্পৰ দৰে সোমাই পৰিছে। ছানি ধৰিছে এই মাৰাত্মক ভাইৰাছবোৰ। উটি ভাটি গৈছো আমিবোৰ। বহুজাতিক কোম্পানীবোৰে বিজ্ঞাপনৰ দ্বাৰা আমাৰ মূৰত এই কথাষাৰ পাহৰি গৈছো সুমুৱাই দিছে যে তেওঁলোকে যি ভাৱে, যি দেখে সেয়াই সত্য। সেইকাৰণে আমি অন্ধৰ দৰে "য়ে দিল মাংগে ম'ৰ" ৰ দৰে শ্ল'গানৰ পিছে পিছে দৌৰিছো। সংস্কৃতিৰ পথাৰতো আৰু ভয়াবহভাৱে এই বিষবাষ্প সোমাই পৰিছে। জ্যোতি, বিষ্ণুক স্মৰণ কৰাৰ শক্তি খিনিও আমাৰ এতিয়া নাই। চাৰিওফালে নগ্নতাৰ পোহাৰ। শেহতীয়াভাৱে 'লিভিং টুগেদাৰ' ৰ দৰে এক সামাজিক ব্যাধি মূৰ ডাঙি উঠিছে। অৱশ্যে এই বিষয়টোক লৈ যথেষ্ট বিতৰ্ক হৈছে। তথাপিও নিশ্চিতভাৱে ক'ব পাৰি এইবোৰ আমাৰ সমাজৰ কাৰণে ক্ষতিকাৰক।

শিক্ষাৰ উদ্দেশ্য কি? যি শিক্ষাই এটা জাতিক নিজৰ অস্তিত্ব, সংস্কৃতি আৰু নিজৰ মূলৰ প্ৰতি সজাগ কৰিব নোৱাৰে, ব্যৱহাৰিক জীৱনৰ কাৰণে সক্ষম কৰিব নোৱাৰে- তেনে শিক্ষাৰ কিবা মূল্য থাকিল জানো? দূনীতিৰ কঠোৰ হাতোৰাৰ পৰা শিক্ষাও সাৰি যোৱা নাই। পাঠ্যপুথিৰ অভাৱ, সময়মতে পাঠদানৰ অনীহা, শিক্ষকৰ ধৰ্মঘট, আন্দোলন আদিয়ে এক অচলাৱস্থাৰ সৃষ্টি কৰিছে। শিক্ষাৰ ভৱিষ্যতৰ কথা ভাবি এতিয়া গাৰ নোম ডাল ডাল হৈ উঠে। শেহতীয়াভাৱে চৰকাৰে উচ্চ শিক্ষা মাচুল অভাৱনীয় হাৰত বৃদ্ধি কৰিছে। গোলকীকৰণৰ প্ৰভাৱত শিক্ষাক এতিয়া ব্যক্তিগত কৰণ কৰাৰ প্ৰচেষ্টা চলিছে। হায়ৰে সময়!

পৰিৱৰ্তনকামী সময়ত আমি আমাৰ মনবোৰো পৰিবৰ্তন কৰিব লাগিব। অৱশ্যেই সঠিক ভাৱে যোগাত্মক ৰূপত। মানৱতাৰ বধ্যভূমিত পৰিণত হোৱা সমাজত মানৱতাৰ জয়গান গাব লাগিব। সময়ৰ সোঁতত সলনি হোৱা সমাজত চলি থকা আগৰ কুসংস্কাৰ অন্ধবিশ্বাস সকলোবোৰ পৰিহাৰ কৰি এক নতুনৰ প্ৰতীক হিচাপে নিজকে চিনাকী দিব পাৰিব লাগিব। বিকশিত হৈ উঠা মনবোৰে নিজৰ প্ৰতিভা প্ৰকাশ কৰিবৰ কাৰণে উটপিট লগায়। ক্ষুদ্ৰৰ পৰা বহল পৰিসৰলৈ ঢাপলি মেলা মানুহৰ মনবোৰৰ প্ৰতিভা সঠিক ভাৱে বিকশিত হোৱাটো একান্তই প্ৰয়োজনীয়। মহাবিদ্যালয় স্তৰৰ ছাত্ৰ ছাত্ৰীবোৰে নিজৰ মনত বাহ লোৱা সপোনবোৰক, দুচকুৰে দেখা পৃথিৱীখন হৃদয়ৰ বুকুৰ অন্তৰৰ পৰা নিগৰা ভাৱবোৰক যথাস্থানত মূল্যাংকন কৰিবলৈ মহাবিদ্যালয়ৰ মুখপত্ৰৰ জন্ম আৰু এই দায়িত্ব মোৰ কাৰ্য্য কালত সঠিকভাৱে ৰূপায়ণ কৰিবলৈ চেষ্টা কৰিছো। আশা কৰো এই আলোচনীৰ গজালি মেলা প্ৰতিভাবোৰে সময়ত পোখা মেলি বটবৃক্ষ হৈ সকলোকে ছাঁ দিয়ক। বিশ্বসভ্যতাৰ বাট দেখুওৱাক। জাতিটোক আগবঢ়াই নিয়ক। এই আশাকে মই মোৰ সম্পাদকীয়ৰ ইতিৰেখা টানিছো।

'জয় আই অসম'

শ্ৰীপ্ৰকাশ কলিতা
সম্পাদক



## শলাগৰ শৰাই

সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ড° সমুজ্জল কুমাৰ ভট্টাচাৰ্য্য, সভাপতি প্ৰবীন বড়ো, সাধাৰণ সম্পাদক অমিয় কুমাৰ ভূঞা, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰণৱ দা, অৰূপ দা ভৱেশ দা, হিতেন দা, দীনেশ দা, চৰিত্ৰ দা, তথা ৰঙিয়া মহকুমা ছাত্ৰ সন্থাৰ সাঃ সম্পাদক মোহন দা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ প্ৰচাৰ সম্পাদক পৰেশ দা প্ৰমুখ্যে সমূহ বিষয়ববীয়ালৈ শলাগৰ শৰাই আগবঢ়ালোঁ। লগতে চিত্ৰালী কম্পিউটাৰ প্ৰিন্টাৰ্ছৰ স্বত্বাধিকাৰী হেমন্ত মহন্ত , গীতাঞ্জলী ষ্টুডিঅ, এম. জি. ৰোডৰ স্বত্বাধিকাৰী নৃপেন শইকীয়া আৰু ৰাতুল কলিতালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

## কৃতজ্ঞতা স্বীকাৰ

আলোচনী খন প্ৰকাশ কৰাত মোক যথেষ্ট ভাৱে অৰিহনা যোগোৱা ব্যক্তিসকলৰ ভিতৰত মাননীয় অধ্যক্ষ শ্ৰীভবেন্দ্ৰ নাথ ডেকা দেৱ অধ্যাপক দক্ষেশ্বৰ ডেকাদেৱ আৰু মাননীয় তত্বাৱধায়ক শ্ৰীফুকন বসুমতাৰীলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি মোক বিভিন্ন ক্ষেত্ৰত দিহা পৰামৰ্শ দি সহায় কৰা মাননীয়া অধ্যাপিকা বিজুলী চক্ৰবৰ্ত্তী, অধ্যাপক ভূপেন শৰ্ম্মা, ওচমান গণি, হৃষিকেশ চৌধাৰী, বিমল দাস, হৰি শৰ্ম্মা, প্ৰমুখ্যে সমূহ অধ্যাপক অধ্যাপিকালৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো, লগতে গ্ৰন্থাগাৰিক বীৰেন্দ্ৰ নাথ শৰ্ম্মা, ৰমাকান্ত মহন্ত প্ৰমুখ্যে সমূহ কৰ্মচাৰীৰ ওচৰত মই কৃতজ্ঞ হৈ ৰ'ম। এই চেগতে মই মোৰ ভণ্টী বিভামণি তথা দাদা খনীন কলিতা, সঞ্জীৱ(সঞ্জু), আৰু মোৰ বন্ধু ধ্ৰুৱজ্যোতি, পংকজ, ৰিন্টু,মনোজ, ধ্ৰুৱ, প্ৰাঞ্জল, জয়ন্ত, ৰাজীৱ, কংকণ, কুমুদ, চাহাব, কিশোৰ,অৰূপ, ধৰ্মেশ্বৰ, প্ৰণৱ, দিলীপ,গিতীকা, নয়ন, ভাস্কৰ, নিৰঞ্জন, মজফুৰ, কুমাৰজিৎ, প্ৰণৱ, ৰান্দোৱা, সংগীতা বা, মিতালী বা, জয়শ্ৰী বা, বন্দনা, ৰূপা, ললিতা, জাকিৰ, দীপা, জোনালী, যুতিকা, বন্দনা, বিউটি, হাচিনা, লুহিত আৰু মোৰ সতীৰ্থ বন্ধু-বান্ধৱী (যি সকলৰ নাম এই মুহূৰ্ত্তত মনত পৰা নাই) আটাইলৈ মোৰ হিয়া ভৰা কৃতজ্ঞতা যাচিছোঁ।

সম্পাদক
শ্ৰীপ্ৰকাশ কলিতা

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| সম্পাদকীয়- | | |
| **প্ৰবন্ধ** | | |
| ➢শিক্ষাৰ নতুন দিগন্ত | হৰি শৰ্ম্মা | ১ |
| ➢বিহুগীতত প্ৰেম আৰু সাহিত্যিক সৌন্দৰ্য্য | কমল কলিতা | ৩ |
| ➢শক্তি ১৯৯৮ আৰু স্মাইলিং, বুদ্ধ | প্ৰাঞ্জল ডেকা | ৬ |
| ➢জড়থুস্ত্ৰৰ বাণী | আব্দুল ৰছিদ চৌধুৰী | ৯ |
| ➢সোলোঁথাইনি খায়সে জেঁনা | গজেন চন্দ্ৰ বড়ো | ১১ |
| ➢হৰখাব ৰাগানি ফিথায় | মতিলাল নাৰ্জাৰী | ১৪ |

**কবিতা**

➢জেতুকা পাতৰ দৰে, সমাধি-১৫, ➢তোমাৰ বাবে, প্ৰাত্যহিক-১৬, ➢উষ্ণ ৰক্তৰ দাগ, নিস্তব্ধ জনতা-১৭, ➢প্ৰতিশ্ৰুতিৰে, অনামিকা-১৮, ➢সোৰমোন নোঁ জোহোলাব, হায়াখিসৈ-১৯

| | | |
|---|---|---|
| **গল্প** | | |
| ➢অপেক্ষাৰত বিদায় | আতোৱাৰ ৰহমান | ২০ |
| ➢মৃত্যু নে আত্মহত্যা | আইমুৰখান চৌধুৰী | ২৪ |
| ➢বেদনা | মাধৱ নাথ | ২৭ |
| ➢প্ৰেম অপ্ৰেম | যুতিকা ডেকা | ৩১ |
| ➢জৈৰবো খোমসি | গণেশ স্বৰ্গিয়াৰী | ৩৪ |
| **উপন্যাসিকা** | | |
| ➢ব্যৰ্থতাৰ পৰিণতি | নিৰঞ্জন শৰ্ম্মা | ৩৬ |
| **বিজ্ঞান জেউতি** | | |
| ➢উড়ন্ত পুষ্প পখিলা | বৰ্ণালী শৰ্ম্মা | ৪৪ |
| **স্মৃতিৰ সফুৰা** | | |
| ➢ৰোমন্থন | বিজুলী চক্ৰৱৰ্তী | ৪৭ |
| **English Section** | | |
| ➢The Concept of Education in the Upaniṣad | Dakheswar Deka | ৪৯ |
| ➢Environmental Problems in North-East India | Anil Sarma | ৫৪ |
| ➢Development Process through Non-Governmental Organisation in India | Dwijendra nath Deka | ৫৭ |
| ➢Scientific And Technological Imperatives for Rural Development | Gitimoni Deka | ৬১ |
| ➢Human Recource Development in N.E. with speceial reference to the Development of Rural People | Bhaben Lahkar | ৬৪ |




প্ৰবন্ধ

# শিক্ষাৰ নতুন দিগন্ত


শ্ৰীহৰি শৰ্ম্মা

মূৰব্বী অধ্যাপক, শিক্ষা বিভাগ


নতুন প্ৰত্যাহ্বান আৰু নতুন প্ৰগতিৰ সন্মুখীন হ'ব পৰাকৈ পৃথিৱীৰ পৰিবৰ্ত্তনৰ লগে লগে আধুনিক শিক্ষাৰো আমূল পৰিবৰ্ত্তন ঘটিছে। বিশেষকৈ স্কুলীয়া শিক্ষা পৰিবৰ্ত্তনশীল জগতৰ পৰিস্থিতি আৰু পৰিবেশৰ লগত খাপ খাব পৰাকৈ প্ৰস্তুত কৰাৰ কাৰণে নানান সমীক্ষা চলোৱা হৈছে। এই কথাটো সকলোৰে বিদিত যে আওপুৰণি শিক্ষা ব্যৱস্থা আধুনিক যুগত মুঠেই প্ৰযোজ্য নহয়। সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে পৃথিৱীৰ প্ৰগতিশীল ৰাষ্ট্ৰবোৰত শিক্ষাৰ নতুন দিগন্তৰ সূচনা হৈছে। যিটো সময়ত পৃথিৱীৰ অন্য দেশবোৰ বিভিন্ন ক্ষেত্ৰত আগুৱাই গৈছে, সেই সময়ত উত্তৰ পূবৰ দেশ বোৰৰ প্ৰগতি তেনেই নগণ্য। প্ৰগতিশীল দেশ বোৰৰ সমকক্ষ হবলৈ আমাক আৰু বহু সময়ৰ প্ৰয়োজন হ'ব। দ্ৰুত পৰিবৰ্ত্তনশীল জগতত তথ্য প্ৰযুক্তি (Information Technology) প্ৰবৰ্ত্তনৰ লগে লগে শিক্ষাৰ পৰিধি ব্যাপক হৈছে। বৰ্ত্তমান প্ৰচলিত শিক্ষা ব্যৱস্থাই আমাৰ দেশৰ প্ৰয়োজন পূৰণ কৰিব পৰা নাই আৰু প্ৰচলিত শিক্ষা লাভ কৰা যুৱক যুৱতীয়ে জীৱিকাৰ পথ বিচাৰি পোৱা নাই।

প্ৰত্যেক বছৰে বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা ওলোৱা হাজাৰ হাজাৰ স্নাতক ডিগ্ৰীধাৰীয়ে দেশ ভৰি পৰিছে। বিশ্ববিদ্যালয়ৰ চাৰ্টিফিকেটে তেওঁলোকৰ ভৱিষ্যত জীৱনৰ কাৰণে কোনো পথ নিৰ্ণয় কৰিব পৰা নাই, মাত্ৰ শিক্ষিত নিৱনুৱাৰহে সৃষ্টি কৰিছে। ডেকা চামৰ আশা-আকাঙ্খাৰ ৰাজকাৰেং ভাঙি-চিঙি চুৰমাৰ হৈছে, পৃথিৱীখন যেন ভৰিৰ তলুৱাৰ পৰা নিচিহ্ন হৈছে। আমাৰ যুৱক সকলে বিভিন্ন কাৰ্য্যালয়লৈ চাকৰিৰ সন্ধানত গৈ বিফল মনোৰমেৰে ফিৰি আহিব লগাত পৰিছে। প্ৰযুক্তি বিজ্ঞানৰ যুগত বিশ্ববিদ্যালয়ৰ চাৰ্টিফিকেটৰ কোনো মূল্য নাই। মুঠতে আওপুৰণি শিক্ষা ব্যৱস্থাই সমাজ আৰু দেশৰ প্ৰয়োজন অলপো পূৰাব পৰা নাই। বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে গোটেই পৃথিৱীখন এখন গাওঁত পৰিণত হৈছে, পৃথিৱীৰ কোনো ঠাইয়ে আমাৰ পৰা দূৰ নহয়। এই বহল পৃথিৱীৰ বিভিন্ন প্ৰান্তত সংঘটিত হোৱা ঘটনা প্ৰবাহ নিমিষতে সকলোৰে গম পায়। অতি কম সময়ৰ ভিতৰতে আমি পৃথিৱীৰ বিভিন্ন ঠাইলৈ যাব পাৰো আৰু সকলো খবৰ সংগ্ৰহ কৰিব পাৰো। বৰ্তমান ডেকা ল'ৰা-ছোৱালী সকলে তৎকালীন খবৰ সংগ্ৰহৰ কাৰণে ই-মেইল ইন্টাৰনেট্ আদিৰ ব্যৱহাৰ শিকিব ধৰিছে যদিও গ্ৰাম্য অঞ্চলত ইয়াৰ ব্যৱহাৰ প্ৰচুৰ পৰিমানে হোৱা নাই। এতিয়া আৰু দীঘলীয়া চিঠি আৰু আবেদন পত্ৰ লিখি অধিক সময় অপচয় কৰাৰ প্ৰয়োজন নাই। প্ৰগতিশীল জগতৰ প্ৰগতিৰ লগত খাপ খুৱাবলৈ শিক্ষাৰ চিন্তাধাৰাৰ ব্যাপক সলনি আৰু নতুন পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰিব লাগিব।

কেন্দ্ৰীয় মানৱ সম্পদ বিকাশ মন্ত্ৰনালয়ে বৰ্ত্তমান শিক্ষা ব্যৱস্থা মানৱ সম্পদ বিকাশ বহুল ভাবে ব্যৱহাৰ কৰাৰ ওপৰতে যথেষ্ঠ গুৰুত্ব আৰোপ কৰিছে। তথ্য আৰু প্ৰযুক্তি বিদ্যাৰ বিজ্ঞানৰ প্ৰতি থকা অৱদান কোনেৱে নুই কৰিব নোৱাৰে। প্ৰযুক্তি বিজ্ঞানৰ অগ্ৰগতি ইমান অগ্ৰসৰ হৈছে যে আমি আনকি চিকিৎসাৰ দিহা পৰামৰ্শ আদিও দেশ বিদেশৰ বিভিন্ন প্ৰান্তৰ পৰা ঘৰতে বহি লব পাৰো। চেন্নাইৰ এপ'লো হস্পিতালে নতুনকৈ Tele-medicine Centre খোলাৰ কাৰণে ব্যৱস্থা কৰিছে। এইটো কাৰ্যকৰী হলে উত্তৰ পূৰ্ব্বাঞ্চলৰ

ৰোগী সকলে চেন্নাই /ভেলোৰ আদি দূৰণীবতীয়া ঠাইলৈ নোযোৱাকৈ কিছুমান চিকিৎসা ঘৰতে লব পাৰিব। ২০০১ চনৰ অক্টোবৰ মাহত কলিকতাত থকা বৃটিছ ডেপুটী হাই কমিচনে সম্পূৰ্ণ Computerised on line information কেন্দ্ৰ এটা স্থাপন কৰিছে। এই কেন্দ্ৰৰ জৰিয়তে ইংলণ্ডৰ বিভিন্ন পৰ্য্যায়ৰ শিক্ষা-ব্যৱসায় আদিৰ তথ্য যোগান ধৰিব। ইয়াৰ দ্বাৰা ছাত্ৰ, ব্যৱসায়ী, উদ্যোগপতি আৰু বিভিন্ন অনুষ্ঠানৰ লগত জড়িত ব্যক্তি সকলে নিজৰ ঠাইতে থাকি তেওঁলোকৰ প্ৰয়োজনীয় তথ্য আৰু অন্য কথা সংগ্ৰহ কৰাৰ পথ সূচল কৰা হৈছে। এই বিলাক সুবিধা মাত্ৰ তথ্য প্ৰযুক্তি আৰু বিজ্ঞানৰ অগ্ৰগতিৰ কাৰণেহে সম্ভৱ হৈছে। আমাৰ দেশৰ প্ৰগতিৰ কাৰণে এনেকুৱা শিক্ষা ব্যৱস্থাৰ অতীব প্ৰয়োজন হৈছে।

প্ৰগতিশীল পৃথিৱীৰ লগত ফেৰ মাৰিব পৰাকৈ বৰ্তমান আমাৰ দেশৰ শিক্ষা-ব্যৱস্থা প্ৰস্তুত কৰা হোৱা নাই। বিশেষকৈ উত্তৰ পূৰ্ব্বাঞ্চলৰ প্ৰচলিত শিক্ষা ব্যৱস্থা অত্যন্ত দুখ লগা। দূৰদৰ্শনত কুইজ প্ৰতিযোগিতা প্ৰত্যক্ষ কৰিলে আমাৰ অঞ্চলৰ শিক্ষাৰ্থী ভাৰতৰ অইন ঠাইৰ প্ৰতিযোগীতকৈ কিমান পিচ পৰা সেইটো সহজে অনুমেয় হয়। আমাৰ অঞ্চলৰ ল'ৰা ছোৱালীয়ে ভাৰতৰ আন ঠাইত আনকি বিদেশৰ বিভিন্ন ক্ষেত্ৰত যথেষ্ঠ পাৰদৰ্শিতা দেখুৱাইছে। ইয়াৰ পৰা আমি জানিব পাৰো যে আমাৰ ইয়াত মেধাৱী ছাত্ৰ-ছাত্ৰীৰ অভাব হোৱা নাই মাত্ৰ অভাব সা-সুবিধাৰ। বিজ্ঞান প্ৰযুক্তি বিজ্ঞানত ধ্বংস আৰু সৃষ্টি দুটা দিশ আছে। আমাৰ বুদ্ধিজীৱি সকলে ইয়াক ভাল কামত প্ৰয়োগ কৰিলে মানৱ জাতি আৰু উন্নত শিখৰলৈ গতি কৰিব। তাকে নকৰি অন্য জাতিৰ ওপৰত নিজৰ শক্তি কৌশলৰে আধিপত্য বিস্তাৰ কৰাৰ কাৰণে নানা বিপৰ্য্যয়ৰ সন্মুখীন হ'ব লগা হৈছে। এই বস্তুবাদী পৃথিৱীত মৰ্য্যাদা সহকাৰে জীয়াই থাকিবলৈ হলে আমি সময়ৰ লগত খোজ মিলাব লাগিব। প্ৰযুক্তিবিদ্যা সৃষ্টিকামী নাইবা ধ্বংস কামী হিচাপে ব্যৱহাৰ কৰিব পাৰি। অলপতে সংঘটিত হোৱা আমেৰিকাৰ ওপৰত বোমা বৰ্ষণ, আকাশীযান বোমাৰে ভূপতিত কৰা , কাশ্মীৰত গণ-হত্যা, সংসদ ভৱনত আক্ৰমণ আদি ঘৃণনীয় কাৰ্য্য ৰিমোট কন্ট্ৰোল ব্যৱহাৰ কৰি প্ৰযুক্তি বিদ্যাৰ সহায়ত চৰম হানি কৰা আৰু সন্ত্ৰাসৰ সৃষ্টি কৰা হৈছে।

তথ্য আৰু প্ৰযুক্তিবিদ্যা বৰ্তমান সময়ৰ কাৰণে যদিও অপৰিহাৰ্য্য চৰিত্ৰ গঠন নহ'লে কোনো জাতিয়ে কেতিয়াও সু-প্ৰতিষ্ঠা হোৱা অসম্ভৱ। শিক্ষাৰ্থী সকলে যিখিনি শিকে সেইখিনি জ্ঞান মানৱ জাতিৰ মঙ্গলৰ বাবেহে ব্যৱহৃত হব- সেই কথা ভালদৰে হৃদয়ঙ্গম কৰিব লাগিব। প্ৰযুক্তি বিদ্যাই অফুৰন্ত আনন্দ আৰু সমৃদ্ধি আনিব পাৰে আৰু ইয়ে চৰম বিপৰ্য্যয়ো আনিব পাৰে যদিহে ইয়াক ভুল পথে পৰিচালিত কৰা হয়। এই জাতি উন্নয়নৰ কাৰণে আমাক বিভিন্ন কামৰ যোগ্যতা থকা নিপুন বৈজ্ঞানিকৰ অতীব প্ৰয়োজন। আনহাতে আমাৰ প্ৰয়োজন সাধু মানুহ আৰু সৰল নাগৰিকৰ। কৰ্মমুখী শিক্ষা আৰু কাৰিকৰী শিক্ষাৰ দ্বাৰাহে জাতিৰ উন্নতি সম্ভৱ। এখন দেশৰ সমৃদ্ধি কেইগৰাকীমান আঢ্যবন্ত আৰু দুৰ্নীতি পৰায়ন ব্যক্তিৰ ওপৰত নিৰ্ভৰ নকৰে। দেশৰ প্ৰগতিৰ বাবে প্ৰয়োজন কঠোৰ পৰিশ্ৰম কৰা সাধু নাগৰিক, যিয়ে প্ৰগতিৰ কাৰণে নিজৰ স্বাৰ্থ পৰিহাৰ কৰিব পাৰে।

নৈতিক জ্ঞান আৰু নিকা চৰিত্ৰ এটা জাতিৰ উন্নয়নৰ কাৰণে একান্ত প্ৰয়োজন। শিক্ষাবিদ সকলে শিক্ষানীতি প্ৰস্তুত কৰোতে এই কথা ভালকৈ চিন্তা কৰিব লাগে। নৈতিক জ্ঞান থকা শিক্ষাৰ্থীয়ে প্ৰযুক্তি বিদ্যা শিক্ষাৰ লগতে মহৎ ব্যক্তিত্বৰো অধিকাৰী হ'ব পাৰে। শিক্ষাৰ্থীয়ে জ্ঞান প্ৰয়োগৰ কৌশলৰ দ্বাৰা দেশৰ সুখ, শান্তি, সমৃদ্ধি আৰু আনন্দৰে পৃথিৱীখন মহিয়ান কৰিব পাৰে। এইখিনি কৰিব পাৰিলেহে প্ৰকৃত শিক্ষাৰ মূল্যায়ণ হ'ব। ❖



প্ৰবন্ধ

# বিহুগীতত প্ৰেম আৰু সাহিত্যিক সৌন্দৰ্য্য

শ্ৰীকমল কলিতা
প্ৰৱক্তা, বাণিজ্য বিভাগ

বিহু বুলিলে আমি তিনিটা বিহুৰ কথাকে বুজি পাও। বহাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু আৰু মাঘ বিহু বা ভোগালী বিহু। কিন্তু এই তিনিওটা বিহুৰ ভিতৰত বৰ্তমান আমাৰ সমাজত ৰঙালী বিহুটো অতি জাক জমকতাৰে পালন কৰা হয়। অসমীয়া নৱবৰ্ষৰ আৰম্ভনীৰ লগে লগে আৰম্ভ হয় ৰঙালী বিহু। বৰ্তমান সময়ত আমাৰ সমাজত বিহু বুলি কলে প্ৰথমতে আমাৰ মনলৈ আহে ৰঙালী বিহুৰ কথা। বিহু শব্দটোৱে আমাৰ মনলৈ বহু কথাই আনি দিয়ে। বিহু আমাৰ সমন্বয়ৰ প্ৰতীক। ৰঙালী বিহুৱে আমাৰ মাজত সমন্বয়ৰ ভেটি সুদৃঢ় কৰাত বিশেষ ভাৱে সহায় কৰে। হিন্দু মুছলিম জাতি ধৰ্ম নেওচী আমি সকলোৱে অসমীয়া সমাজত আনন্দ উলাহেৰে বিহু উৎযাপন কৰো। এই বিহুতে গোৱা বিহু গীত সমুহে আমাৰ মাজত এক বুজাব নোৱাৰা অনুভুতিৰ সৃষ্টি কৰে। বিহু গীতে সাহিত্য-সংস্কৃতিৰ ভঁড়াল চহকী কৰাত সহায় কৰিছে।

স্বাধীন ভাৱে হৃদয়ৰ দুৱাৰ মুকলি কৰি মনৰ ভাৱ প্ৰকাশ কৰা অসমৰ চহা ডেকা-গাভৰুৰ মুখেদি নিগৰি ওলোৱা বিহু গীত খিনি আমাৰ সাহিত্য সংস্কৃতিৰ এক অমূল্য সম্পদ। আমাৰ সমাজ জীৱনৰ লগত খাপ খাই যোৱা এই বিহুগীতৰ কথা বোৰে আমাৰ সাহিত্য সংস্কৃতিৰ ভঁড়াল উপচায় পেলাইছে। আমাৰ বিহুগীত সমুহত প্ৰকৃতিৰ শোভাত ল'ৰালিৰ সৰল আনন্দ আৰু সৰল চেতীয়া প্ৰাণীৰ বিমল নৈসৰ্গিক সম্ভোগ দেখিবলৈ পাওঁ। প্ৰাকৃতিক শোভাৰে ভৰপুৰ আমাৰ অসম। অসমৰ এই প্ৰাকৃতিক শোভাৰ কথা বিহুগীতত অনামী গীতিকাৰে বৰ সুন্দৰকৈ প্ৰকাশ কৰিছে। বসন্তৰ পৰশত বাৰে বৰনীয়া নুফুলা ফুলে আপুনি শিপা ধৰাৰ দৰে অসমৰ ডেকা গাভৰুৰ মনটোৱে মনৰ কটকটীয়া জেউৰাখন ভাঙি প্ৰয়নৰ শিপাডাল মেলে। লাহে লাহে ইটোৱে সিটোক নেদেখি থাকিব নোৱাৰা হয়। মুকলিকৈ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ দুয়োটাই আশ্ৰয় লয়গৈ বিহুগীতৰ। সেই বাবেই নেকি বিহুগীতত প্ৰেমৰ চিত্ৰ বৰ সুন্দৰকৈ প্ৰকাশ হোৱা দেখা যায়।

কিছুমান বিহুগীতত অসমীয়া সমাজৰ একোখন হুবহু চিত্ৰ প্ৰতিফলিত হোৱাও আমাৰ চকুত পৰে। যেনে-

“পানীনো খাৱলৈ বাতি নাইকীয়া
আৰু নাইকীয়া পাত
তোকে আনিবলৈ ধনে নাইকীয়া
আৰু দিন চেৰেক থাক”।

এই গীত ফাকিত অসমীয়া দুখিয়া সমাজৰ হুবহু চিত্ৰ এখন বৰ সুন্দৰকৈ প্ৰকাশ হৈছে। ঠিক তেনেদৰে কোনোৱা ডেকাই গাভৰুৰ মনৰ খৱৰ লবলৈ বা স্বাস্থ্যৰ খৱৰ লবলৈ বুলি বিহুগীতৰ জৰিয়তে এইদৰে সোধে-

“নৈলৈ হালিলে নদালী ভলুকা
পথাৰলৈ হালিলে ঐ কাক
বুকুৰে কামিহাড় হল ডালি ডালি
কালৈ চিন্তা কৰি থাক”।

মানুহৰ জীৱনৰ বাটটো একা বেকা। কোন সময়ত কোন কেনি যাব লগা হয় তাৰ ঠিকনা নাই।

সময়ৰ প্ৰয়োজনত চেনাই চৰকাৰী কামত সোমাইছে গৈ আৰু চৰকাৰী কামত দূৰদূৰণীলৈ গুচি যায়। কোনোৱাই আকৌ কোম্পানী আদিৰ বেচৰকাৰী চাকৰিও কৰে। কোনোৱাই হয়গৈ দেশৰ প্ৰহৰী। ইফালে চেনাইৰ বিৰহত 'চেনেহী'ৰ চকুৰ টোপনি কেনিবা যায়। তেতিয়াই বিহুগীতত নতুন নতুন ভাৱৰ সৃষ্টি হয় এনেদৰে

"জালত বন্দীহলে জালৰে মকৰা
শালত বন্দী হলে হাতী
চৰকাৰী কামতে চেনাই বন্দী হলে
টোপনি নধৰে ৰাতি।
বা
"লুইতৰ এসুতি দিচৈৰ এসুতি
মোৰ ধন এসুতিয়ে যায়
দেহা ৰমেৰমাই বুকু হমেহমাই
মোৰ ধনক পাবলৈ নাই"।

আদি ৰসৰ নিচিনা দুই এটি গীতত হাস্য ৰসৰো সোৱাদ লবলৈ পোৱা যায়-

"দেৎ তেৰিলেতেৰি চুৰা খাতি ফাপৰি
নেপাইহে আনিলো তোক
সমনীয়াৰ আগলৈ নোলাবি ফাপৰি
পেঘেনিয়াই মাৰিব মোক"।

হাস্য ৰস লগাই গোৱা জোৰা নাম বিহু গীতৰ আন এক উল্লেখ যোগ্য দিশ। ডেকাই গাভৰুক আৰু গাভৰুৱে ডেকাক জোকাই বিভিন্ন জোৰা নাম গোৱা দেখা যায় যেনে-

ল'ৰাঃ নৈৰ কানে কানে চৰে কলা গৰু
নলৰে গজালি খাই
আজি কালি ছোৱালি বেছি হোৱা কাৰণে
এটালৈ দুজনী যায়।

লগে লগে ছোৱালীয়ে (গাভৰুৱে) উত্তৰ দিয়ে এই দৰে-

কি কলি, কি কলি, তই হে'ৰ গোবিন্দ
লাজ চৰম অকনো নাই
ঘৰতে বুঢ়ি হলেও তোৰ দৰে বুঢ়ালৈ
লগৈ হেনো পাৰিছো মই।

বিহুগীতত খণ্ড বাক্য প্ৰয়োগো মন কৰিব লগা কথা। একোটা গীতত খণ্ড বাক্য ব্যৱহাৰ দেখি চহা গীতিকাৰৰ নিপুনতা আৰু পুৰণী সময়ৰ অসমীয়া সমাজত ইবোৰৰ জনপ্ৰিয়তাৰ কথা মনলৈ আহে। সৰিয়হ পিছলা, কথাৰ লাচ, খোপনি ধৰা আদি বিভিন্ন খণ্ড বাক্য বিহুগীতত ব্যৱহাৰ কৰা হয়, যেনে-

"কাহৰে বাতিতে সৰিয়হ পিছলে
নিয়ৰত পিছলে ভৰি
কথাৰে লাছতে কথাটি পিছলে
কথাতে খোপনি ধৰি।"

কেৰুমণি পিন্ধি এগৰাকী নাৰী যেনেকৈ সৌন্দৰ্য্যময়ী হয় তেনেকৈ শব্দ আৰু অৰ্থৰ দ্বাৰা সাহিত্যৰ শোভা বৃদ্ধি হয়। কেৰুমণি নাৰীৰ অলংকাৰ, শব্দ আৰু অৰ্থ সাহিত্যৰ অলংকাৰ।

শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ সুন্দৰ প্ৰয়োগ চহা ডেকা গাভৰুৰ বিহুগীতত লক্ষ্য কৰিব পাৰি। যত কেৱল আখৰ বা শব্দই নানাবিধ ভঙ্গিৰে সাহিত্যৰ জেউতি বঢ়াই তাক শব্দালংকাৰ বোলে। বিহুগীতত শব্দালংকাৰৰ প্ৰয়োগ অতি চমৎকাৰ। ঠিক সেইদৰে শব্দ আৰু বাক্য নানা অৰ্থত নানা ভাবে ব্যৱহৃত হোৱাকে অৰ্থালংকাৰ বোলে। অৰ্থালংকাৰৰ ভিতৰত উপমা আৰু ৰূপকৰ ব্যৱহাৰেই সৰহ। একে ৰূপৰ গুণ থকা বেলেগ শ্ৰেণীৰ দুটা বস্তুৰ সাদৃশ্য বৰ্ণনা কৰাকে উপমা বোলে। বিহুগীতত সাধৰণতে এনেকুৱা শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ ব্যৱহাৰ বেছি দেখা যায়।

"ঢোলে ভালে কৰি বাবি ঐ ধুলীয়া
ঢোলে ভালে কৰি বাবি।
লাহেকৈ নাবাবি খৰকৈ নাবাবি





নাছনী চেৰতে বাবি"।
"ঘৰতো নবহে মন সমনীয়া
পথাৰতো নবহে মন।
কমুৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিছে মন"।।

বিহুগীতত আমি দেখো যে জন কবি সকলে নিৰক্ষৰ হৈয়ো আনক অনুকৰণ নকৰাকৈ যথোচিত উপমাৰ সহায়ত খ্যাতনামা কবি সকলৰ দৰেই বিভিন্ন ৰূপৰ সুন্দৰ বৰ্ণনা দিব পাৰিছে। ইয়াতেই প্ৰকাশ পাইছে সেইজন কবি সকলৰ অসামান্য কবি প্ৰতিভা আৰু সেই প্ৰতিভাক চন্দোবদ্ধ ভাৱে ৰূপ দিব পৰা দক্ষতাৰ অপূৰ্ব নিদৰ্শন।

অসমৰ গছ লতিকাত বসন্তৰ পৰশ লাগিলে চালে চাই থাকিবৰ মনযোৱা মনোমোহা দৃশ্য এটিৰ সৃষ্টি হয়। অসমৰ এই প্ৰাকৃতিক সৌন্দৰ্য্যৰ কথা বিহুগীতত সুন্দৰকৈ প্ৰকাশ পাইছে। স্বাধীন ভাৱে হৃদয়ৰ দুৱাৰ মুকলি কৰি মনৰ ভাৱ প্ৰকাশ কৰা অসমৰ চহা ডেকা গাভৰুৰ মুখেদি নিগৰি অহা বিহু নামবোৰ আমাৰ অসমীয়া সাহিত্য সংস্কৃতিৰ এক অমূল্য সম্পদ। চ'তৰ বিহুত (এতিয়াৰ মুকলি বিহু) চহা ডেকা গাভৰুৱে প্ৰেমৰ পাক ঘুৰণীত পৰি মুকলি আকাশৰ তলত গোৱা বিহু নাম আৰু গঞা ৰাইজে বহাগৰ বিহুত হুচৰি গাবলৈ গৈ গৃহস্থৰ চোতালত গোৱা বিহু নামবোৰ অতিশয় অৰ্থবহ ভাৱ ব্যঞ্জনা ময়।

মুঠতে কব পাৰি যে বিহুগীতত প্ৰেম আৰু সাহিত্যিক সৌন্দৰ্য্যৰ বিশেষ সমাহাৰ ঘটিছে। ❖

## খবৰ বিচিত্ৰা

মগজুৰ টেমুনা আৰোগ্য কৰিব পৰা দিশত বৰ্তমান সময়ত মগজুৰ টেমুনা (Brain Tumour) এক ভয়ানক ব্যাধি। এইবিধ অসুখে মানুহৰ প্ৰাণ লৈহে এৰে। পিছে মানৰ জাতিৰ বাবেই এটা ভাল খবৰ হৈছে। বিজ্ঞানীসকলে মগজুৰ টেমুনাৰ কোষ ধ্বংস কৰিব পৰা এবিধ ছিটা উদ্ভাৱন কৰিবলৈ সক্ষম হৈছে। ৰয়টাৰৰ প্ৰতিবেদনত প্ৰকাশ পোৱা মতে এবিধ সৰু আইৰ ভাইৰাছৰ পৰা সৃষ্ট ছিটাই মগজুৰ টেমুনাৰ কোষবোৰ (Brain Tumour cell) ধ্বংস কৰিব পাৰে। বিজ্ঞানীসকলে সম্প্ৰতি নিগনিৰ দেহত এবিধ ছিটা (অধিক পৰিমাণত) প্ৰয়োগ কৰি সুফল লাভ কৰিছে। বিজ্ঞানীসকলে পৰ্য্যায়ক্ৰমে এই পৰীক্ষা মানৰ দেহতো কৰিব। তেওঁলোক একপ্ৰকাৰৰ নিঃসন্দেহ যে অচিৰেই তেওঁলোকে মানুহৰ মগজুৰ টেমুনা নিঃশেষ কৰিবলৈ সক্ষম হব।

প্ৰবন্ধ

# “শক্তি ১৯৯৮” আৰু “স্মাইলিং বুদ্ধ”

শ্ৰীপ্ৰাঞ্জল ডেকা
উঃ মাঃ ২য় বৰ্ষ
(কলা বিভাগ)

ভাৰতে পোখৰাণত ১৯৯৮ চনৰ ১১ মে'ৰ দিনা তিনিটা ১৩ মে'ৰ দিনা আন দুটা পৰমানু বোমাৰ বিস্ফোৰণ ঘটাই পৰমাণু বোমা নিৰ্মাণৰ ক্ষেত্ৰত সফলতাৰ পৰিচয় দি গোটেই বিশ্বক চমকিত কৰি তোলে। ভাৰতে এই মিছনটোক “শক্তি ১৯৯৮” নামেৰে নামাকৰণ কৰে। আমাৰ চুবুৰীয়া পাৰমাণবিক দেশ পাকিস্তান আৰু চীনৰ বাঢ়ি অহা পাৰমাণবিক সমৰ প্ৰস্তুতিৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ এই পৰমাণু বোমাৰ পৰীক্ষালনিৰ নিত্যান্তই প্ৰয়োজন আছিল।

পৃথিৱীৰ এতিয়ালৈকে পাঁচখন দেশ পৰমাণু বোমাৰ অধিকাৰী। দেশ কেইখন হ'ল- আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাছিয়া, ফ্ৰান্স, বৃটেইন আৰু চীন। ভাৰতৰ এই লানি পৰমুন বোমা নিৰ্মাণৰ আঁৰৰ মূল বিজ্ঞানী কেইগৰাকী হ'ল- প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ বিজ্ঞান উপদেষ্টা এ.পি.জে. আব্দুল কালাম, পৰমাণু শক্তি বিভাগৰ চেয়াৰমেন ড.আৰ চিদাম্বৰম, ভাৱা আণবিক গৱেষণা পৰিষদৰ সঞ্চালক ড.এ.কে. কাৰোড়কাৰ, প্ৰতিৰক্ষা গৱেষণা বিকাশ সংস্থাৰ মুখ্য প্ৰযুক্তি উপদেষ্টা ড. কে. শান্তাৰাম। ভাৰতে সম্পূৰ্ণ নিজা বিস্ফোৰক সামগ্ৰীৰে এই পৰমাণু বোমাৰ নিৰ্মাণ কৰে। পৰমাণু বোমাৰে পাচটা পৰীক্ষামুলক বিস্ফোৰণৰ পৰা পৰমাণু বোমা নিৰ্মাণ আৰু বিস্ফোৰণ সম্পৰ্কীয় তথ্য সমুহৰ ওপৰত নিৰ্ভৰ কৰি ভাৰতে ভৱিষ্যতে বৃহৎ আকাৰৰ পৰমাণু বোমা তৈয়াৰ কৰিবলৈ সক্ষম হব।

**পোখৰাণক কিয় বাছি লোৱা হ'ল?**

ভূ-তত্বৰ দিশৰ পৰা ৰাজস্থান অঞ্চল অতিশয় সুস্থিৰ। গতিকে এনে বিস্ফোৰণৰ ফলত সেই অঞ্চলত বা সেই ঠাইৰ ভূ-গৰ্ভৰ কোনো ক্ষতি নহয়। পাৰমাণবিক বিস্ফোৰণৰ ফলত ভূ-গৰ্ভত কিছুমান ফাট মেলে। বিস্ফোৰণৰ প্ৰচণ্ড তাপত ফাটবোৰৰ কাষৰ শিলাস্তৰ গলি যায় বা বাস্পত পৰিণত হয়। তেনে গলিত প্ৰস্তৰবোৰে পিছমুহূৰ্ততে ফাঁটবোৰ বন্ধ কৰি পেলায় আৰু চেঁচা হৈ পুনৰ কঠিন শিলাস্তৰত পৰিণত হয়।

পোখৰাণৰ শিলাস্তৰ কঠিন গ্ৰেনাইট পাথৰেৰে গঠিত। ভূ-বিদ্যাৰ ভাষাত সেই শিলাস্তৰৰ নাম হ'ল- জেলোৰ শাভানা গ্ৰেনাইট বা মালিনী গ্ৰেনাইট। এই শিলাস্তৰ আজিৰ পৰা ৪৫০ কৌটি বছৰৰ পূৰ্বে প্ৰাচীনতম (প্ৰাক-কেমব্ৰিয়ান) যুগতে সৃষ্টি হয়। তদুপৰি ১৯৯১ চনৰ ৮ নৱেম্বৰত পোখৰাণত ৫ ৰিখতাৰ মাত্ৰাৰ এটা ভূমিকম্প হৈছিল। কিন্তু সেই ভূমিকম্পত সেই অঞ্চলত কোনো ক্ষয় ক্ষতি হোৱা নাছিল। ১১ মে'ত বিস্ফোৰণ ঘটোৱা পাৰমাণৱিক বোমাৰ ফলত সেই অঞ্চলত ৪.৭ ৰিখতাৰ মাত্ৰাৰ ভূমিকম্পৰ সৃষ্টি হৈছিল। যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰত থকা ছিঝমোগ্ৰাফ যন্ত্ৰটো উক্ত বিস্ফোৰণ ধৰা পৰিছিল।

**ভাৰতৰ পৰমাণু অস্ত্ৰ ঃ**

ভাৰতৰ জাগুৱাৰ, মিগ-২৭, মিৰেজ -২০০০ আৰু ছুখই -৩০ বিমানেৰে পৰমাণু বোমা কঢ়িয়াই নিয়াৰ প্ৰযুক্তি-কৌশল আছে। ভাৰতৰ “ পৃথ্বী” আৰু 'অগ্নি' ক্ষেপণাস্ত্ৰই পৰমাণু অস্ত্ৰ বহন কৰিব পাৰে।





বৰ্তমান অগ্নি-১ আৰু অগ্নি-২ ক্ষেপনাস্ত্ৰই ক্ৰমে ১৫০০ কিলোমিটাৰ আৰু ২৫০০ কিলোমিটাৰ দূৰলৈ লক্ষ্য বস্তুক আঘাট হানিব পাৰে। এতিয়া এই ক্ষমতা বৃদ্ধি কৰি ৪৫০০ কিলোমিটাৰ কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। সেয়ে হলে এই ক্ষেপণাস্ত্ৰই চীনৰ ৰাজধানী বেইজিঙকো আঘাট হানিব পাৰিব।

**কোনখন দেশে কিমান পৰমাণু পৰীক্ষা কৰিছে!**

আমেৰিকাই ১,০৩২ টা পৰমাণু পৰীক্ষা চলাইছিল আৰু ৩৫,০০০ বিধ পৰমাণু অস্ত্ৰৰ অধিকাৰী। ২০০৩ চনৰ ভিতৰত আমেৰিকাই তেওঁলোকৰ পৰমাণু অস্ত্ৰ ৩৫০০ লৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে।

ৰাছিয়াই ৭১৫ টা পৰমাণু অস্ত্ৰৰ পৰীক্ষা কৰে আৰু ৬৮৩৩ বিধ পৰমাণু অস্ত্ৰৰ অধিকাৰী।

ফ্ৰান্সে ২১০ টা পৰমাণু অস্ত্ৰৰ পৰীক্ষা কৰে আৰু ৫২৪ বিধ পৰমাণু অস্ত্ৰৰ অধিকাৰী।

চীনে ৪৫টা পৰমাণু অস্ত্ৰৰ পৰীক্ষা কৰে আৰু ৪৫০ বিধ পৰমাণু অস্ত্ৰৰ অধিকাৰী।

ব্ৰিটেইনে ৪৫ টা পৰমাণু অস্ত্ৰৰ পৰীক্ষা কৰে আৰু ২০০ বিধ পৰমাণু অস্ত্ৰৰ অধিকাৰী।

জাৰ্মানী, জাপান আৰু কানাডায়ো বহুকেইটা পৰমাণু অস্ত্ৰৰ পৰীক্ষা কৰিছিল।

**কোনে দায়িত্ব লৈছিল?**

বোমাকেইটাৰ পৰীক্ষাৰ তদাৰক কৰিছিল পাৰমাণবিক শক্তি বিভাগ আৰু প্ৰতিৰক্ষা গৱেষণা বিকাশ সংস্থাই। সহায় কৰিছিল ৰাজস্থানৰ জলছলিমীৰত থকা দক্ষিণ-পশ্চিম এয়াৰ কামাণ্ডে। আগ্ৰাত অৱস্থিত ভাৰতীয় বায়ু সেনাই মানুহ আৰু বিভিন্ন সা-সৰঞ্জাম পোখৰাণলৈ কঢ়িওৱাৰ দায়িত্ব লৈছিল। বোমা কেইটাৰ আৰ্হি প্ৰস্তুতি, পৰীক্ষা আৰু বিস্ফোৰণ পদ্ধতিৰ দায়িত্বত আছিল প্ৰতিৰক্ষা গৱেষণা সংস্থাৰ তিনিটা গৱেষণাগাৰ। বোমা কেইটা আৰু প্ৰয়োজনীয় যন্ত্ৰ-পাতি ভূ-গৰ্ভত সংস্থাপন কৰিছিল ভাৰতীয় সেনা বাহিনীৰ অভিযন্তা সকলে। বিস্ফোৰণৰ পাছতে ভাৰতীয় বায়ু-সেনাৰ হেলিকপ্টাৰে এলেকাটো পৰ্যবেক্ষণ কৰি বায়ুমণ্ডলত তেজস্ক্ৰিয় ৰশ্মিৰ সম্ভেদ চলাইছিল।

**বোমাকেইটাৰ শক্তি কিমান আছিল?**

১১ মে'ৰ দিনা বিস্ফোৰণ ঘটোৱা হাইড্ৰ'জেন (থাৰ্ম'নিউক্লিয়াৰ) বোমাটোৰ পৰা নিৰ্গত শক্তিৰ পৰিমাণ আছিল ৪৩ কিলোটন। এই শক্তি ৪৩০০ লৈ ট্ৰাই নাইট্ৰ' টলিউনৰ বিস্ফোৰণত নিৰ্গত শক্তিৰ সমান। আনহাতে, দুদিনৰ পাছত ফুটোৱা বোমা দুটাৰ শক্তিৰ পৰিমাণ কম। মাত্ৰ ০.২-০.৬ কিলোটনৰ ভিতৰত।

**১৩ মে'ৰ ১৯৯৮**

১১ মে'ৰ পিছত বিশ্বজুৰি এক প্ৰৱল প্ৰতিক্ৰিয়া সৃষ্টি হৈ থাকোটেই ভাৰতে ১৩ মে' তাৰিখে দিনৰ ১২-২১ বজাত দুটা “ছাবকিলোটন” শ্ৰেণীৰ পাৰমাণৱিক বোমা বিস্ফোৰণ ঘটাই সকলোকে চমক খুৱাই। পৰীক্ষাগাৰৰ বাহিৰত ভূ-গৰ্ভত বিস্ফোৰিত এই বোমা দুটাক প্ৰযোজন সাপেক্ষে বিকাশ ঘটাব পৰা যাব বুলি ঘোষণা কৰা হৈছে।

**স্মাইলিং বুদ্ধ-**

“স্মাইলিং বুদ্ধ” ভাৰতৰ পাৰমাণৱিক জগতৰ চিৰস্মৰণীয় নাম। ১৯৭৪ চনৰ ১৮ মে'ত ভাৰতৰ প্ৰথমটো পাৰমাণৱিক বোমা পোখৰণৰ ভূ-গৰ্ভত বিস্ফোৰণ ঘটোৱা হৈছিল। সেই বোমাটোৰ নাম আছিল 'স্মাইলিং বুদ্ধ'।

মাটিৰ তলৰ ১০৭ মিটাৰ গভীৰতাৰ ইংৰাজী "L" আকৃটিৰ বিশেষভাৱে খান্দি উলিওৱা সুৰংগত ১৯৭৪ চনত এই বিস্ফোৰণ ঘটোৱা হৈছিল। ই আছিল এটা প্লুট'নিয়াম বোমা। ১৫ কিলোটন ক্ষমতাৰ এই বোমাটো জাপানৰ নাগাচাকিত বিস্ফোৰণ ঘটোৱা পাৰমাণৱিক বোমাটোৰ সমতুল্য আছিল।

ভাৰতে চলোৱা পাৰমাণৱিক বিস্ফোৰণৰ পৰীক্ষা আটাইকেইটা ৰাজস্থানৰ পোখৰাণ অঞ্চলত কৰা হৈছিল।

এচাম বিজ্ঞানীৰ মতে বৃহত্তৰ পোখৰাণবাসীৰ মাজত ৰক্ত আৰু হাড়ৰ কৰ্কট ৰোগীৰ সংখ্যা ভয়াবহভাৱে বৃদ্ধি পাইছে। তেওঁলোকৰ মতে বহুতো নৱজাতকে জন্মতে পংগু হৈ জন্ম লাভ কৰিছে। আন বহুতো লোক কিছুমান জটিল ৰোগত আক্ৰান্ত হৈছে। অৱেশ্যে পৰীক্ষা কাৰ্যত জড়িত বিজ্ঞানী সকলৰ মতে দুয়োবাৰ পৰীক্ষাৰ পাছতেই তেওঁলোকে তেজস্ক্ৰিয় বিকিৰণৰ সন্ধান পোৱা নাই।

যাহওঁক "পোখৰাণ-II " পৰমাণু পৰীক্ষাৰ দ্বাৰা ভাৰতে নিজকে "নিউক্লিয়াৰ ক্লাব"ৰ সদস্যভুক্ত কৰালে। ভাৰতে সদায় পাৰমাণৱিক নিৰস্ত্ৰীকৰণৰ সপক্ষে মাত মাতি আহিছে। কিন্তু পাকিস্তান আৰু চীনৰ পৰা আহিব পৰা যিকোনো ভাবুকিক প্ৰতিহিত কৰাৰ কাৰণে; আৰু পৰমাণু শক্তি সম্পন্ন দেশসমূহক এখন "নিউক্লিয়াৰ ফ্ৰি ৱৰ্লড" গঠনৰ কাৰণে হেঁচা দিবলৈ ভাৰতৰ পাৰমাণৱিক শক্তি আহৰণৰ জৰিয়তে পাৰমাৱিক প্ৰতিৰোধ গঢ়ি তোলাৰ অবিহনে বিকল্প উপায় নাছিল। ❖

## পঢ়িবলগীয়া কিতাপ

<u>নিউয়ৰ্ক টাইমছৰ পট্ৰেইটছ ঃ</u> ২০০১ চনৰ ছেপ্তেম্বৰ মাহৰ ১১ তাৰিখে 'ৱৰ্ল্ড ট্ৰেড চেন্টাৰ' আৰু 'পেন্টাগন' আক্ৰমণৰ ঘটনাৰ পাচত নিজকে মানসিকভাৱে শান্ত আৰু সংযত কৰি ৰখাৰ বাবে আমেৰিকাবাসীয়ে নিজকে বিশেষভাৱে প্ৰস্তুত কৰি তুলিবলগীয়া হৈছে। আনহাতে, উক্ত দুখজনক ঘটনাত নিহত বা নিৰুদ্দেশ হোৱাসকলৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবে উক্ত খ্যাত-অখ্যাত লোকসকলৰ স্মৃতি জীয়াই ৰখাৰ বাবে 'নিউয়ৰ্ক টাইমছ' কাকত গোষ্ঠীয়ে প্ৰকাশ কৰি উলিয়াইছে 'পট্ৰেইটছ' শীৰ্ষক গ্ৰন্থমালা' আগ্ৰহী পঢ়ুৱৈৰ মাজত গ্ৰন্থলানি জনপ্ৰিয় হৈছে।

<u>মিছেল ফেবাৰৰ 'দা ক্ৰিমছন পেটল এণ্ড দা হোৱাইট'ঃ</u> ৮০০ পৃষ্ঠাৰ অধিক এই বৃহৎ উপন্যাসৰ মূল চৰিত্ৰ 'ছুগাৰ' এগৰাকী 'বাৰবণিতা' যৌন কাৰ্যকলাপৰ ক্ষেত্ৰত অভিজ্ঞতা, শৰীৰৰ ৰোগাক্ৰান্ত ছাল আৰু জীৱিকাৰ ক্ষেত্ৰত 'কাৰখানা শ্ৰমিক' হিচাপে এক শুদ্ধ পথ নিৰ্বাচন আৰু বেশ্যাবৃত্তি গ্ৰহণৰ মাজৰ সংঘাতে উপন্যাসখনক অভাৱনীয়ভাৱে সুখপাঠ্য ৰূপ দিছে। মিছেল ফেবাৰৰ এই খন দ্বিতীয় উপন্যাস। ইতিমধ্যে কিতাপখনৰ তুলনা আধুনিক ধ্ৰুপদী কৃতি উপন্যাসৰ সৈতে কৰা হৈছে।





প্ৰবন্ধ

# জৰথুস্ত্ৰৰ বাণী

আব্দুল ৰছিদ
স্নাতক ২য় বৰ্ষ (কলা)

জৰথুস্ত্ৰৰ আলৌকিক জীৱন কাহিনীৰ কথা বিচাৰি উলিওঁৱা টান। অতি পুৰণি কালত পাৰস্য দেশত এওঁৰ জন্ম হয়। এওঁৰ নামৰ অৰ্থ দুই ৰকমে ব্যাখ্যা কৰিব পাৰি কিছুমানে কয় জৰথুস্ত্ৰৰ মানে, 'বুঢ়া উট ৰক্ষক'। পাচী সকলে কয়, জৰথুস্ত্ৰৰ মানে 'সোনালী বৰণৰ তৰা অৰ্থাৎ যাৰ সৌভাগ্য পোহৰ সোণ বৰণীয় তৰাৰ নিচিনা। যি কি নহওঁক তেওঁৰ জন্ম সম্বন্ধে জনা যায় যে, জৰথুস্ত্ৰৰ জন্মৰ পৰাই হাঁহিবলৈ ধৰে। ভূমিষ্ঠ হোৱাৰ লগে লগে তেওঁৰ মুৰ ইমানকৈ কপিছিল যে, তেওঁৰ মূৰত হাত দিবলৈ কাৰো সাধ্য নাছিল। জৰথুস্ত্ৰই কুৰি বছৰ কাল অজ্ঞাত অৱস্থাত অৱস্থান কৰিছিল। যেতিয়া ধ্যানৰ মাজেৰে সত্য উপলব্ধি কৰিব পাৰিছিল। তেতিয়া পৰ্বতৰ উচ্চ শিখৰৰ পৰা নামি আহিছিল। সেই সময়ত আকাশৰ পৰা জুই শিখা ওলাই পৰিছিল। তেওঁ কামনা কৰিছিল যে এই বজ্ৰাগ্নিৰ দ্বাৰা যেন তেওঁৰ মৃত্যু ঘটে।

জৰথুস্ত্ৰই সংসাৰৰ প্ৰত্যেক বস্তুকে দুই ভাগত ভাগ কৰিছিল। সৎ আৰু অসৎ। কিছুমান গছ-বন, জীৱ-জন্তু মানুহৰ উপকাৰী আৰু সেইদৰে আন কিছুমান মানুহৰ অপকাৰী। এই উপকাৰী শ্ৰেণীক মানুহৰ উপকাৰৰ অৰ্থে জগতৰ গৰাকীয়ে শ্ৰজন কৰিলে। আৰু অপকাৰী শ্ৰেণীক কিছুমান অসৎ দেৱতাই শ্ৰজন কৰিলে। সৎ দেৱতাৰ নাম- অহুৰো-মজ্‌দা (Ahura-Mazda) আৰু অসৎ দেৱতাৰ নাম আহিৰ্‌মন্ (Ahirman)। জৰথুস্ত্ৰৰ মানুহক উপদেশ দিলে - সত্য -পোহৰ পাবলৈ মানুহে উপসনা আৰু সাধনা কৰিব লাগে। তেতিয়া হ'লে মানুহে পোহৰৰ ৰাজ্যত প্ৰবেশ কৰিব পাৰিব। তাকে নকৰিলে মানুহে অন্ধকাৰৰ ৰাজ্যত পৰি থাকিব লাগিব। মৃত্যুৰ পাচত আমি স্বৰ্গলৈ যাম নে নৰকলৈ যাম; সুখ ভোগ কৰিম নে দুখ ভোগ কৰিম, এই সকলো বিলাক সমধা হয় -মানুহৰ এই পৃথিৱীত কৰা কৰ্মৰ মাজেৰে। মৃত্যুৰ পিছত আত্মাই মুক্তিৰ কাৰণে সেতু পাৰ হব লাগিব। পাপ-পূণ্যৰ হিচাব ৰক্ষকে তেতিয়া হিচাবৰ খাটা দাখিল কৰি, পূণ্যৰ ফালে বেছি হ'লে স্বৰ্গলৈ আৰু পাপৰ ভাগ বেছি হ'লে নৰকলৈ পঠাই দিব।

জৰথুস্ত্ৰই প্ৰচীন কালৰ জ্ঞানী লোক সকলক নিজৰ ধৰ্ম মতৰ শিক্ষা দিছিল। মহাপুৰুষ জৰথুস্ত্ৰৰ মৃত্যুৰ পাচত তেওঁৰ শিষ্য সকলে পুৰুষানুক্ৰমে তেওঁৰ ধৰ্মৰ মত প্ৰচাৰ কৰে। প্ৰচীন কালত ৰজা-কুৰুচ, দৰাখুদ, আকিমিনীয়া ৰজা সকলেও জৰথুস্ত্ৰৰ ধৰ্মত মত গ্ৰহন কৰিছিল। জৰথুস্ত্ৰৰ প্ৰচাৰিত ধৰ্মমত অতি সহজ সৰল। মানুহ জন্মৰ আদি অৱস্থাৰ পৰাই এই দুই কথালৈ বাদ-বিসম্বাদ চলি আহিছে। ভাল আৰু বেয়া, সু আৰু কু। জীৱনত সৎ প্ৰবৃতিবোৰ পৰাজিত হ'লে অসৎৰ জয়। আৰু অসৎৰ আমোলত মানৱে অসৎ কাৰ্য্য কৰিবলৈ বাধ্য। এই ভাল আৰু বেয়াৰ কথা লৈয়ে পৃথিৱীৰ ধৰ্মৰ বুৰঞ্জী সৃষ্টি। আদিৰ পৰা

অন্তলৈ এই সমস্যা সমাধানৰ প্ৰচেষ্টা। জৰথুস্ত্ৰৰ অমৃতবাণী কেইটামান তলত দিয়াৰ লোভ সামৰিব নোৱাৰিলো-

১। সৃষ্টি কৰ্তা এক, দুই নহয়।

২। ধৰ্ম আপোনা আপুনি প্ৰচাৰ হয়, প্ৰচাৰক তাৰ বাহন মাত্ৰ।

৩। লক্ষ্যবিহীন জীৱন ব্যৰ্থতাই আনে। নদী যেনেকৈ নানা দেশৰ মাজেদি, নানা গতিৰে নানা ভাবেৰে বৈ শেষত সেই এক সাগৰতে পৰে ঠিক তেনেকৈ জগৎ স্বামীৰ আদেশ শিৰত লৈ এই সংসাৰৰ কণ্টকময় পথ অতিক্ৰম কৰিবা স্থিৰ লক্ষ্য ৰাখি।

৪। অপবিত্ৰ শৰীৰ পবিত্ৰ পানীত পেলাই নাইবা পবিত্ৰ জুইত পেলাই পানী আৰু জুইক অপবিত্ৰ কৰাতকৈ পৰ্বতৰ উচ্চ শিখৰৰ পৰা জাপ দি জীৱ- জন্তুৰ আহাৰ কৰাই ভাল।

৫। পূৰ্ণ্য অৰ্জন কৰা অতি কঠিন, কিয়নো পাপ মানুহৰ নিত্যসঙ্গী- যেনেকৈ পোহৰৰ পাছতে আন্ধাৰ।

❖❖❖

## সূক্ষ্ম কেমেৰা উদ্ভাৱন

বৃটিছ বিজ্ঞানীৰ এটা দলে চুলিৰ সমান আকৃতিৰ এক ধৰণৰ কেমেৰা উদ্ভাৱন কৰিছে। এই কেমেৰাটোৰ সহায়ত স্তনৰ কৰ্কট ৰোগ আৰোগ্যৰ ক্ষেত্ৰত চিকিৎসক সকলে অভাৱনীয় সফলতা লাভ কৰিব পাৰিব বুলি বিজ্ঞানীৰ দলটোৱে মন্তব্য কৰিছে। নিপলত স্থাপন কৰা এই কেমেৰাটোৰ সহায়ত স্তন কৰ্কট ৰোগৰ সকলো তথ্য চিকিৎসক সকলে ভি.ডি.অ মনিটৰত দেখা পাব আৰু সেইমতে সঠিক ভাবে চিকিৎসা কৰি ৰোগ নিৰাময় কৰিবলৈ সক্ষম হ'ব।(সংগৃহীত)

## বিচিত্ৰ বাৰ্তা

১৯৮১ চনত মাউণ্ট ৰেইনিয়েৰ নামৰ পৰ্বতটো যিটোৰ উচ্চতা ১৪,৪১০ ফুট, নজনীয়া পৰ্বত আৰোহণকাৰী দল এটাই সফলতাৰে আৰোহণ কৰে।এই নজনীয়া দলটোৰ ৫জন আছিল কণা,দুজন কলা,এজন এপিলেপটিক বেমাৰী আৰু এজনে কৃত্ৰিম ভৰি লগোৱা।





# सोलोंथाइनि खायसे जेंना

गजेन चन्द्र बड़ो, टि.डि.चि. 1 बोसोर

उन्दै समनिफ्रायनो जों रोंनो, मिथिनो सिनाहनो नाजानांगौ। फरायस समानो फरायनायनि, फरायना लानायनि सम, इयुन खौफोदखौ गाथोना आफोदखौ बोथेनायनि सम / फरायनो मोन्नाय समानो सोगोंनि संसार दानो जान्जि खाफ्रानायनि सम, संसारनि खैदा खौफोदखौ बोस्रांयनि खाबु। आथिखालाव जायनो फरायना लाखेदों बेनो गेदेर जानो हदों, जायनो देरनो हादों बिनो बिगोमा जादों आरो आन्ली गोजोनै रायजो जानो मोन्दों।

दानि मुगया मेलेम बाहानियानि मुगा, जुजिलायनायनि मुगा जांख्रिखांनायनि मुगा। जाखांथाय मेलेम बाहायनाय, जुजिलाय नाय आरो नादायलायलायनि गेजेर जोंसो जोंखाम, गाननाय जोमनाय, थानाय, थाबायनाय बेफोर गासैबो जाफुं बोदों। जायनो मेलोम बाहायदों बेनो मुलुगाव गावखौ जैासिन होनना सिनाय होदों। बे बादायलायनाय मुगायव जायनी उथ्रिदो बेने गोजोन जिउ खुंनी हादों। फार्सेथिं जायनो सोलोंथायाव उन जानानै दं बिसोरनो गुबुन जों न्यगाय जादों मुगौ जादों बिसोरनी जगदनि बावनांसा। बिसोरनो गुबुननि सिं जाननै थानांगौ जानायनि लोगोसे गादब जांदो, नाचय जांदो, सैसै खालाम जांदो। सोलोंथायाव उन जाननै गावखौ फाननो गोनां जादों। होमबा-नों---नों------फरायनो गोसो गोया? स्कुल-कलोजआव थांननै लोगोनि न'आव आलासि जाहैनानै, जुवा गेलेनानै, सिनेमा नायननै, इ'कायटि खालामनानै देलाय मांग्रि महरल' गोसा नंखाय सिरव्ला फोरनि उन-उन थाबायनानै आरो समासजों मुगै जाथाव खामानि बिमा-बिफानि आन्दोआव मावनानो, दरजा-खिरखि फांथेना नि लेखा फारयनो नागारना गाग्रि लोखा फरायान्खोमानानै माखासे समखै औरैनो हगार हरना सम गोयैआव आनजाद खाथियाव हरथ्रोब सानथ्रोब नकल लिरनानै, नडसै नकल खालामना पास खालामनो। बोलो फोरायै आनजाद सालियाव फोरोंगिरिखौ हाथियार दिथ्थिना सिगिनो? गईखौ सिसिनो? सानो नडसै जैरैखि जाया आनजाद पास खालामना दिग्रि लानानै इयुन संसार नि गोजोन सिमां नुना दुब्रिनि निहिर थरथिंआव बासा लाना सुखु मोदैनिलो सुनो? नाथाय गासेबो फैमाला। लाथिख' जेथिंबो साम' खंख्ला। दाव बिमाया गजबनानैबो फिसा जोंखार नो रोङै दावेदे गला बायदिसोजोब। जैरैखि साना-जैरैखि नाजाया मानो गावखौनो थगायदों आरो न'खरखौ थगायदों। सोरांखौ एख्लायना खोमसिथिं लामा लादों। अमुटनि लौथोखौ नागिरना बिसनि लौथोनि दैखौसो मोनलोंहैदों लामा सिनाय रोडैयाव।

आथिखालाव फरायछप समासखौ इसे एबा गोबाङै रायजोआव नुजाबाय थानाय सोमावसार फोराबो गोहोम खोलैनाय नुनो मोनो। बेफोर सोमावसार फोराव फरायछा फोरानो बंसिन बाहागो लानो गोना जानायाव गावनि मावनांगौ खामानिनिफ्राय गोजान जाना थानो गोनां जादों। बेनि अनागायैबो अथिखालाव गोबां फरायछुला-परायछुलिफोरा ज'रा-ज'रा थाउन-सहराव थानानै सिनेमा नायो जारो बेराय गलांहैयो। सिनेमायाव एक्टर- एक्ट्रस फोरनि देलायनायखौ नुनानै गोबांआनो बिसोर देलायनाय बायदि देलायनो सोलोड़ो। एक्टर-

एक्ट्रिसफोरा देलायनानै-बबि कारटिंनि जि गाननानै बायदिसिना फावथिना दिथ्रियो, गोसो थोलायनाय फाइट नांनाय बायदि बायदि। थिग बिन्दिनो आथिखाला जुगनि सेग्रा-सिखलाफोराबो देलायानानै बबि कारटिनि जि गान्नानै गोसो थोलायनायखौ हाईस्कुला-कलेजआवबो मोनसे English बादिलानायजों नुनो मोनो। हाइस्कुल-कलेजआव थांनानै महर गोनां मोजा'-मोजा' सिख्ला फोरनि उन-उन थबायनानै माखासे समखौ खायफा फरायछाफोरा ओरैनो हगार हरो। महर मुश्रीखौल नुब्रबनानै -गोसो थोनाया जोबोट खौफोदनिसो लामा। बेखौ मोथ्रिखा जाय गोसो थोलाय फेरदों बैसो मोथ्निदों, गोसोथोलायनाया मा जिनिस। जेबला लोखा फरायनो टेबलआव जगोन होब्लाना बेसेबा समायना बिबाराव सिखिरि मासेया बानानै गां-बुब्राब हैबाय थानाय बायदि मोनो गावखौ। हराव अन्दुलाहां जानाय समाव गोसो खांल्बा मेगननि मोदैया बिसिबां गयो बेखौ गान्दु सिग्लाबबासो मोथ्रिसिगौ। लेखा फरायनाया बिसिबांबा गोजानावसै, लाइजाम फरायनायासो आंनि जासै। बिब्दिनो गोबां फारायछुलि फरायछुलाफोरा गोसो थोलायनानैबो फरायनो सोलाबै आरो गोसो गोयै जानानै इस्कुल-कलेज नागारनानै समाजाव मुगौ जाथाव खामानियाव आखाय होनायनि बिदिथ्रिया खमनड़ा। फरायछा समाव बिफोरनि बिबान एबा बेफोर जों नोसिथाबना थाया बालानो गावनि थांसिखौ मोनहैनाय बायादि होसोना खामानि मावनायासो सोलोंनी गोनांनि खामानि।

बर' फरायाछा फोरनि बेलायाव जों नुनो मोनोदि थाखो सेनिफ्राय थखो जि सिम फरायखांनायनि उनाव बर रावनि अनगायै गुबुन रावजोंसो सोलोंनी गीनाजायो। बर फरायछाफोरखौ गावनि रावजों फरायनो मोनैयाव गुबुननि रावजोंसो फरायनो गोनां जानायाव आनजादाव गोबां खेब उथ्रिनो हायै नुनो मोनो। बिब्दिनो गोबां खेब आनजादाव एथ्रिनो हायैनि खायफा फरायछा फोरा लाजिनानै School College नागारना हालावबो थाड़ा मैयावबो थाड़ा बेफारनि जेंनायावसो गोलौ होयो।

आथिखालाव गामियाव थानाय बर' हारिआ फरानायाव जेसेबां ज'र होनांगौमोन एसेबां ज'र होआखौ। बर' हारिनि गोबां बिमा बिफाफोरा गाव-गावनि गथ' गथायखौ दाहोना रुवाथि दोननानै संसार जानायावसो गोसो होसिननाय नुनी मोनो। जायनि जाहोनाव गथ' गथायफोरा इउन संसारखौ खुंलांनायाव जोबोत गोब्राब जानानै फैयो। बेफोरनि अनगायैबो जौ-सेरेबजोंल' गोदोना थानानै गावनि उन्दै गथ' सासेखौ माबादि बुजाय-आजाय फराय-छालियाव हगार इरनांगौ बेसौ जोंनि बर' माहारिनि बिमा बिफाया इसेबो बुजिया। गावनि फिसा-फिसौनि अनगायै जौ-सेरेफखौसो देवसिन जोसिन बायदि साननानै लायो। बर' हारिनि मोनसे जोबोट मुगौ जथावना हुदायानो जाबाय जौ लोंनाय हुदा। जौआनो बर' हारिनि सोलोंथाय आपदाखौ खावसे बाहागो नाखेबनानै दोनदों। गथ' गथायखौ दबथयनो हानाय राहायानो जाबाय बमा बिफा! साफ्रोमबो बिमा-बिफाया गाव-गावनि फिसाखौ गोरा आखायजों दबथायनो हानांगौ। बिमा-बिफानि खियाल गोयैआव समनि बेसेनखै बुजिरोड़ैआव गावनि खामानिखौ मावना लारोड़ैयाव आनजादाव खनले-खनले फेल जानानै लाजानियनिफाय बारग'नो थाखाय गोबां फरायछायानो दैआव बारसोमना थैनाय, मठर गाड़ियाव बारसोमना थैनाय, आलायना थैनाय, बिस जानाय आरो न' गारना खारनाय बायदि-बायदि मुगैथाव खामानियाव आखाय होनो गोनां जादों। खायसेआ स्कुला कलेज नागारनांदों आरो हालावबो थाङ, मैयावबो थाङ जानानै माखासेआ गाजि लामा लादों आरो माखासेआ जुवान बौसोखौ हमथानो हायैयाव संसारनि गुदु बालाबारियाव गाब्रदों। बिनि खायनो बिमा बिफानि अनगायेबो गावनि इयुनखौ नायहरना उन्दै समनिफ्रायनो गोख्रों नोजोर होना सासे मोजां फरायछा जानो नाजा नांगौ।





आथिखालनि फोरोंगिरि फोराबो सोलोंथाय फासै गोबां जेंना लाबोदों। गथ' फोरखौ जेरैब्रादि गोसो होगारना फोरोंनांगौ बिदि फोरोड़ा होन्ना जों नुनो मोनदों। नाथायबे खोथाय साफ्रोमबो फोरोंगिरिनि बेलायाव सैथो नङ। आदर्स गोनां फोरोंगिरिया बयखौबो समानै, बयखौबो मोजाङै फोरोङो आरो फोरोंखागोन। फोरोंगिरिआनो फरायछाफोरनि गाहाय थुलुंगा गिरि। बिथाङनो फरायछाफोरखौ गोजौ फासै दैखाङो आरो हादटनि इउन जौगानायखौ दायो। नाथाय जों दिनै नुनो मोन्दों खायसे-फोरोंगिरि फोरनि सायाव बेसेबोबा सोंखारिनाय। फरायछा फोरनि सिगाङव बिरि-सिगारेत सोबनाय जौ-सेरेफ लोंनानै समाजजों मुगैजानाय मान हानि जानाय खामानि मावनाय आरो राजखाथ्रिजों लोब्बा लाफाननै फरायछालिनि सोलोंथायनि फासै गाज्रि बारहावा लाबोनानाय। फारोंगिरि फोरा राजखाथ्रिनि बिबान लानानै स्कुल-कलेजआव थांनो सोलाब।

जोंनि सोलोंथाय आयदायाव बिब्दिनो माखासे जेंनाया जोंखौ साग्लोबनानै दं। मोनफ्रोमबो जेंनायानो जोंखौ नारसेब बोबाय थायो। जों इसे गावखौनो गोख्रो नोजोर लानानै माखासे जेंनाजों नरखेब जाया बालानो सोलोंथायखौ लानि होसो बोनांगोन। आब्लासो इउन संसारनि गोजोंन सिमां नुना दुब्रिनि निहिर थरथिंआव बासा लाना सुखु मोदैनि लो सुनो हागोन, खमसिखौ एरख्लायना सोरांखौ लाबोनो हागोन आरो बिसनि लैथोनि दैनि अनगायै अमृटनि लौथोनि दैखौ मोनलोंगोन। ❖

## মহৎলোকৰ বাণী

অভাৱ,দৰিদ্ৰ আৰু বৈষম্যৰ মাজত গনতন্ত্ৰ সৰহকাল তিষ্টিব নোৱাৰে।

(নেহেৰু)

ৰক্ত পতাকা হৈছে বৈপ্লাৱিক মুক্তি সংগ্ৰামৰ-প্ৰতীক।

(কাৰ্লমাৰ্ক্স)

( सले बाथा )

# हरखाब रागानि फिथाय

श्रीमतिलाल नारजारी
बि.ए. 2 बोसोर

गोदो गोदायनि बाथ्रा। सनाजुलि मुंनि दाबसे जायगायाव मोनबारु आरो लाफाथिआ रायजो जाहोंमोन। बिसोरहा नै(2) दानसोल जानाय सासे गोरलै गथ दंमोन। बिसोरो मासे नेवलाय फिसिर्दोमोन आरो नेवलायआ लासै लासै मानसिनि रावखौ बुजिनो हानाय जादों मोन। नैवलायखौ गावसोरनि फिसा बायदि सानोमोन। अन्नानैनो नेवलायनि मुंखौ दोन्नायसै सनाराम। नाथाय दुखुनि बाथ्रादि मोनबारु आरो लाफाथिनि रंजा-गोजोन, थैस-थांस रायजो जानो सान्नाय मिजिआ सानसे फैमाल जायो। ह्खाबनो मोनबारुआ खिनाय बेरामाव भुगिनानै हरसेनि गेजेरावनो लाफाथिनि मेगनाव मोदै बोहै होनानै जि गुफुर जोमनाङो आरो गामि गोदानसिम आगान सुरनो गोनां जायो।

लाफाथिआ दुखु-जार्ल्लायाव गोग्लैयो। सख्ल-बख्ल गथखौ बानानै खामानि दामानि मानथिं नो गोब्राब जायो। बिब्दिनो माब्लाबा-माल्बाबा नेवलायखौसो गथनि खाथिआव नेहोनानै बायदिसिना खामनि मावनो गोनां जायो।

सानसे खालिनि बाथ्रा। लाफाथिआ दैसायाव दुगैनी ओंखारो। बियो गथखौ खामसालिआव फुथुनानै नेवलायखौ बुंनायसै सनाराम नों नोंगैखौ नोथ, आं दैसायाव दुगैनो थांनि। आरो खोनासं नोंगैखौ मोस्रोम बेमाफोर अरफैनो हागौ, मोजाङै नोजोर हो। बिब्दि बुंनानै दैहु गंसे आरो दखोना गासे लानानै लाफाथिआ दैसायाव दुगैनो ओंखार लांनायसै

नेवलायआ गथनि खाथिआव थानानै बबेथिं मा फैयो-मा फैया नेबाय थानायसै। दसे उनाव सिथला खनानिफ्राय मासे जिबौ ओंखार बोनायसै। लासै लासै जिबौआ गथनि फार्से मानबाय बोनायसै। बेखौ नुनानै नेवलायआ सांग्रां जानायसै। मानोना बिहा गिनायबी दंदि गथआ माबाफोर जायोल्ला बिमाया गावखौनो बुथारनो हागौ। बेबायदिनो जिबौआ गथनि खाथिआव मोनफेव्ला नेवलायआ जिबौ आरो गथनि गेजेराव थाथेनायसै। बियो जिबौखौ गोमजौरै नायनायसै आरो खुगा हां सिनानै अरनो नागिरब्ला जिबौआ इसे गिदिं फिनो। नाथाइ खनले खनलै जिबौआ गथनिथिं फैफिनो। नेवलाय रागाजों जिबौखौ अरससिन अरससिन सबा खालामो। बिनि मोखांआ गोजा थैजों मेंब्रां जायो।

दान्दिसे उनाव जबायाव दैहु आरो अखान्थिआव दखोना गिसिखौ लानानै न फार्से फैगौ लाफाथिआ। बियो नुहरवाय नेहवलायआ दरखंनि देवनायाव खाबथं जिरायना दं आरो नुबाय बिनि मोखांआ थैजों गोजा जाहाबनाय। लाफाथिआ सान्नायसैआंनि गथखौ जानानै दोनबाय फाफिआ, नङाब्ला मनोथो थै नांनांगौ बिनि मोखांआव। बियी हरखाब रागा जोंखांनासै आरो खाथिआव गंसे थखन खनखांनानै नेबालायखौ खुबै हरनायसै। सिबाय नेवलायआ खरेआव नांजानानै जायगायवनो बाब्राब बाब्राब थैयो।

लाफाथिआ हाखु-दाखु खाथिआव खारलांनायसै बियो नुनी मोनबायदि गथआ उन्दु लांदों। नाथाय खाथिआव मासे जिबौ गोथै सबा जानानै दं। बियो सानखांनो हानायसैदि- जिबौ आसो गावनि फिसाखौ जानो फैदोंमोन। आरो गावनि फिसाखौ रैखा खांलामनो जिबौखौ अरसनायावसी नेवलायनि मोखांआव थै नोंहोंमोन। अब्लासो लाफाथिनि गोबोआव दुखुनि अर जोङो। बियो खाफाल बुयै बुयै गावनि हमो आरो बुर्डें-अंनि सना नेवलायखौ आं बुथारफलांबाय। हाय खाफाल अंनि फिसा सना-दानि था आनि गथखौ सोर नेबावनो। ❖





কবিতা

## জেতুকা পাতৰ দৰে

শ্ৰীদীপামণি কলিতা
স্নাতক প্ৰথম বৰ্ষ।

মোৰ হৃদয়ৰ এখিলা উকা কাগজত
লিখিছিলো তোমাৰ নাম
আঁকিছিলো তোমাৰেই ছবি।
নৈঃশব্দৰ নিয়ঁৰে ধোৱা এটি
জেতুকা পাতৰ দৰে
মোৰ হৃদয়ৰ ৰংবোৰ
সাঁচি থওঁ স্মৃতিৰ বোকোচাত।
মই সপোন আৰু দিঠকত দেখাৰ দৰে
তুমি যেন চেঁকুৰি ফুৰিছা
আভিজাত্যৰ শুকুলা ঘোঁৰাত উঠি
অৰণ্ডে দৰণ্ডে
দিহিঙে দিপাঙে
এক নতুন দিগন্তৰ সন্ধানত।
এজাক উৰণীয়া মৌ-মাখিৰ
গুণ্ গুণ্ ধ্বনিয়ে কাঢ়ি নিয়ে
মোৰ আলসুৱা মন।
মৌ-জোল পাণ কৰি থৈ
ভাগৰুৱা মৌবোৰে এৰি যোৱা
বেদনাৰ ঢৌ বোৰ স্মৃতিৰ
জোনাকত উপঙি থাকে।
বেদনাসিক্ত গধুৰ স্মৃতিবোৰ
মেটমৰা শিল হৈ নাচি থাকে
মোৰ বুকুৰ কামিহাঁড়ৰ তলত
তেজৰ প্ৰৱাহৰ স্তব্ধতাৰ মাজে মাজে।
ফুল, জোনাক আৰু তৰালীৰ
ৰংবোৰ আউসীৰ এন্ধাৰ হৈ
মোৰ চৌপাশ খন ঢাকি পেলাইছে
নিঃশব্দে নীৰবে।
তথাপিও ৰৈ আছো মই
দিগবলয়ৰ সিপাৰে
এধানি জোনাকৰ অপেক্ষাত,
কহুৱা কোমল এপাহি ফুলৰ বাবে,
মোৰ হৃদয়ৰ এখিলা জেতুকা পাতৰ দৰে। ❖

## সমাধি

শ্ৰীভবেশ কলিতা
স্নাতক দ্বিতীয় বৰ্ষ

কিছু সময়ৰ আগতে
মই আত্মহত্যা কৰিছো।
আঁন্ধাৰে আৱৰা
পৰাজয়ৰ গ্লানিয়ে ভৰি থকা
সৌ লেতেৰা কোঠাটোত
মই এদিন কবিতা লিখিছিলোঁ
পুঠিমাৰী নদীৰ
উভতগোৰে নচা সোঁতত
এদিন মই সাতুৰিব বিচাৰিছিলোঁ
দুহাত ওপৰলৈ দাঙি
অৰণ্য খন তেতিয়া যৌৱনৰ
যন্ত্ৰণাত ক্লান্ত হৈ পৰিছিল
আন্ধাৰ বোৰে ফুচ ফুচাই কথা পাতি আছিল।
বেলিটোৱে প্ৰেমৰ ঠিকনা বিচাৰি
লাজতে মুখ লুকুৱাইছিল
ডাৱৰবোৰে প্ৰগলভা হৈ দৌৰিছিল
অজান দেশলৈ
এডাল লঠঙা গছ যেতিয়া
মোৰ কান্ধত বাগৰি পৰিল
তেতিয়া মই সাজু হ'লো
আত্ম হত্যাৰ বাবে
আৰু মোৰ মৃত্যুৰ বাতৰি পাই
ফুল-তৰা-পখিলাই নিজ নিজ বাহলৈ গুচি গ'ল। ❖



# তোমাৰ বাবে

ওছমান গনী, অধ্যাপক

তোমাৰ বাবে
গীত হ'লোঁ মই
তুমি বুজিলা সুৰ;
তোমাৰ বাবে
জ্যোতি হলোঁ মই
এন্ধাৰ কৰিলোঁ দূৰ।
জীৱন যুদ্ধৰ
সেনানী হলোঁ মই
ৰূদ্ধ হ'ল মনৰ দ্বাৰ;
জীৱন যাত্ৰাৰ
প্ৰহৰী হলোঁ মই
আজি কৰিলোঁ অঙ্গীকাৰ।
আবেগ আকাশত
লীন হলোঁ মই
নাই লাজ-সংশয়;
মনৰ দিগন্তত
ছাঁ পৰিল মোৰ
তোমাৰ পৰশ পায়। ❖

# প্ৰাত্যহিক

শ্ৰীভূপেন্দ্ৰ নাথ শৰ্মা, অধ্যাপক

প্ৰাত্যহিক সৰ্পিল গতিত জীৱন
শীত বসন্ত আহে ঘনে ঘন
উৰণীয়া চৰাই জাকৰ দেউকাত
বান্ধি দিলো মন জানোছা আকাশ পায়, স্বৰগ পায়;
আশাৰ সম্ভাৰ।
দৈনন্দিন জীৱন-
নিৰুত্তাপ, নিৰ্জীৱ শামুকীয়া গতি
প্ৰানোচ্ছল কৰিবা কাৰ বাবে বন্ধুসকল
নিৰৰ্থক, কুলিৰ দৰে চকু মুদাৰ অভিনয় এৰা
উঠা জাগা, মানবতাৰ জয়গান বজোৱা।
শীতৰ ঠেৰেঙা লগা বগলীজাকৰ সদৃশ
পাখিবোৰ ৰদোৱা.....
উন্মুক্ত চিন্তাৰে, সাম্য মৈত্ৰীৰে
ভাতৃত্বৰ চানেকীৰে তোমালোকে
দৰ্শনৰ জ্ঞান বৃত্তটোৰ(!) পৰিধি বঢ়োৱা
প্ৰতিশ্ৰুত তোমালোকেই হয়তো হব লাগিব
অৰিন্দম্ সপোনকামী সমীম একোজন
জীৱন্ত আদৰ্শ, উত্তৰ পুৰুষ বাবে।
সময় হ'ল- হিৰণ্যকশিপু বধৰ
আহে প্ৰহ্লাদ ৰক্ষাৰ আহ্বান
কৃষ্ণ নৰসিংহ অৱতাৰ
আহে ৰাম ভগবান ৰাৱনৰ চিতা জ্বলাবলৈ
যুগে যুগে সংগোপনে অৱতাৰী পুৰুষহে
আস্বাদন, সাহিত্য বুৰঞ্জী সংস্কৃতিৰ
আগত ভবিষ্যতৰ সঞ্চয়ী প্ৰতিচ্ছবি। ❖





# উষ্ণ ৰক্তৰ দাগ

শ্ৰীৰিপুঞ্জয় পাঠক (ৰিপু)
স্নাতক ১ম বৰ্ষ (কলা)

মোৰ গীটাৰত আজি
কৰুণ সুৰৰ ধ্বনি।
টিউলিপ বাগিছাৰ
কুঁহিপাতেৰে সজোঁৱা
দৰ্শক বিহীন মঞ্চ।
মাঁথো গাইছোঁ—
বিশ্বাস- অবিশ্বাসৰ গীত
স্বাৰ্থান্বেষী সমাজৰ
আভূৱা ভৰা গীত।
কাৰণ———
শ্ৰোতা বিহীন মঞ্চত
প্ৰেম ভংগুৰতাৰ
উচিত বেদনা ক্লিষ্ট সুৰ।
ইয়াতেই
দালানৰ প্ৰভূত্ব
উদয়াস্তৰ বুকুত চিৰঞ্জ-মায়েলিয়া।
বাঁহত কাউৰীৰ কল্লোল,
আৰু
কবৰত মাংস পিণ্ডৰ
টনা আজোঁৰা।
এয়া নেকি প্ৰেম——?
নে————???
উকা কাগজৰ
"উষ্ণ ৰক্তৰ দাঁগ"
কেতিয়াওঁ নিকা কৰিব—
নোৱাৰিবা তাক।। -।। ❖



# নিস্তব্ধ জনতা


শ্ৰীৰুবুল দাস
স্নাতক প্ৰথম বৰ্ষ (কলা)

এৰা,
এনেদৰে জানো উন্নতি আহিবা
দেশৰ হেৰুৱা শান্তি
চাৰিওঁফালে কেৱল হিংসা-
বোমা বাৰুদৰ গোন্ধ।
কম্পিত জনতাৰ হৃদয়
বোমা- বাৰুদৰ চিঞৰত
জনতা নিমাত-নিস্তব্ধ।
হিংসাৰ বিৰুদ্ধে ঠিয় দিবলৈ
কোনো নাই।
কম্পিত জনতাৰ নিস্তব্ধতা-
আতৰ কৰিবলৈ আজি,
অতীতৈক প্ৰয়োজন হৈছে;
লাচিত-মূলা-গাভৰুৰ দৰে
বীৰ ডেকা-ৰমণীৰ।
হে, দেশৰ জনগণ
জাগ্ৰত হোৱা, সজাগ হোৱা,
মানৱ ৰূপী দানৱ হতৰ ধ্বংশলীলা
ৰোধ কৰিবলৈ সকলোৰে
ওলাই আহা।
হে লাচিত মূলা গাভৰু
তোমালোকে আকৌ জনম লোৱা।। ❖

# প্ৰতিশ্ৰুতিৰে

মঃ ইউচুফুদ্দিন আহমেদ

তোমাক এৰি আহি
ছট্ ফটাই আছো মই
ইয়াত এতিয়া মোৰ বহুত সময়
নিলিখা কথা লিখিবলৈ।
মোৰ আত্মাৰ স'তে
বন্ধুত্বৰ মিতিৰালিৰ প্ৰতিশ্ৰুতিৰে
তুমি মোক যি দিলা
সেয়া এতিয়া মোৰ
জয়গান।
ক্ষণিক কিঞ্চিত হ'লেও
হাতৰ মুঠিত বান্ধি লৈ যোৱা
মোৰ জন্মৰ এয়া প্ৰতিশ্ৰুতি। ❖





# অনামিকা

নীলিময় কাকতি

পুৱাৰ পোহৰ ৰাতিৰ আন্ধাৰ, সকলো পাহৰি
তোমাকে ভাবিছো, জানানে তুমি?
মনৰ দাপোনত দেখো বিয়লি
তোমাৰ উজ্জল চকুজুৰি।
তোমাৰ প্ৰেমে কৰিছে বলিয়া,
তোমাৰ হাঁহিত মই মতলিয়া।
মৰম বিচাৰি যেতিয়া খাইছিলো হাবাথুৰি
লৈছিলা মোক তুমি আকোৱালি।
পাৰিম জানো থাকিব, তোমাক এৰি
দিবানে মোক মৰম সঁহাৰি
দিছো মৰম মই হিয়া উজাৰি,
নাযাবা কেতিয়াওঁ মোক এৰি।
উপহাৰ বুলি যাছিলো এই কবিতা
নাম দিলো তাৰ 'অনামিকা'। ❖





# सोरमोन नों जोहोलाव

थरायना निरू बसुमतारी
थाखो-बि ए 1 बोसोर

सोरमोन नों जोहोलाव
हाथासि गोरबोजों हाले मिनिना
खावना लांबाय आंनि गोसोखौ
मोजोमसे अननाय बिलिरना।
थफिनाय बिबाराबो बारसानाबाय
नोंनि मोदोमफ्रा मोदोमनायाव,
मेथ'खा गाबनि खानायाव गलाव थुना
आखायजों आखाय हमथाबना
अननायखौ फोसवना होबाय नों
आंनि मोखांनि सोरगिदिं।
नाजादोंमोन खारग'नो
नाथाय, हाथाखैसै
गोसोआ आंनि मानोबा बेङ
गिखादों नोंनि अननायाव
आलौदों बिखा-बिख्लो
मानिबा मोनदांनायाव।
गोसोआव फैयो दिनैबो
नोंनि मेगननि नोजोर,
खामग्लयो, आंनि बिखा-बिख्लो
गोसोखांब्ला बै सानखौ
सिग्लाबफैयो, मेगन फैसालिया।
बुंस' हायै मानिना दाहायाव।
सोरमोन नों जोहोलाव
अन्नयनिगिरि?
नोंनि अननायाखि दाबो दंबावो? ❖

# हायाखिसै

पन्चमी दैमारी
थाखो-बि ए 1 बोसोर

हायाखिसै नोंखौ जों मुंख्लं
नोंनि लुबैनाय बादि सिबिनो
मोनाखिसै नोंखौ जों
बिबार बारसे बावनो।
आलायसिलाय थैनांबाय
नों दावहा फोथाराव,
अनागारियै गारसोम हैजाबाय
नों बुलुं बुथुर दैमायाव
जाफुंथों जोहोलाव नोंनि सान्नाया
नोंनि गोजा थैयानो
बर राज्यो जाथों।
नोंनि फंबाय बिनानावआ
स'नानि बर राज्योआव
आलो आलो थाहैनो मोनथों। ❖

**গল্প**

# অপেক্ষাৰত বিদায়

আতোৱাৰ ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ (ক'লা)

দুৰন্ত গতিৰে বাছখন নগাওঁ অভিমুখে গৈ আছে। বহি আমনি লগাত অৰূপে বেগৰপৰা বাতৰিখন আকৌ পঢ়িবলৈ আৰম্ভ কৰিলে। মাক আৰু সি বাইদেউকৰ ঘৰলৈ আলহী খাবলৈ গৈছে। বাইদেৱক হঁতৰ ঘৰ পালে সন্ধিয়া ঠিক পাঁচ বজাত। ৰবিবাৰ থাকি সোমবাৰে ৰাতি চ'কত এখন 'মুকলি বিহু' প্ৰতিযোগিতা চালে যদিও চাই ভাল নালাগিল। কাৰণ তাত তাৰ দৰে শিক্ষিত চিনাকী বন্ধুৰ সঙ্গ খুব কম। বৰ্তমান সি কটন কলেজৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ প্ৰথম বৰ্ষৰ ছাত্ৰ। প্ৰথম বৰ্ষৰ ফাইনেল পৰীক্ষা দি বাইদেৱকৰ ঘৰলৈ গৈছে। চ'কৰ পৰা ৰাতি এঘাৰ মান বজাত আহি শুই থাকিল। সি বাইদেৱকৰ ঘৰত ৩-৪ দিনৰ বেছি থাকি পোৱা নাই। কিন্তু এইবাৰ কমেওঁ দহদিন থাকিব বুলি গৈছে। এই দহদিন কেনেকৈ গ'ল গমেই নাপালে সি। তাত আৰু কেইদিনমান থাকিবৰহে মন গ'ল। ইয়াৰ একমাত্ৰ কাৰণ এজনী ছোৱালী; মিতালী........মিতালী শৰ্ম্মা।

ৰাতিপুৱা সোনকালে উঠাটো অৰূপৰ অভ্যাস। সেইদিনাও ইয়াৰ ব্যতিক্ৰম নহ'ল। অৰূপে মুখ-হাত ধুই কিবা অলপ ব্ৰেকফাষ্ট কৰি চেয়াৰ এখন লৈ বাটত বহিল। তাৰ কাষেদি বহু মানুহ অহা যোৱা কৰি আছে। তাৰ পিন্ধনত আছিল পেৰেলেল লংপেন্ট, ব্লু ৰঙৰ টি-চাৰ্ট আৰু হাতত টাইমেক্স ঘড়ী। অৱশ্যে ভৰিত ভিনিদেৱকৰ হাৱাই চেণ্ডেলযোৰ আছিল। বহু সময় পাৰ হৈ গ'ল। সি ঘড়ীটো চাই দেখিলে যে ন বাজি পাঁচ মিনিট পাৰ হৈ গৈছে। লাহে লাহে দুই এজনকৈ ছাত্ৰ-ছাত্ৰী স্কুললৈ বুলি আহিব ধৰিছে। সি মাথো চকু ফুৰাই চাই আছে। এনেদৰে চাই থাকোতে হঠাৎ তাৰ এজনী ছোৱালীৰ চকুত চকু পৰিল। তাই অৰূপৰ ফালে চাই এনে এটি মনোমোহা হাঁহি মাৰিলে যিটো হাঁহি আজিলৈকে পাহৰিব পৰা নাই সি। তাইৰ নামেই মিতালী শৰ্ম্মা। তাৰ পিছত গা ধুই দুপৰীয়াৰ ভাত খাই বাটলৈ আহোঁতে মিতালীক আকৌ দেখা পালে। তাইৰ লগৰ বান্ধবীসকলৰ লগত স্কুলৰ পৰা আহি আছিল।

এইবাৰ তাইক অৰূপে ভালদৰে নিৰীক্ষণ কৰিলে। তাই বান্ধবীসকলৰ লগত শ্বেয়াৰ-ষ্টক, বাট্টা আদিৰ বিষয়ে আলোচনা কৰি আহি আছিল। ইয়াৰ পৰা সি নিশ্চিত হ'ল যে মিতালী নৱম বা দশম মানৰ ছাত্ৰী। তাইৰ পিন্ধনত আছিল মেখেলা-চাদৰ আৰু ৰঙা ব্লাউজ অৰ্থাৎ তাইৰ স্কুলৰ ইউনিফৰ্ম। স্কুলত আৱশ্যক হোৱা বহী-কিতাপবোৰ তাই পিঠিত লোৱা বেগ এটাত ভৰাই আনিছিল। লাহী কঁকাল, বৈ-পৰা চেলাউৰি, হৰিণী শিহৰণ জগাব পৰা এটি মিচিকিয়া হাঁহি তাইৰ মুখমণ্ডলত সদায় বিৰাজমান আছিল। তাই ভৰিত ওখ চামৰাৰ চেণ্ডেল পিন্ধিছিল। মুঠতে তাইৰ শাৰীৰিক গঠন অথবা খোজৰ ভংগীটো চকুত লগা বিধৰ আছিল। আবেলি অৰূপে দুজনমান বন্ধুৰ লগত গাঁৱৰ ফালে ফুৰিবলৈ গ'ল। অলপ দুৰ গৈ সি এঘৰ মানুহৰ পদুলি মুখত তাৰ সমনীয়া এজনী অচিনাকী ছোৱালী দেখা পালে। পাছত গম পালে যে তাইৰ নাম সুৰভি। সুৰভিয়ে তাইৰ বাইদেৱকৰ ঘৰলৈ আলহী খাবলৈ গৈছে।

বুধবাৰে ৰাতিপুৱা স্কুললৈ আহোঁতে মিতালীক





আকৌ লগ পালে সি। সেইদিনাও তাইৰ সেই একে চাৱনী, একে হাঁহি য'ত সোমাই আছে প্ৰেমৰ সঁহাৰি। তাই অলপ দুৰ গৈ অৰূপৰ ফালে চাই আঁতৰি গ'ল। আবেলি তাই বান্ধবীবোৰৰ সৈতে স্কুলৰ পৰা উভতি আহোঁতে অৰূপক বাটত দেখা পাই ৰাস্তাৰ কাষত থকা ৰাজহুৱা টিউবেলটোত পানী খোৱাৰ চলেৰে তাক শুনাই কিবা কিবি কৈ আঁতৰি গ'ল। অৰূপে তেতিয়া ভলদৰে বুজি পাইছিল যে মিতালীৰো তাৰ প্ৰতি দুৰ্বলতা আছে। গধুলী সি চ'কৰ ফালে ফুৰিবলৈ গ'ল আৰু চ'কত নতুন নতুন বন্ধুৰ লগত চিনাকী হ'ল। তাত অৰূপৰ লাহে লাহে ভাল লাগি আহিব ধৰিলে। বৃহস্পতিবাৰে অৰূপে বিচনাৰ পৰা উঠি ব্ৰাচ ডাল লৈ বাটলৈ ওলাই আহোঁতে সুৰভিক বাটত থিয় হৈ থকা দেখা পালে। তাই অৰূপক দেখা পাই লাজকুৰীয়া হাঁহি এটা মাৰি ঘৰলৈ সোমাই গ'ল। সেইদিনাও মিতালীক বাটতে দেখা পালে সি। তাই বোধহয় অৰূপক লগ ধৰিব বুলি অকলে স্কুললৈ আহিছিল। কিন্তু তাৰ লগত ভিনিদেৱকৰ ভনীয়েক থকাত একো ক'ব নোৱাৰিলে। দুপৰীয়া সি বন্ধুবোৰৰ লগত গাঁৱলৈ আম খবলৈ গ'ল। আম খাই তাৰ ভালেই লাগিল আৰু আনন্দতে সি মিতালীৰ কথা বন্ধুবোৰৰ আগত ক'লে, যাৰ ফলস্বৰূপে সি অৰূপৰ বাহিৰেও আন এটা নতুন নাম পালে, 'মিতালী'। আম খাই আহি, গা-ধুই ফুৰিবলৈ গ'ল। সেইদিনা ৰাতি শোওঁতে মিতালীৰ কথা ভাবি ভাবি তাৰ বহু ৰাতিলৈকে টোপনি নাহিল। অৰূপৰ দৰে হয়তো মিতালীয়েও ৰাতি উজাগৰে কটালে।

শুক্ৰবাৰে ৰাতি দুৰদৰ্শনত আমিৰ খানৰ AKLE HUM AKLE TUM নামৰ চিনেমাখন দিব বুলি অৰূপে বাতৰি কাকত পঢ়ি গম পালে। কিন্তু অৰূপৰ বাইদেৱকহঁতৰ টি.ভি নথকা কাৰণে সি সুৰভিৰ বাইদেৱকহঁতৰ ঘৰলৈ চিনেমা চাবলৈ গ'ল। বাইদেৱকহঁতৰ লগত সুৰভিয়েও চিনেমা চালে। তাতে অৰূপৰ তাইৰ লগত চিনাকী হ'ল। সুৰভিৰ পৰা গম পালে যে তাই অৰূপৰ লগত একেলগে মেট্ৰিক পৰীক্ষা দিছিল। প্ৰথমবাৰ বেয়া হোৱাত এইবাৰ আকৌ দিছে। পিছদিনা ৰাতিপুৱা চাহ খাই মিতালিক চাবলৈ বাটতে ৰৈ থাকিল সি। কিন্তু সেইদিনা মিতালী স্কুললৈ নাহিল। আবেলি ভিনিদেৱকৰ চাইকেলখন লৈ চ'কৰ ফালে ফুৰিবলৈ যাওঁতে বাটত মিতালীক এগৰাকী তিৰোতাৰ লগত আহি থকা দেখা পালে সি। তেতিয়াহে সি সেইদিনা মিতালী স্কুললৈ নহাৰ আচল কাৰণটো গ'ম পালে। সি বন্ধু এজনক সুধি গম পালে যে তাইৰ লগত দেখা পোৱা তিৰোতা গৰকীয়ে তাইৰ মাক। তাই অৰূপক দেখা পাই এনেকুৱা হাঁহি এটা মাৰিলে যেন সি তাইৰ চিনাকী বন্ধুহে। অৱশ্যে সি যদিও তাইৰ কোনো বন্ধু নহয়, কিন্তু তাইৰ হাঁহিটো তাৰ নিচেই চিনাকী।

ৰবিবাৰে স্কুল বন্ধ কাৰণে সেইদিনটো অৰূপৰ হয়তো মিতালীৰো মনটো বেয়া লাগি আছিল। কিন্তু অৰূপৰ মনটো এটা কাৰণত ভাল লাগি আছিল। কাৰণটো হ'ল সেইদিনা ৰাতি চ'কৰ পৰা দুই মাইল দুৰত এখন ফাংশ্বন আছে আৰু সেই ফাংশ্বনতে সি মিতালীক লগ ধৰিব। সেই আশা অন্তৰত লৈ ৰাতি আঠ মান বজাত সি বন্ধুবোৰৰ লগত ফাংশ্বন চাবলৈ গ'ল যদিও তাৰ চকু দুটা মঞ্চত নাথাকি দৰ্শকৰ ওপৰতহে থকিল। কাৰণ তাৰ ধাৰণা মিতালী নিশ্চয় ফাংশ্বন চাব আহিব। কিন্তু সি মিতালীক এবাৰে দেখা নাপালে। এনেকৈ তাইক বিচাৰি ইফাল সিফাল কৰি থাকোতে হঠাতে সুৰভিক দেখা পালে সি। তাই অৰূপৰ ফালে ৰ' লাগি চাই আছিল। অৰূপক তাইৰ ফালে চোৱা দেখি তাই লাজতে চকু আঁতৰাই নিলে। অলপ সময়ৰ পাছতে সুৰভিও তাৰ দৃষ্টিৰ পৰা আঁতৰ হ'ল। ঘৰলৈ উভতি অহাৰ সময়ত সি সুৰভিক বিচাৰি

নাপাই বন্ধুবোৰৰ লগত গুছি আহিল। ফাংশ্বন চাব যাওঁতে সি বন্ধু এজনৰ পৰা গম পালে যে সিদিনা আবেলি সময়ত সুৰভিৰ দেউতাকে তাইক নিবলৈ আহিছে। গতিকে তাই ৰবিবাৰ ফাংশ্বন চাই সোমবাৰে ঘৰলৈ যাব। ৰাতি ফাংশ্বন চোৱা কাৰণে সোমবাৰে সি সোনকালে শোৱা পাটীৰ পৰা উঠিব নোৱাৰিলে। সি বিছনাৰ পৰা উঠাৰ আগতে সুৰভিয়ে অৰূপৰ বাইদেৱকহঁতক মাত দিবলৈ আহিল। অৰূপে সুৰভিৰ মাত শুনি একেজাঁপে বিছনাৰ পৰা উঠি আহিল। কিন্তু উঠি আহি দেখিলে যে তেতিয়াও সিহঁত যাবলৈ ওলোৱা নাই । সেই বাবে মুখ-হাত ধুই সিহঁতক বিদায় দিবলৈ বাটতে অপেক্ষা কৰিলে সি। কিছুপৰ অপেক্ষাৰ অন্ততঃ সিহঁত যাবলৈ ওলাই আহিল। সুৰভিয়ে তাক দেখা পোৱা মাত্রে তাৰ ফালে চাই বেজাৰৰ ক্ষীণ হাঁহি এটা মাৰিলে; য'ত সোমাই আহিল অসহ্যকৰ যন্ত্রণা, দুখ-বেদনা। তাইৰ ধাৰণা হয়তো তাক আকৌ লগ নাপাবও পাৰে। তাই অৰূপক এইবুলি মাত লগালে, "যাওঁ দেই।"

তেতিয়া অৰূপৰ মনটো এনে লাগিল যেন সি সেইদিনা কিবা এটা মূল্যবান বস্তুহে হেৰুৱাব ওলাইছে। সেই মূহুৰ্ত্তত তাৰ অন্তৰখন দুখতে সেমেকি উঠিল।

অৰূপে কপাঁ কপাঁ মাতেৰে তাইক সুধিলে,"কলৈ যাবা?"সুৰভিয়ে মনটো অলপ ডাঠ কৰি উত্তৰ দিলে,"ঘৰলৈ।"

"আকৌ কেতিয়া আহিবা?" পুনৰ সুধিলে সি।

এইবাৰ সুৰভিৰ দুচকুৰে দুধাৰি চকুলো বৈ আহিল। সুৰভিয়ে এইবুলি উত্তৰ দিলে, "পৰীক্ষা যদি ভাল হয় তেন্তে কলেজ খোলাৰ আগতে আহিম আৰু যদি বেয়া হয় তেন্তে আকৌ পৰীক্ষা দিহে আহিম।" বুলি কৈ হাতত লৈ থকা ৰুমাল খনেৰে চকু দুটা মচি সন্মুখৰ পৰা বিদায় ললে।

অৰূপে চকুৰ আঁতৰ নোহোৱালৈকে সুৰভিৰ ফালে চাই থাকিল। তাই নেদেখা হোৱাৰ আগমূহুৰ্ত্তত আকৌ এবাৰ অৰূপৰ ফালে চাই তাৰ দৃষ্টিৰ পৰা আঁতৰ হ'ল। সেই মূহুৰ্ত্তলৈকে সি সুৰভিৰ ফালে চোৱা দেখি সি অতি দুখ মনেৰে লাহে লাহে হাত এখন তুলি তাইক বিদায় দিলে। বাইদেৱেকে চাহ খাব মাতাত সি ৰুমলৈ আহি বিছনাত পৰি মনে মনে কান্দিলে। তাৰ চকুলোৰে গাৰুটো সম্পূর্ণ তিতি গ'ল যাৰ ফলত সি কন্দা খবৰটো বাইদেৱকহতৰ ঘৰৰ আটায়ে গম পালে। কিন্তু সি কন্দাৰ আচল কাৰণটো লুকাই অন্য কাৰণতহে কন্দা বুলি ক'লে আৰু সিহতে সেইটোৱেই সত্য বুলি বিশ্বাস কৰিলে। তাৰপিছত ব্রেকফাষ্ট কৰি অইন দিনৰ দৰে বাটত বহি থাকোতে মিতালীক স্কুললৈ আহি থকা দেখা পালে। তেতিয়াহে তাৰ মনটো অলপ ভাল লাগিল যদিও লগত ভিনিদেৱক থকাত তাইক মাতিব নোৱাৰিলে।

শেষৰ দিনা অৰ্থাৎ অৰূপ ঘৰলৈ উভতি অহাৰ দিনা সি সিদ্ধান্ত কৰিলে যে সিদিনা মিতালীক যিকোনো প্রকাৰে এষাৰ কথা ক'ব যিষাৰ কথা সকলোকে নকয়। কথাষাৰ হ'ল I LOVE YOU। কিন্তু তাৰ দুৰ্ভাগ্য যে সেইদিনাও সি সেই সুবিধাকণ নাপালে। সি মিতালী স্কুলৰ পৰা উভতি অহালৈ বাট চাই আছে। হঠাৎ দূৰত তাইক আহি থকা দেখা পাই সি মনটো ডাঠ কৰি কোনেওঁ নুশুনাকৈ ভোৰভোৰাই কৈ উঠিল, মিতালী, I LOVE YOU।" ঠিক সেই সময়তে মাক আহি তাৰ সকলো আশা ধুলিসৎত কৰি পেলালে। এনেকৈ আটাই কেইদিন পাৰ হৈ গ'ল, সি তাইক এবাৰো মাতিবই নোৱাৰিলে। অৰূপৰ মাকৰ ওপৰত ভীষণ খং উঠি গ'ল। কিন্তু খং উঠিলেই বা হব কি ; হাজাৰ হওঁক বাৰ শৰ তল। মাকক তৎক্ষণাত বাটৰ পৰা ঘৰলৈ আহিবলৈ ক'ব মন গ'ল যদিও নোৱাৰিলে; যিহেতু মাক তাৰ মাকেই.........। এনেকৈ আকাশ-পাতাল ভাবি থাকোতে মিতালী আহি কেতিয়া





তাৰ কাষ পালে গমকে নাপালে সি। তাক দেখা পাই তাই আগৰ দৰে হাঁহি এটা মাৰিলে যাৰ উত্তৰ সি ভবা মতে দিব নোৱাৰিলে; অৰ্থাৎ হাঁহিৰেই দিব লগা হ'ল। তেতিয়াহে সি অনুভৱ কৰিলে যে তাইক তাতে অপেক্ষা নকৰি বেলেগ ঠাইত অপেক্ষা কৰাটোহে বুধিয়কৰ কাম হ'লহেতেন। কাৰণ তেতিয়াহে মাক তাৰ লগতে আছিল। মাকে নেদেখাকৈ আগৰ দৰে বাই বাই দি গুছি গ'ল তাই।

সেইদিনা আবেলি অৰূপ ঘৰলৈ অহাৰ কথা। মিতালী তাৰ দুচকুৰ পৰা আঁতৰ হোৱাৰ পাছত সি মনৰ আশা মনতে বান্ধি ঘড়ী চাই দেখিলে যে তিনিটা বাজিবলৈ দহ মিনিট বাকী আছে। তাৰ ঘৰলৈ অহা গাড়ীৰ সময় হ'ল চাৰি বজাত। গতিকে গাড়ী আহিবলৈ প্রায় এক ঘন্টা বাকী আছে। সেই কাৰণে সি শেষবাৰৰ কাৰণে মিতালীক লগ কৰাৰ আশাত মিতালীহঁতৰ ঘৰৰ ফালে যাবলৈ সিদ্ধান্ত কৰিলে। কিন্তু সি তাইৰ ঘৰটো চিনি নাপায়। তথাপি বহু আশাৰে সদায় তাই যোৱা বাটেৰে গৈ থাকিল সি। প্রায় আধা ঘন্টাৰ বাট গৈ তাইক কতো দেখা নাপাই যোৱা বাটেৰে উভতি আহিল। এতিয়া তাৰ শেষ আশাতো চেচাঁ পানী পৰিল। সি ভাবিলে সেইদিনা যদি সি ঘৰলৈ নাহে তেন্তে পাছদিনা নিশ্চয় মিতালীক লগ ধৰিব পাৰিব। কিন্তু মাকৰ সিদ্ধান্তৰ ওপৰত মাত মাতিব নোৱাৰে সি। সেয়েহে উদাস মনেৰে ঘৰলৈ বুলি গাড়ীত উঠিল। গাড়ীত সি ভাবিব ধৰিলে যে মিতালীয়েতো সি ঘৰলৈ অহাৰ কথা গম পোৱা নাই; তাই পিচ দিনা বহু আশাৰে স্কুললৈ আহিব। কিন্তু বাটত অৰূপক নেদেখি কেনে লাগিব বুলি ভাবি সি একে বাৰে অস্থিৰ হৈ পৰিল। গাড়ীত তাইৰ কথা ভাবি ভাবি আহি থাকিল। গাড়ীৰোৱাত সি গাড়ীৰ পৰা নামিল যদিও ঘৰলৈ আহিবলৈ মন নগ'ল; আকৌ বাইদেৱকৰ ঘৰলৈ যাবৰহে মন গ'ল।কিন্তু নিৰূপায় হৈ সি লাহে লাহে খোজকাঢ়ি ঘৰলৈ আহিল। ৰাতি ভাত নোখোৱাকৈয়ে শুই থাকিল যদিও মিতালীৰ চিন্তাত তাৰ টোপনি নাহিল।

অৰূপ আৰু মিতালীৰ মনৰ মাজত উদয় হোৱা মনৰ ভাৱ বাক্যৰে প্রকাশ নহ'ল; মাত্র চকুৰেহে চলিল।সিহত দুয়ো কৰা সকলো আশা, ৰঙীন কল্পনা বাস্তৱত পৰিণত হবলৈ নাপালে;মনতে মৰহি গ'ল।সি বহুদিন চেষ্টা কৰিও মিতালীৰ ওচৰত তাৰ মনৰ ভাব প্রকাশ কৰিব নোৱাৰিলে। সি সেইদিনাহে মনত শান্তি লভিব যিদিনা তাইৰ আগত মাত্র এবাৰৰ বাবে I LOVE YOU অৰ্থাৎ ARUP LOVES MITALI বুলি প্রকাশ কৰিব পাৰিব। সেইদিনটো কেতিয়া আহিব অৰূপ এতিয়া তাৰেই অ পে ক্ষা ত .........।

❖❖❖

<u>স্মৰণীয় কথা</u>

মন্দিৰ বা মছজিদ নহয়
লগুণ বা দীঘল দাড়িত নহয়,অন্তৰৰ ভক্তিহে ধৰ্মৰ পৰিচয়।
-মিৰ্জা গালিব

# মৃত্যু নে হত্যা?

আইমুৰ খান চৌধুৰী (বাবুল)
স্নাতক প্ৰথম বৰ্ষ (ক'লা)

আকাশত কিছু মেঘ জমিছে। বোধ হয় বৰষুণ হব। কিন্তু সেইবোৰলৈ তাৰ কাণ সাৰেই নাই, সি কেৱল গৈ আছে অকোৰা পকোৰা বাটটোৰে। গাঁৱৰ সকলোবোৰ মানুহ খাই বৈ শেতেলীত পৰিছে, মাথো টোপনি নাই এই চকু দুটাত। সেই সৰু আলিটোৰে গৈ গৈ সি এটা পজা ঘৰলৈ সোমাই গল আৰু ভৰি দুখন ধুই নিজৰ কোঠালৈ বুলি দৰ্জাখন মেলিলে। 'কেৰেক' কৈ এটা সৰু শব্দ হ'ল। মাকে তেতিয়াও টোপনি যোৱা নাছিল।

"আলোক নেকি?"- মাকে আগন্তুক সুধিলে।

"অ, মা মই।"- আলোকে উত্তৰ দিলে।

ইমান ৰাতিলৈ কলৈ গৈছিলি। ভাত পানী খোৱাৰ লেঠানাই?" মাকে বিৰক্তি ভাৱেৰে কলে।

"নাই মোৰ ভোক নাই।"- আলোকে উত্তৰ দিলে।"

কাপোৰযোৰ খুলি আলোক বিচনাত পৰিল। কিন্তু তাৰ টোপনি নাহিল, নানা চিন্তাই জুমুৰি দি ধৰিলে।

পিছদিনা কলেজৰ অফিচৰুমত বহুতো ছাত্ৰ-ছাত্ৰী 'নমিনেচন' দিয়াত ব্যস্ত। সেই সময়তে আলোক অফিচৰুমলৈ সোমাই গল। আলোকৰ প্ৰৱেশত প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰ মন আলোকিত হ'ল যদিও কিছুমানে পেটে পেটে বেয়া নোপোৱাকৈ নাথাকিল।

আলোক এজন স্বাস্থ্যবান, ধুনীয়া, ওখ যুবক। তেওঁক লগৰ বন্ধুবোৰে প্ৰায় জোৰ কৰিয়েই সাংস্কৃতিক সম্পাদক পদৰ বাবে নমিনেচন দিয়ালে।

নিৰ্বাচন শেষ হ'ল। আলোকে পদটো পালে।

পদটো পোৱাৰে পৰাই আলোকতকৈ তাৰ লগৰ বন্ধুবোৰৰ বেছি আনন্দ। আজি কেইবাদিনৰ পৰা তাৰ বন্ধুবোৰে তাক এটা পাৰ্টি দিবলৈ কৈ আছে। বিশেষকৈ হেমেন, দিগন্ত, মামনি, জুৰি, মনালিছাঁ হতেতো টানিয়েই নিয়ে চাহৰ হোটেললৈ, কিন্তু পইচা নাই বুলি কোৱাত বেচেৰাহতে চাহটোপাৰ পৰা বঞ্চিত হবলগীয়া হয়। আজি আলোকে টিউচনৰ পইচা অলপ পাইছে, সেয়েহে প্ৰণৱহঁতৰ আজি কলেজৰ ওচৰৰ হোটেল এখনলৈ মাতি নিলে আৰু আটায়ে আনন্দ মনে চাহ-মিঠাই খালে।

কলেজৰ আন আন কামবোৰ নিয়মীয়াকৈ চলি থকাৰ দৰে 'ৰেগিঙো' নিয়মীয়াকৈ চলি আছিল। আলোকহঁতে চাহ পানী খাই কমন ৰুমলৈ বুলি গৈ থাকোতে হঠাৎ এটা উচ্চস্বৰৰ হাঁহিৰ উল্লাস আলোকহঁতৰ কাণত পৰিল। ঘুৰিচাই দেখিলে বহুতো ল'ৰা জুম লাগি আছে আৰু বাৰে বাৰে ডাঙৰ ডাঙৰকৈ হাঁহি আছে। আলোকহঁতে ঘটনাস্থলীলৈ ৰহস্য উদঘাটন ৰ বাবে অগ্ৰসৰ হ'ল।

আলোকে দেখিলে যে জুমৰ মাজত এজনী ছোৱালীক সুমুৱাই লৈ নানা ধৰনৰ অশ্লিল কথাবোৰ সুধি আছে। মইনুল হঁতৰ দৰে এচামে এই কাৰ্য্যত বাধা দিছে আনহাতে তপনহঁতৰ দৰে এচামে এই কাৰ্য্যত স্ব-ইচ্ছাই সক্ৰিয় অংশীদাৰ হৈছে।

তপন এজন উদণ্ড প্ৰকৃতিৰ ল'ৰা। আজি চাৰি বছৰে বি. এ ফাইনেল দি আছে কিন্তু ফাইনেল পৰীক্ষাত সৰকিব পৰা নাই।

ছোৱালীজনীক কৰা এনে অভদ্ৰ আচৰণ





আলোকে সহ্য কৰিব নোৱাৰিলে সিহঁতৰ মুখৰ পৰা নিৰ্গত হোৱা প্ৰতিটো কথাই আলোকক কাঁইটে বিন্ধা দিলে। আলোক গাঁৱৰ ল'ৰা, কোনো ছোৱালীক এনেকুৱা আচৰণ কৰা তাৰ সপোনৰ অগোচৰ। কিন্তু তাৰ চকুৰ আগত এয়া------।

তাৰ সহ্য নহ'ল-

"ঐ অভদ্ৰামি বন্ধ কৰ"- আলোকে তপন হঁতক উদ্দেশ্য কৰি কলে।

কোন মহাপুৰুষৰ আবিৰ্ভাৱ হ'ল বে---? বন্ধ নকৰিলে কি কৰিবি?" তপনে কলে।

ধেৎ চালা, তপন তই সেইটো কথাওঁ বুজা নাইনে? আমাক অভদ্ৰ বুলি নিজকে ভদ্ৰ বুলি প্ৰতিষ্ঠা কৰিব বিচাৰিছেঁ। তেতিয়াহে এইজনীৰ লগত---হেঃ হেঃ হেঃ- তপনৰ বন্ধু এজনে ক'লে।

"কা-পুৰুষহত। তহঁতৰ বাই-ভনী নাই? এইজনী ছোৱালী তহঁতৰ ভনী সদৃশ নহয়?"- আলোক চিঞঁৰি উঠিল।

"ঐ মিষ্টাৰ, সকলোকে যদি ভনী বুলি ভাব বিয়া কৰাবি কাক?"- তপনে ঠাট্টা কৰি ক'লে। ঘটনা বেয়াৰ ফালে যোৱা দেখি হেমেন, দিগন্তহঁতে আলোকক তাৰ পৰা আঁতৰাই নিলে আৰু ছোৱালীজনীক মানে ববিতাকো ক্লাছলৈ পঠাই দিলে।

"আচলতে কি জান আলোক এইটো এটা পৰম্পৰাগত নীতি চা, যোৱাবাৰ আমাক কৰিছিল, এইবাৰ আমি অৰ্থাৎ আমাৰ দৰে কিছুমানে ববিতাহঁতক কৰিছে। অহাবাৰ ববিতাহঁতে কৰিব।"- হেমেনে ক'লে।

"থৈ দে তোৰ পৰম্পৰা। এজনক কষ্ট দি আনবোৰে ধেমালি কৰিব, এইটো আকৌ কেনে ধেমালি? যি ধেমালিৰ দ্বাৰা - আলোকে প্ৰতিবাদ কৰিলে।

ঘটনাৰ দিনাখনৰ পৰা আলোক কলেজৰখনৰ আটাই বোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিশেষ ৰূপত পৰিচিত হ'ল। আনকি কব নোৱাৰকৈয়ে ববিতাৰ মনটোও আলোকৰ ফালে ঢাল খালে। তাইৰ এনেকুৱা ভাব হয় যে আলোকেই কলেজখনৰ ভিতৰত এজন চৰিত্ৰবান ল'ৰা।

ববিতাৰ, আলোকক, মাতিবলৈ বৰ মন যায়। কিন্তু যেতিয়াই আলোকক সন্মুখত দেখে তাইৰ কি হয় নিজেই কব নোৱাৰা হয়। ৰঙা- চিঙা- পৰি কেৱল আলোকলৈ চাই থাকে। তাইৰ এই অৱস্থা দেখিলে লগৰ বান্ধৱীবোৰে বৰকৈ জোকায়।

আলোকৰো একেই বেমাৰ। তাৰো এই ববিতাজনীক বৰ মৰম লাগে। কিন্তু লাজতে সিও প্ৰকাশ কৰিব পৰা নাই। ববিতা জনী বৰ মৰম লগা। তাইৰ জেতুকা সনা কোমল হাত দুখনি, উঠি অহা বুকুখনি আৰু জোঙা নাকটোৰে সৈতে ধেনুভৰীয়া চেলেউৰীবোৰে সৈতে হৰিণী চকুজুৰিত আলোকে বিচাৰি পাই এক অবুজ প্ৰেমৰ সন্ধান। গানতো ববিতাৰ প্ৰাণ আছে। কলেজৰ 'ফাগুন' বোৰত যেতিয়া তাই গান গায়, কপি থকা ওঠ দুটিত আলোকে বিচাৰি পায় হৃদয়ৰ চিনাকি।

এদিনাখনৰ ঘটনা-

হেৰি অলপ ৰবচোন।" ববিতাই পিচফালৰ পৰা আলোকক ভয় ভয়কৈ মাতিলে।

"কাক, মোক কৈছে?"- আলোকে সুধিলে।

"হয়, আপোনাকেই কৈছো। সেইদিনাখন আপুনি নোহোৱা হ'লে কিজানি ------?"--- ববিতাই কৈ থাকে।

'হৈছে হৈছে মোক আৰু লাজ নিদিব।'-- আলোকে তপৰাই ক'লে।

'আপুনি যদি বেয়া নাপাই মোক তুমি বুলি মাতিলে মই ভাল পাম।' - ববিতাই ক'লে।

এইদৰে দিন বাগৰিল। সময়ৰ আকুল আহ্বানত আলোক আৰু ববিতাৰ প্ৰেমো পুৰঠ হ'ল। প্ৰেম মানে আচলতে বিশ্বাস। এজনে আনজনৰ প্ৰতি যেতিয়া বিশ্বাসী হৈ পৰে তেতিয়াই উভয়ৰে মাজত প্ৰেমে

ভুমুকি মাৰে ববিতাৰ বাবে আলোক একমাত্ৰ বিশ্বাসৰ পাত্ৰ। প্ৰতিটো কথাই আলোকৰ আগত কৱলৈ তাইৰ মন যায়। কথাৰে কয় বোলে- দাঁতাই দিলেও বিধাতাই নিদিয়ে! আলোক আৰু ববিতাৰো একে দশাই হ'ল। সিহঁতৰ এই মৰম ভালপোৱা নিয়তীয়ে সহ্য কৰিব নোৱাৰিলে। গতিকে সিহঁতৰ মাজত আনি দিলে ধনী দুখীয়াৰ বৃহৎ প্ৰাচীৰখন।

আলোক হ'ল এটা দুখীয়া গাঁৱলীয়া পৰিয়ালৰ ল'ৰা। মাকে ইঘৰ সিঘৰত কাম কৰে আৰু সেই উপাৰ্জনেৰে তিনিওজনৰ পেটৰ ক্ষুধা নিবাৰণ হয়। আলোকে কোনোমতে টিউচন আদি কৰি বি.এ. পঢ়ি আছে। আনহাতে ববিতাহঁতৰ ঘৰখন এখন সম্ভ্ৰান্ত ঘৰ আৰু দেউতাক এজন ৰক্ষণশীল ব্যক্তি। দেউতাক এজন পুলিচ বিষয়া, বহুটো টকা ঘটিছে।

ববিতাৰ এই সকলো কথা গম পোৱাত দেউতাকে ববিতাক কলেজলৈ যোৱা বন্ধ কৰি দিলে। ইফালে আলোকৰ পেটত ভাত, চকুত টোপনি নোহোৱা হ'ল। সি ভাবিবলৈ বাধ্য হ'ল যে আজিৰ এই জগতখনত মানুহৰ মূল্য নাই, আছে মাথো টকাৰ। মানুহৰ প্ৰেম প্ৰীতি নিৰ্ভৰ কৰে মাথো টকাৰ ওপৰত। দুখীয়াৰ হৃদয়ত প্ৰেম নাই। কাৰোবাক ভাল পোৱাটো সিহঁতৰ বাবে অপৰাধ।

ববিতাৰো একেই দশা হ'ল। কলেজলৈ যোৱা বন্ধ কৰি দিয়া দিনৰে পৰা খোৱা-বো ভালদৰে নকৰে, কোঠাত সোমাই কিবা চিন্তা কৰি থাকে। বসন্তৰ পৰশ অবিহনে যি দৰে শীতৰ গছবোৰ ঠেৰেঙা হয়, ঠিক তেনেদৰে ববিতাজনীওঁ শুকাই খিনাই লেৰেলি গ'ল। বহুতো ডাক্তৰক দেখুওৱা হ'ল কিন্তু কাম নিদিলে। ববিতাই কোনো ঔষধকে সেৱন নকৰিলে।

ইফালে দেউতাকৰ ৰক্ষণশীল মনোভাৱ আনফালে ববিতাৰ নিঃস্বাৰ্থ প্ৰেম। দুয়োৱো অৰিয়া অৰিৰ মুৰত ববিতাৰ প্ৰেমেই জয়ী হ'ল। ববিতাই সম্পূৰ্ণ মুক্ত হৈ পৰজনমত আলোকৰ লগত লগ হ'বলৈ এই সংসাৰৰ পৰা বিদায় ল'লে।

আলোকে এই সকলোবোৰ কথা গম পাই বিচনাত বাগৰি বাগৰি আটাইবোৰ কথা ভাবি সি স্থিৰেৰে থাকিব নোৱাৰা হৈ গ'ল। তাৰ কাণ মুৰ গৰম হৈ আহিব ধৰিলে। দেহৰ সমষ্ট তেজবোৰ যেন তাৰ মুৰত জমা হ'ল। মুৰটো যথেষ্ঠ গধুৰ লাগিল গাটো খুৱ জ্বলা পোৱা কৰিছে, বিষাইছে। মুঠতে গাটো কেনেকুৱা লাগিছে সি ধৰিব পৰা নাই। মুৰটো বিচনাত মাজে মাজে খুন্দিয়াই আছে। কিন্তু কি কৰিব সি যেন কত আছে, কি কৰিছে একো গম পোৱা নাই...।

ৰাতিপুৱা মাকে চাহ লৈ আলোকক জগাবলৈ গ'ল। কেইবাবাৰো মাতি মাত নোপোৱাত জীয়েককও মাতিলে। চা-চোন চা ককায়েৰ কিয় উঠা নাই। নিশা বহু ৰাতিলৈ শোৱা নাছিল হবলা।- মাকে জীয়েকক ক'লে।

মাক জীয়েক দুয়োজনীয়ে কেইবা বাৰো মাতিলে আলোকৰ কাণ-সাৰেই নাই। মাকৰ সন্দেহ হ'ল। মাকৰ চিঞৰত ওচৰৰ চুবুৰীয়া কেইজনমানো আহিল। অৱশেষত দৰ্জাখন ভাঙি দিলে। লগে লগে যি দৃশ্য মাকে দেখিলে মাকৰ হাতৰ পৰা কাপ-প্লেট সৰি পৰিল আৰু একেথৰে আলোকৰ ওলমি থকা ভৰি দুটালৈ চাই থাকিল। ভনীয়েকে আৰ্তনাদ কৰি কাকায়েকৰ ভৰি দুটাত সাৱটি ধৰিলে আৰু চিঞৰি চিঞৰি কান্দিলে। কিন্তু আলোকে মাথো জিভাখন উলিয়াই চকু দুটা মেলি স্থিৰ নেত্ৰে চাই থাকিল।

ইয়াৰ বাবে দায়ী কোন, আলোক নে ববিতা নে আমাৰ এই ৰক্ষণশীল সমাজখন??? ❖





# বেদনা

**শ্ৰীমাধৱ নাথ**
স্নাতক ২য় বৰ্ষ (বিজ্ঞান শাখা)

ক্ৰীং ক্ৰীং ক্ৰীং

হঠাৎ লীনা হঁতৰ ফোনটো বাজি উঠিল। লীনাই লৰি গৈ ৰিচিভাৰ তুলিলে- 'হে'ল', লীনা স্পীকিং। আনটো মূৰৰ পৰা নীতাই চিঞৰি উঠিল হেল লীনা মই নীতা। ঐ কি খৱৰ? এতিয়া ফোন কৰিলি যে? লীনাই সুধিলে। নীতাই বৰ আনন্দ মিশ্ৰিত কণ্ঠেৰে কবলৈ ধৰিলে লীনা মই পৰি গলো। সচাই মই পৰি গ'লো। ঐ ক'ত পৰিলি? এটা মৃদু শব্দ উচ্চাৰণ কৰিলে প্ৰে ম ত। লীনাই লগে লগে চিঞৰি উঠিল কাৰ লগত ? এই নীতা দেখাত কেনে, হেণ্ডচাম হব নিশ্চয়। তই সচাই লাকী দে। মোকহে কোনেওঁ ভাল নাপায়। ধেৎ ঠাট্টা নকৰিবি। নীতাই এটা মৃদু ধমক দি দিলে। তই আহি যা, তোক সকলো কথা কম। এতিয়াই তই চিৰিয়াখানালৈ আহিবি। তাত বৰ ভাল হব। ইয়াৰ পিছতে নীতাই ফোনৰ কানেকচন কাটি দিলে।

চিৰিয়াখানাত এজোপা গছৰ তলত দুয়ো বহি পৰিল। লীনাই প্ৰথমে আৰম্ভ কৰিলে মোৰ ভয়েই হৈছিল জানা। তই কিজানি কাৰোবাৰ বাইকৰ পৰা পৰি গলি। দুয়ো হাঁহি যেন মাটিত বাগৰি পৰিব। এই মূহুৰ্তত তহতক দেখিলে কব পৃথিৱীত আটাইতকৈ সুখী এই দুজনীয়েই এনেদৰে অলপ সময় যোৱাৰ পাছত নীতাই গহীনভাৱে কবলৈ ধৰিলে এতিয়া হাঁহিবলৈ এৰ। শুন মোৰ হৃদয়ত চলি থকা এজাক ধুমুহাৰ কথা। নীতাৰ মুখৰ পৰা ওলাই আহিছে বাৰিষাৰ সোতৰ দৰে হৃদয়ৰ ভাষা। তাই কৈ গ'ল লীনাই মাথো শুনি গৈছে যেন আইতাৰ পৰিৰ দেশৰ সাধুকথাহে। নাটকীয় ভাবে ঘটি গ'ল এটি সাধৰণ সৰু ঘটনা কিন্তু এই ঘটনা মোৰ বাবে বৰ আনন্দৰ বৰ আমোদ জনক নীতাৰ মৃদু ভাষণ। আজি তহতে মোক এৰি বাছত উঠি গুছি গ'লি। ঠিক সেই সময়তে আহি গ'ল। কোন? লীনাই প্ৰশ্ন কৰিলে? নীতাৰ কথাৰ একেই সুৰ। সেই ল'ৰাজন। ওখ, সেই ধুনীয়া ল'ৰাজন। মুখত অনাবৰত লাগি থকা পাতল হাঁহিটোৰে বৰ ভাল লাগে তাক। সদাই যে আমাৰ ফালে চাই অকনমান হাহি দিয়ে। সেই ল'ৰাজন। কথা কলে বৰ ভাল লাগে যেন অমিতাভৰ চিনেমাৰ ডাইলকহে। লীনাৰ মুখৰ পৰা কব নো'ৱাৰাকৈয়ে ওলাই আহিছিল এটা নাম প্ৰান নীতাই মূৰ দুপিয়াই কলে হয় প্ৰান মানে প্ৰান দা। মই তাক ভাল পাই পেলাইছো লীনা। কলেজৰ ইমান বিলাক লৰাই মোক প্ৰেমৰ প্ৰস্তাৱ দিলে। সি যদি এবাৰ ক'লেহেতেন মাথো তিনিটা শব্দ আই লাভ ইউ। ময়ো ভাবিলো হেতেন মই সচাই ধুনীয়া।

আৰু কি ইন্টাৰেষ্টিং জানা?

কৈ যা তই কলেহে জানিম—লীনাই কলে। নীতাই আকৌ কবলৈ ধৰিলে——

মই অকলে থকা দেখি সি মোৰ ওচৰলৈ আহি

কোমল অথচ গহীন মাতেৰে কৈছিল তুমি অকলে বাকীবোৰ কত? মোৰ উত্তৰৰ বাবে সি বৈ থকা নাছিল। বন্ধু এজনৰ বাইকৰ পিছফালে বহি আতৰি গৈছিল মোৰ দৃষ্টিৰ পৰিসৰৰ পৰা। মোৰ কেনে লাগিছিল জানা সেই যে কবিতাটো—

নীলিমাৰ সেই নিমজ গালত
টপকৰে চুমা এটি খাই
কম
বাঃ কি এই ৰ'দৰ বতাহ।"

মোৰ চুমা এটি খাবৰ বৰ মন গৈছিল। আৰু মন গৈছিল মোৰ বুকুৰ মাজলৈ টানি আনি তাক মৰম কৰিবলৈ বহুত মৰম -

ঐ লীনা কাইলৈ কলেজতে মই চিঠি এখন দি দিম নেকি! লীনাই বাধা দি কলে— কি কৰিবলৈ ওলাইছ? ছোৱালীয়ে প্ৰথমতে প্ৰস্তাৱ দিয়ে নেকি? কি যে হ'ল তোৰ। তোক কি বুলি ভাবিব বাৰু। প্লে গাৰ্ল বুলি ভাবি তোৰ ফালে যদি নোচোৱাই হয়। অলপ ধৈৰ্য্য ধৰচোন। সি হয়তো আগতে দি দিব পাৰে।

এনেকৈ এদিন এদিনকৈ এমাহ পাৰ হ'ল। প্ৰাণ কিন্তু একেদৰেই আছে। এটি সৰু মিঠা হাঁহিৰ বাহিৰে এযাৰ কথাও নকয় সিহতৰ লগত। এই ফালে নীতাই এনেকৈ নোকোৱাকৈ জ্বলি জ্বলি মৰাতকৈ কথাতো জনাই দিয়াই ভাল হব। যি হয় হব তাই সহ্য কৰিব পাৰিব। প্ৰথম দিনাই লিখা চিঠিখন কিমান দিনলৈ বাৰু সাচি ৰাখিব। দুচকুৰ পৰা অজানিতে দুটোপাল চকুলো ওলাই পৰিল। তাই ভাবে তাইৰ জীৱনতহে এনেকুৱা হয়। তাই নিজকে নিজে কবলৈ ধৰিলে।

সোমবাৰ হেনো এই প্ৰেম প্ৰস্তাৱৰ বাবে বৰ ভাল। সোমবাৰে যদি সচা হৃদয়ৰে কাৰোবাক প্ৰেমৰ প্ৰস্তাৱ দিয়ে সি হেনো না নকৰে। তাই মনে মনে ভাবি ব'ল আজি সোমবাৰ, আজিয়েই কিবা এটা কৰিব লাগিব। তাই ৰাতিপুৱা ৮ বজাত লীনাৰ ঘৰত উপস্থিত হ'ল। লীনাৰ লগত আলোচনা নকৰাকৈ তাই একো নকৰে।

লীনাই গা ধুই উঠি প্ৰসাধনত ব্যস্ত। সেই সময়তে নীতাই তাইক সাৱতি ধৰি কান্দি দিলে। নাই আৰু নোৱাৰি লীনা, আৰু নোৱাৰি। কি এক গধুৰ যন্ত্ৰনা। তাই সজল নয়নেৰে লীনাৰ ফালে চাইছে। লীনাৰো এধাৰি তপত লোতক দুগালেদি বৈ গ'ল। তাই নীতাক সান্ত্বনা দি কলে হে আকৰি তই কিয় ইমান ভাগৰি পৰিছ।আজি নিশ্চয় কিবা এটা কৰিব লাগিব। তই আজি তাক লাইব্ৰেৰীত লগ ধৰি চিঠিখন দি দিবি। নীতাই একান্ত বাধ্যৰ দৰে শুনি গৈছিল কথা বোৰ। তাই ফেকুৰি ফেকুৰি কবলৈ ধৰিলে সদাই টো মই এই কথাতো ভাবো। কিন্তু তাৰ ওচৰ পালে দেখোন মোৰ বুকুখন কপি উঠে। মই বোবা হৈ যাও তাৰ ওচৰত। তই প্লিজ মোক অলপ সহায় কৰি দিবি প্লিজ। দুয়ো ভাত পানী খাই কলেজলৈ ওলাই গ'ল। কলেজ পায়ে দেখে তাইৰ হৃদয় মন্দিৰৰ দেৱতা প্ৰান আহি আছে। কলেজত তেতিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আছিল। লীনাই নীতাক কলে এয়াই উপযুক্ত সময়। তই জানা। দি দে তোৰ হৃদয়ৰ বাতৰি। মনত আছে নে নাই আমি যে চাইছিলো "প্যাৰ কিয়া তো ডৰনা কিয়া।" যা যা দেৰি নকৰিবি। নীতাই মন্ত্ৰ মুগ্ধৰ দৰে ধীৰ গতিত আগবাঢ়িছে। বুকুখনে তাইৰ মাজে মাজে হাহকাৰ কৰি উঠে। তাইৰ ভৰি দুখন কপিব ধৰিছে। তাই এয়া তাৰ ওচৰ পাও পাওঁ। হঠাৎ তাই





বাৰান্দাৰ ওখহি থকা ইটা এটাত খুন্দা খাই বাগৰি পৰিল। মুখেৰে ওলাই আহিল এটা বেদনা সিক্ত আৰ্ত্তনাদ আস—। হাতৰ পৰা তাইৰ কাগজৰ টুকুৰাটো সৰি পৰিল। প্ৰাণৰ সন্মুখতে ঘটি গ'ল ঘটনাটো। সি আলফুলে তাইক তুলি দিলে। তাই কপা ওঠ দুটাৰে উচ্চাৰণ কৰিলে সেই খন তোমালৈ। তাইৰ লাজতে ৰঙা পৰা গাল দুখন যেন পূৰ্ণিমাৰ গাভৰু জোনটিহে। প্ৰাণে পলম নকৰি টুকুৰাটো বুটলি ললে- লগে লগে তাৰ মুখৰ পৰা ওলাই আহিছিল সঁচা ময়ো তোমাক ভাল পাওঁ। কিন্তু কব পৰা নাছিলো। এটা অজান ভয়ে মোক বাধা দিছিল। ইমান পৰে ওচৰতে লীনাই সিহতৰ ফালে চাই আছিল। তাই আনন্দতে চাপৰি বজাই দিছিল। নীতাৰ মনটো আনন্দত নাচি উঠিল যেন তাই এই মূহুৰ্ততে চৰাই হৈ নাচি গাই ফুৰিব প্ৰেমৰ এটি মিঠা গান। চকুৰ আগত ভাহি উঠিল সেই কবিতাটো-

হে মোৰ চিৰ আকাংশিত প্ৰিয়জন
তোমাৰ বুকুৰ মাজত
মাঘৰ মেজি হৈ
জ্বলি থাকিবলৈ দিয়া।

সিদিনাৰ পৰা দুয়ো এজনে আনজনক নেদেখাকৈ থাকিবই নোৱাৰে। পাৰ্কত, ৰেষ্টুৰেন্টত কেৱল নীতা প্ৰান কেৱল নীতা প্ৰান। এই সুগন্ধিৰো যেন আকাশ বতাহ ৰজন জনাই যাব।

চন্দ্ৰমাই স্নিগ্ধ পোহৰ বিলাই থকা সময়ত কৰবাৰ পৰা এচপৰা ক'লা মেঘে জোনটোক আবৰি ধৰিলে, যেন গোটেই বোৰ পোহৰ আন্ধাৰৰ মাজত হেৰাই গৈছে। ঠিক তেনেদৰে নীতাৰ জীৱনলৈ নামি আহিছিল দুখৰ সহিব নোৱাৰা গভীৰ আন্ধাৰ। তাই ভৰাই নাছিল তাইৰ জীৱনলৈ ইমান গভীৰ দুখ একলগে আহিব বুলি। তাইৰ প্ৰেমৰ কথা তাইৰ মাক দেউতাক সকলোৱে গম পালে। মাক দেউতাকৰ একমাত্ৰ ছোৱালী। বৰ মৰম আকলুৱা। হয়তো মানুহৰ জীৱনলৈ অকল সুখেই নাহে দুখো হয়তো সুখৰ লগৰী। নিশা তাই নিজৰ কোঠাত শুই আছে। কাষৰ কোঠাত মাক দেউতাকে তাইৰ কথাকে পাতিছে। তাই কাণ থিয়কৈ শুনি গৈছে কথাবোৰ।

ল'ৰাজন দেখাত বেয়া নহয়। শুনিছো ঘৰৰ অৱস্থা ভাল নহয়। তথাপি ল'ৰাজনক দেখিলে বৰ ভাল লাগে। দেউতাকৰ কথাবোৰৰ মাজত ক্ষন্তেক নিৰৱতা। তাৰ পিছত আকৌ আৰম্ভ কৰিছে সিহতৰ গোপন মনৰ সেই কথাবোৰ। ছোৱালীজনীক ল'ৰাজনৰ হাতত গতাব পাৰিলে বৰ সুখ পালোঁহেতেন। কিন্তু আমি জানি শুনি যদি মাজনীক বিয়া দিওঁ বৰ পাপ কৰা হব। তুমিতো জনাই তাই সন্তান জন্ম দিব নোৱাৰে। সি হয়তো এবছৰ বা দুবছৰলৈ তাইক মৰমত ৰাখিবা তাৰ পিছত কথাটো জনাৰ পাছত লাহে লাহে তাইৰ প্ৰতি তাৰ মৰম ভাল পোৱা কমি যাব। হয়তো এই আঘাতত সি এদিন পাগল হৈ যাব। মোৰ ছোৱালীজনীৰ কাৰণে এজন ল'ৰাৰ জীৱন ধ্বংসৰ ধুৱলীত পৰণত হব। ই জানো ঘোৰ অন্যায় নহয়। মাকৰ দু-চকুৰে বাগৰি আহিছিল মাথো অশ্ৰু এধাৰি। তাৰ পাছত কোঠাটোত নামি আহিছিল নিৰৱতা।

কথাবোৰ নীতাই নিজ কাণেৰে শুনি বিছনাত চতফটাই উঠিছিল। তাইৰ জোৰকৈ কান্দি দিবৰ মন গৈছিল। গোটেই ৰাতি মনটোত দোলা দি ধৰিছিল অজস্ৰ চিন্তাই। এষাৰ কথাই তাইক কাইটৰ দৰে বিন্ধি ধৰিছিল "মোৰ কাৰণে এজন নিস্পাপ ল'ৰাৰ জীৱনলৈ

নামি আহিব এজাক ডাঙৰ ধুমুহা।" নাই নাই এইটো হব নোৱাৰে। কি কৰিব এতিয়া কথাটো প্ৰানে গম পালে সি দুখত ভাগি পৰিব। নাই নাই এই বিলাক তাক কব নোৱাৰি। সি মৰি যাব—মৰি ——। এনেকৈ তাই হুক-হুকাই কান্দিছিল। তাই সিদ্ধান্ত কৰিছিল দৰকাৰ হলে জ্বলি জ্বলি নিজেই শেষ হৈ যাব তথাপি কেতিয়াও তাক কবলৈ নাযায়। তাই এখন প্ৰাণলৈ চিঠি লিখিলে। লীনাক সকলো কথা কলে। লীনাই সৰু ছোৱালীৰ দৰে চিঞৰি চিঞৰি কান্দি দিলে। এই কথা কাকো নকবলৈ লীনাক তাই শপত খুৱালে। লীনাই চিঠিখন প্ৰানৰ ঘৰলৈ গৈ তাক দিয়াৰ লগে লগে বৰ আনন্দৰে সি পঢ়িবলৈ ধৰিলে। লীনাই বৈ থাকিব নোৱাৰিলে। হৃদয় ফাটি ওলাই আহিব ধৰা কান্দোনটো কোনো মতে ধৰি ৰাখি এখোজ এখোজ কৈ ওলাই আহিছিল প্ৰানৰ ঘৰৰ পৰা-

মৰমৰ প্ৰান দা,

মোক ক্ষমা কৰিবা প্ৰান দা। মই তোমাক সচাই খুউব ভাল পাইছিলো। তুমি জানা মই ঘৰৰ একমাত্ৰ ছোৱালী। মই ঘৰৰ অবাধ্য হব নোৱাৰো। মোৰ বিয়া এজন ইঞ্জিনিয়াৰৰ লগত দেউতাই ঠিক কৰিছে। তুমি পাৰিলে মোক ক্ষমা কৰি দিবা। তুমি প্লিজ মোক পাহৰি যাবলৈ চেষ্টা কৰিবা।

ইতি-

তোমাৰ নীতা।

চিঠিখন পঢ়ি তাৰ চকুৰ পৰা ওলাই আহিছিল বেদনাৰ এক অশ্ৰুধাৰা। অজানিতে তাৰ হৃদয়ৰ পৰা ওলাই আহিছিল এটা হুমনিয়াহ, বাঃ কি এক ভীষণ স্বাৰ্থ। হায়! তুমি মোক নিৰ্মম ভাৱে হত্যা কৰিলা।

সমাপ্ত

**মহৎ লোকৰ বাণী**

আঠুকাঢ়ি জীয়াই থকাতকৈ ঠিয় হৈ মৃত্যুবৰণ কৰাই হেজাৰ গুণে শ্ৰেষ্ঠ।

-এমিলিয়ান জাপিটি

সুস্থ দেহত সুস্থ মনৰ বিকাশ কৰাটোৱে শিক্ষাৰ উদ্দেশ্য।

-এৰিষ্টটল





# প্ৰেম অপ্ৰেম

শ্ৰীযুতিকা ডেকা
স্নাতক প্ৰথম বৰ্ষ

বিষৰ সৃষ্টি হৈছে বুকুত। কিন্তু কিহৰ কাৰণে? দুখ। দুখ যদি নাথাকিলেই সুখৰ সংজ্ঞা ক'ত? দুখৰ কোনো আকাৰ থাকে জানো? পৃথিৱীৰ কোনো সীমাৰ কাটা তাৰে, পৰ্বত-পাহাৰ, নদ-নদীয়ে দুখৰ সীমা ভেটিব নোৱাৰে। পৃথিৱীৰ সকলো মানুহৰে দুখৰ ৰং একে। হয়তো কাৰোবাৰ বেছি কাৰোবাৰ ক'ম।

ভালপোৱাৰ সূত্ৰ কি? ইয়াৰতো কোনো নিৰ্দ্দিষ্ট সংজ্ঞাই নাই। তথাপি ক'ব পাৰি ভালপোৱা দুখৰ সমষ্টি, যাতনাৰ ঘৰ। কোনো কবিয়ে ক'বৰ দৰে "ভালপোৱা এক আমৰণ ৰক্ত ৰণাংগন। এৰা ৰনাংগনেইতো——।

ধৰিত্ৰী এতিয়া বৰ্ষাৰ জুনুকাৰ শব্দত মতলীয়া হৈ উঠিছে। চাৰিওফালে চিপ্ চিপ্ চিপ্। আকাশত ডাৱৰৰ লুকাভাকু, পথাৰত ভেকুলীৰ মাত, কৃষকৰ শিল্পকৰ্ম, চাৰিওফালে বৰ্ষাৰ আচ্ছাদন। নিজকে এটা বৃত্তৰ ভিতৰত থকা যেন লাগে। বৰ্ষাৰ চুম্বনত ধৰিত্ৰী ব্যস্ত হৈ পৰিছে প্ৰকৃতিৰ সেই সনাতন নিয়ম পালনৰ বাবে। সৃষ্টিৰ নিয়ম। মইওতো সৃষ্টিৰ নিয়মৰে ধাবিত হৈছিলো মোৰ আকাংক্ষিত সপোনৰ ফালে। কিন্তু মই থমকিলোঁ............।

"দাদা" মই খিৰীকিৰ পৰা মূৰ তুলি চালো। ভন্টী, মই চাই ৰ'লোঁ।

"দাদা। এই যে শ্বেক্সেইপীয়েৰৰ 'Character is destiny। মই ভালদৰে বুজি পোৱা নাই। বুজাই দিয়াছোন।

অলপতে অস্থিৰ হৈ উঠে এই মণিহ। তাইৰ স্বভাৱটোৱে তেনেকুৱা। এতিয়াও সৰু ছোৱালীৰ দৰে আচৰণ কৰে। তাইৰ সকলোবোৰ সমস্যাৰ সমাধান দিব লাগে মই।

তাইৰ পৰা 'হেমলেট' খন ল'লোঁ। "চৰিত্ৰই ভাগ্য"। পাৰ্য্যমানে তাইক বুজালো। এটা সময়ত তাই সন্তুষ্টিৰ ভাৱ এটা লৈ গ'ল। মই পুনৰ অকলশৰীয়া হ'লো।

বাহিৰত বৰষুণজাকৰ শব্দটো অলপ কমিছে। অস্থিৰ হৈ উঠিল মনটো। আজি দুমাহমানৰ পৰা এই অস্থিৰতাৰ ভুগিছো। অস্থিৰতাৰ জন্ম কেতিয়া হয় বাৰু? হৃদয়ৰ সতে মতানৈক্য হ'লে?

"হৃদয়"। পৃথিৱীৰ সকলোবোৰ দুখ যন্ত্ৰনা, আৱেগ অনুভুতি ইয়াতে অনুভূত হয়। এই হৃদয় নাথাকিলে! আছলতে হৃদয় বোলা বস্তু আমাৰ দেহত নাই। কলিজা আছে। কিন্তু এই কলিজাতেই হৃদয়ৰ বাস। অদ্ভুত!

পৃথিৱীত এই অদ্ভুত, আশ্চৰ্যকৰ ঘটনাবোৰ ঘটিয়ে থাকে, কিছুমান প্ৰকাশ্য, কিছুমান বৈ যায় একেবাৰে অভ্যন্তৰত। কোনেও নেজানে, গম নেপায়। কোনেও গম নোপোৱা দুখবোৰ বৈ যায় চিৰকালৰ বাবে। হৃদয়ত অন্তঃসলিলাৰ দৰে বৈ থাকে।

বুকুখন মোচৰ খাই উঠিল মোৰ। এই বুকুতে মোৰ নদী এখন আছিল। বৈ থাকিব বিচাৰে অনন্ত কাললৈকে। কিন্তু! এতিয়াও নদীখন আছে। কিন্তু বাৰিষাৰ স্বাচ্চন্দ্য নাই। খৰালি——। খৰালি এতিয়া মোৰ সকলোতে। যদিও মই বৰ্ষাৰ মাজত, তথাপি মোৰ হৃদয় শুকান, খৰাং। কিন্তু এনে হোৱাৰতো কথা নাছিল। তেন্তে কিয়?

লাহে লাহে ড্ৰয়াৰটো খুলি ভিতৰৰ পৰা এনভেলপ এটা উলিয়ালো। এনভেলপটোৰ ভিতৰৰ পৰা এখন চিঠি ওলাই আহিল। প্ৰথমতে আছে "মৰমৰ ৰাহুল"। অলপ সময় এনেয়ে চাই ৰ'লোঁ চিঠিখনৰ ফালে। তাৰপিছত লাহে লাহে পঢ়ি গ'লোঁ। একেবাৰ শেষৰ খিনিত মোৰ চকু ৰৈ গ'ল- "যিদিনাই জানিম তুমি মোৰ পৰা আতৰি গৈছা, জানিবা, সিদিনাই মোৰ কাৰণে পৃথিৱীৰ সকলোবোৰ ৰং হেৰাই গৈছে।" একেবাৰে শেষত "তোমাৰ বৰ্ণালী।" এনেয়ে চিঠিখনত হাতখন ফুৰাই দিলো। তাৰপিছত লাহে লাহে চিঠি নাকৰ ওচৰত দাঙি ধৰিলো। কিবা এটা যেন বুকু ভৰাই ল'ব খুজিছোঁ। স্মৃতিৰ সুবাস।

সাতৰঙী ৰামধেনুৰে মোৰ মন আকাশ পোহৰাই আহিছিল বৰ্ণালী। মোৰ জীৱনৰ চাৰিওফালে বৰ্ণচ্ছটা বিচ্ছুৰিত কৰা বৰ্ণালীক মই কিয় ৰাখিব নোৱাৰিলোঁ। কিয় নোৱাৰিলোঁ? সমুখৰ শূন্যতাই যেন তাকেই সুধিছে?

শূন্যতাখিনিয়ে সুধিছেনে মোৰ ওপৰত সহানুভূতিৰ দৃষ্টি দিছে? চিন্তাত আউল লাগি গ'ল মোৰ। বৰ্ণালীয়েতো সদায় মোৰে হৈ থাকিব বিছাৰিছিল। হয়তো এতিয়াও হৈ আছে! তেন্তে ভুল কি মোৰ?

ঃ "জীৱনটোত খোজ হিচাপ কৰি দিব নোৱাৰি। হিচাপী হ'লে জীৱনৰ কোনো অৰ্থই নাথাকিব বৰ্ণালী।"

ঃ "কিন্তু ইমান বেহিচাপী নহ'বা যে জীৱনটোই অৰ্থশূন্য হৈ যাওক।" সিদিনা বৰ্ণালীৰ চকুত কাতৰতা আছিল। তাইৰ ভয় দেখি বুকুৰ মাজত সুমুৱাই লৈ সিদিনা তাইক অভয় দিছিলো।

সচাই তেনেহ'লে ময়ে বেহিচাপী হ'লো নেকি বাৰু? কিন্তু মইতো বৰ্ণালীক লৈ কোনো কম্প্ৰমাইজ কৰিব খোজা নাছিলো। মোৰ জীৱনটোত কেবাজনী ছোৱালীয়ে প্ৰৱেশ কৰিব বিছাৰিছিল। বৰ্ণলীতকৈ বেছি ধুনীয়া। কিন্তু বৰ্ণালীয়ে মোৰ সকলো সত্বা আৱৰি ৰাখিছিল। এতিয়াও আছে। তেন্তে কেণাটো ক'ত লাগিল?

দুমাহৰ পৰা মই ফোনটোৰ কাষেৰে চপা নাই। তথাপি মনটোৰ ভিতৰত উকমুকণি- কিজানি তাইৰ মাতটো শুনা পাওঁ। সম্ভাৱনা যে সত্য হ'ব- তাৰতো কোনো ধৰা বন্ধা নিয়ম নাই। এই ফোনটোতে শুনা পাইছিলো কিছুমান অশ্লীল মন্তব্য। বৰ্ণালীৰ বিষয়ে। জঁয় পৰি গৈছিলো। হতাশাত ক'লা পৰি গৈছিল মোৰ মুখ। প্ৰতিবাদ কৰাৰ শক্তি মোৰ নাছিল। হৃদয়ত আঘাত লাগিলে সকলোৱে কিজানি বাকৰুদ্ধ হয়। মোৰো তেনেকুৱাই হৈছিল। ক্ৰমবৰ্ধমান ফোনত মই ভাগি গৈছিলো। অচিনাকি ব্যক্তিৰ কণ্ঠত বৰ্ণালীৰ আগৰ জীৱনৰ মন্তব্য। তাৰপিছত......। যিদিনা মোৰ অন্তৰংগ বন্ধু বিদ্যুতৰ মুখত বৰ্ণালীৰ বিষয়ে শুনিলো তেতিয়া মই ৰৈ থাকিব নোৱাৰিলো। বৰ্ণালীৰ সমুখত গৈ চিধা হাজিৰ হ'লো। সেই দিনটো। মই চকু দুটা মুদি দিলো...। দুঃসহ স্মৃতি। কল্পনা কৰিবও ভয় লাগে। ........আৰু বৰ্ণালী.....। দুচকুত যেন পৃথিৱীৰ সমস্ত বিস্ময় থুপ খাইছে। নিজৰ প্ৰিয়তমৰ মুখত এনে শব্দ শুনিবৰ বাবে কোনো নাৰীয়ে নিশ্চয় আশা নকৰে। নিৰ্বাক, নিস্পন্দ হৈ কেৱল চাই ৰৈছিল মোৰ ফালে। কান্দিবও পাহৰি গৈছিল তাই। শৰীৰৰ সমস্ত শক্তি যেন কিহবাই শুহি লৈ গৈছে। মোৰ কোনো ভ্ৰুক্ষেপ নাছিল সিদিনা। উত্তেজিত ভাবে অনৰ্গল মই বকি গৈছিলো সিদিনা তাইৰ ভালপোৱাৰ সতীত্ব শেষ হৈছিল মোৰ ওচৰত। মই আতৰি আহিছিলোঁ তাইৰ ওচৰৰ পৰা আৰু কোনোদিন উভতি নেযাওঁ বুলি।





আৰু বৰ্ণালী...। উভতিবৰ সময়ত তাইৰ ফালে নোচোৱাকৈ আহিছিলোঁ।

হঠাৎ দুৱাৰত শব্দ হোৱাত ঘূৰি চালোঁ। বিদ্যুত সোমাই আহিল। মই উঠি বহিলোঁ। বিদ্যুতে মোৰ কাষতে বহিল। সি মোৰ সকলো কথা জানে। প্ৰথমতে মোৰ ফালে এপলক চালে। তাৰপিছত লাহে লাহে দৃষ্টি ঘুৰাই সমুখৰ দুৱাৰত নিবদ্ধ কৰি ক'লে- "ৰাহুল। মোক ক্ষমা কৰ।" মই আশ্চৰ্য্যৰ দৃষ্টিৰে তাৰ ফালে চাই ৰ'লো। "আচলতে বৰ্ণালীৰ যে কথা তোক মই কৈছিলো সেই সকলো বোৰ মিছা। আচলতে তোৰ মনটো খুবেই সন্দেহ প্ৰৱণ। তোৰ এই মনটোক পৰীক্ষা কৰাৰ কাৰণে কৈ চাইছিলোঁ। কিন্তু ইয়াৰ ফল যে ইমান ভয়ানক হ'ব মই ভবাই নাছিলোঁ।"

মই স্তম্ভিত হৈ গ'লোঁ। বোবা দৃষ্টিৰে কেৱল বিদ্যুতৰ মুখলৈ চাই ৰ'লোঁ। খং মানুহৰ কেতিয়া উঠে? খঙো কেতিয়াবা বোবা হ'ব পাৰে নেকি? এই মূহুৰ্তত মোৰতো বিদ্যুতৰ ওপৰত খুবেই খং উঠিব লাগিছিল! তেতিয়া হ'লে? এটাযেন তপত হুমুনিয়াহ বুকুৰ পৰা নিগৰি পৰিব এতিয়া।

নিজকে খুব অসহায় যেন লাগিল। নিজৰ দুৰ্বল দিশটোৰ কথা ভাবি মোৰ মনটো কোচ খাই আহিল। আচলতে মোৰ যে এই সন্দেহ প্ৰৱণ মনটোয়ে মোৰ বৰ্ত্তমান অৱস্থাৰ প্ৰধান হেতু। বিদ্যুত এটা উপাদানহে। কিন্তু কিয়?

ঃ "তই এতিয়া বৰ্ণালীৰ ওচৰলৈ যা। তাইৰ অৱস্থা তোতকৈ বেয়া।"

ঃ কিন্তু তাই জানো মোক ক্ষমা কৰিব বিদ্যুত। কাতৰ স্বৰে সুধিলোঁ।

বিদ্যুতে একো নকৈ কেৱল মোৰ কান্ধত হাত এখন থ'লে। সজল দৃষ্টিৰে সি মোৰ ফালে চাই ৰ'ল। মই উঠি গৈ খিৰিকীৰ মুখত থিয় দিলোঁ। কিছুমান সম্পৰ্ক খুবেই ঠুনুকা। অলপ আঘাত লাগিলেই ভাগি যায়। বৰ্ণালীৰ দৰে আত্মাভিমানী ছোৱালীয়ে এই কথা ইমান সহজ ভাৱে কেতিয়াও নলয়। কিন্তু ভুলৰ জানো শুধৰণি নাই? এতিয়াহে যেন মই নিজকে বুজিব পৰা হৈছো। মানুহৰ সম্পৰ্ক বিশ্বাসত থাকে সন্দেহত নহয়। অৱসাদ গ্ৰস্ততাত চকুহাল মুদ খাই আহিব খুজিলে। ঠিক তেনেতে ভণ্টী সোমাই আহিল। তেতিয়া বুজাই দিয়া টপিকটোৰ ওপৰত আকৌ কেনা লাগিছে তাইৰ পৰা "হেমলেট" খন লৈ মই চাই ৰ'লোঁ। মনত ভাৱ হ'ল শ্বেক্সেইপীয়েৰৰ পৰা এই কথাখিনি যেন এতিয়াহে মোৰ বোধগম্য হৈছে। হৃদয়ৰ অভ্যন্তৰৰ পৰা অনুভৱ কৰিব পাৰিছো। তাইক বুজাব গৈ মই ভাবিলোঁ- বৰ্ণালী বাৰু মোক ক্ষমা কৰি দিবনে? ❖

ঃকৌতুকঃ

ছোৱালী এজনীয়ে প্ৰাক্তন প্ৰেমিক যুৱকলৈ লিখিলে-মোৰ বেলেগৰ সৈতে বিয়া ঠিক হৈছে, মোৰ ফটোখিনি ঘূৰাই পঠাবা।

যুৱকে ফটোএলবাম দুটামান পঠাই দি লিখিলে-তোমাৰ মুখখন মোৰ ভালদৰে মনত নাই, তোমাৰ ফটোখিনি ৰাখি বাকিখিনি ঘূৰাই পঠাবা।

# जैरैबो खोमसि

**गणेश स्बर्गियारी**
टि.दि.चि 1बोसोर

बिनेखर स्बर्गीयारी, ठिकादारनि फिसाजो मायदांश्री स्बर्गीयारीखौ सासे आर्मि कामान्डारनो हाबा होबाय। जोबोर रंजा-बाजानि गोजेरजों हाबाखौ दैथाइहरबाय। ठिकादारा साब्रै फिसाज़ोनि गेजेराव थामथि फिसाजो मायदांश्रीखौ हाबा हरग्रोदों। ठिकादारा फिसाजोनि हाबा बांयखांनायनि उनाव गावनि खरनिफ्राय खायसे जेंनाखौ स्रां जानाय बायदि मोनदोमोन। थेवब्लाबो जे साथाम फिसाजोफोर दंबावो बेखौ सानोब्ला बिनेखर ठिकादारनि खरआ दै गीदौनाय बायदि जाखांडे।

मायदांश्रीनि फिसाया नलबारी बेन्दोंआव थानाय तमिपुर केम्पनि हेड कामान्दार। मायदांश्रीनि फिसाय मिथिंगा नाजोरीआ रंजाली बैसागुआव छुटि बिनानै नफासें फैदों। नखरंनि गासैबो रंजानाय मोन्दों मिथिंगाया नआव फैनायाव। अम्बासी हराव ओंखाम ओंख्रि जाखांनानै ननि सिथलायाव जिरायदों। बायदिसिना खोथा बाथ्रा रायज्लायदों नखरनि गासैबो। खोथायाव खोथा मिथिंगाखौ बिमाया सोंदोंमोन-फिसा मिथिंगा, जेराव नों दासन्दि दंङ बेवहाजेबो दावराव-दावसि गैयानामा?

:दंङः, आयै जोबोदंङ। बुहुमाव, बेसंसाराव एैरैबायदि दाबसे जायगा गैया, जेराव उग्रपन्थी, बुथारग्लुं-सुग्लुं, सिखाव-डाकाइट, दावराव दावसि बायदिसिना गैयै, बे माया गोनां बुहुमाव दावराव-दावसि जायै जायगा गैया। बुहुमनि सोरगिदिं अशान्तियासो गोसारनानै दंङ। गावनि हारि, बिदाफंबाय, बाइ-वाहागी फोरनि गेजेरावबो सानफ्रोमनो दानलाय सुलाय, बायदि सिना सोलि गासिनो दंङ आयै। बेसंसार, बेबुहुमा सानफ्रोमबो सिलिंखारनि लामाथिं आगान सुरगासिनो दंङ। माथ्र जों आर्मि जानानै गावनि देहाखौल लानानै थांना दंङ। हादोराव गोजोन नागिर नानै, गोजोनखौ लाखिनो साननायावनो बेसेबां आर्मि सेंग्रा थैनांदौं बेनि अनगायैबो हादिरनि बेसेबां गोरों गोरा सेंग्रा सिख्लाफोरा जिव नागारानांदों। बेनि जेबो अनजिमा एबा सिमा गैया।

:फिसा नोंसोरो बेफोर सेंग्रा फोरखौ माबोरै बुथारो? बिसोरनि फासै नोंसोर जेबो अननाय गैयाना? - बिमाया खेबसेथैनो सोडे।

:आयै जुदि बिसोर हाथियार लानानै जोंखौ बुथारनो फैयो, होमब्ला जों बिसोरखौ माबोरै नायनानै थानी? आरो जुदि जोंनि गोसो आव अननाय थानो नांगोन होमब्ला जों service खौनो एनगारनानै फैनांगोन आयै। बेनोथ जोंनि आर्मि फोरनि जोर्बार साननो गोनां बाथ्राया। जोंजेन सरकारनि गंसे गंसे जन्थ्रसो। सरकारा जेरैबायदि सालायो जोबो बेबादिनो सोलिनो गोनां जायो। - मिथिंगाया बुंडे।

बे समावनो मिथिंगानि फिसाज्ला नेर्सीना बिमानि खाथिनिफ्राय फैनानै बिफानि खाथियाव जफैनायसैं।

बेफोखायदि बायदिसिना बाथ्रा रायज्लायै रायज्लयै जोबनायाव गाव गावनि खथायाव उन्दुनो गासैबो हाबहैजोबो। उन्दुनाय समाव नेर्सीन बिमाया मिथिंगानिया सोंदोंमोन। मिथिंगा फिसा नेर्सोनाथं बाबोसोर जाबायानो बेनिखायनो बिखौ फरायसालि मुं थिसननायति सम सफैबाय। बाथ्राखौ खोनानानै मिथिंगाया बुंनायसै-नेसौनखौ फरायसालोआ हगार रहनायनि थाखाय थाबनो लाहार फाहार खोलामनांगोन। जुदि हायो English Medium आवनों addmission) लानानै हो।





बेबायदियैनो मिथिंगाया रंजालो बैसागु जाखांनानै फिन कार्गिल सिम थांनो हमबाय। मिथिंगाया कार्गिल मोनहैयाखैसै। गंसे दंलंआव सानैसओ हाथियार दैग्रा सेंग्राफ्रा मिथिंगा गाखोनाय गाड़ीखौ लाखिनांनै गासैबो दावबायग्राफोरनिफ्राय अथाखा फैसा, रांरुफा गाननाय जोमनाय फोरखौ सेनानै लाजोबदोंमोन। मिथिंगानि गासैबो मुवाफोरखौ लाजोबनायनि अनगायैबो बिखौ गाड़िनिफ्राय ओंखार होनानै गाड़िखौ थांनो होयो। उनाव मिथिंगाखौ हाथियार लाग्रा उदरवरो सेंग्राफोरा गावथारनानै दलंसाया गारनानै थांड़ो। साननैसोनि उनाव पुलिसा मोनथिनानै मिथिंगानि गोथै सहखौ नंसिम दैथाय हरदोंमोन। मिथिंगानि गोथै देहाखौ नुनानै मायदांज्रीआ जोबोर गाबदोंमोन। आरो बिमाया गाबनानै गावखौ control खोलामनो हाथैयाव हुस गोमादोंमिन। मायदांज्रीयाबो बेहुस जादोंमोन। डाक्टरनि treatment नि जुनै बिसारो हंमोनफिनोदोंमोन सानैबो। मायदांज्रोनि खाफालनि गोजा सिन्दुरा अराय समनि थाखाय गोमोरदोंमोन। गुबुन फार्सेथिं मिथिंगाजों लोगोसें बिफायाबी जिउजीबदोंमोन। गावबा गाव खाफालखौ लानानै मायदां आरो बिखुमजो सानैबो मिथिंगा आरो मिथिंगा बिफानि ज्राद्यखौ मोजांङै मोजां फोजोबदोंमोन।

ज्रद्यनि साननैसो उनाव मायदांग्री बिफा बिनेस्वर ठिकादार गावनि फिसाजो मायदां आरो फिसौज्लखौ लांनो फैदोंमोन। नाथाइ मायदांग्रीआ फिसाय गोमाजानाय बिखुनजोखौ बोरै हार्सि गोलांनो। बिनिखायनो मायदांग्रीआ बिफाखौ बुंदोंमोन- आयखौनो लांफानांगोन होननानै। आव ठिकादारा मिथिंगामोननि गासै सम्पत्ति फोरखौ फानजो बना बिसोर साथामखौबो नआव लाना थांडी।

:बेबादिनो साननैसो थांबाय। बेनिआव माथदांनि भिखुभजोरबौ बायदिसिना राव बाहायनानै रायनो हमनायसै। मायदांनि बिबमोनाबो मायदांनि फिसा नेर्सीनखौ मेगण थायसेजोंबो नायनो हाया जानायसै। सानसेखालि मायदां बिमाया मायदांनि बिखुमजोखौ आखायाव हमना ननि बाहेराव हुहरदोंमोन। मायदांश्री विखुमजोआ गाबै गाबै ननि बाहेर जादोंमोन। बेखौ नुनानै नखरनि रावखौबो जेबो बुंङाब्लानो नेसेनिखौ आखायाव हमना बिखुमजोनि उत अन थांफादोंमोन। बिखुमजोनि दुखुदाहानि थाखाय मायदांआबो नगैजायै जानायसै। गामिनि मानसिफोरनि नखराव बेनि नखर बैनि नखर खामानि मावनानै साननैसो दिन थांहीनायसै। उनाव खाथिनिनो गुबुन गंसे गामियाव सरकारी हायाव नलुनानै थानायसै। मायदांश्रीआ गुबुननि नखराव माय सौनाय, माय गायनाय रवांमानि मावना बिखुमजो आरो फिसा नेर्सेननो बोथिसे आदार जाहोदों। बिदिनो गोबां सान जाबाय बिसोरो।

समाबो सानसे बिसोरनि खाफालाव एबा बरादाव खोमसि जोभैजों साग्लोबजानाय अख्रां बायदि खोलामदोंमो। नेसौना सानसे जोबोर गोसा लोमजाबाय। नेसौननि treatment लानो थाखाय मायदांनि आखायाव रांगैया। बियो गामितिफ्राय रां वुथुमनानै नेसेनिनि बेरामखौ नायना यसै। नाथाइ बे इसे रांजों नेसौननि बेरामा मोजां जायारिवसै, सानै सान बारासो जानो हमनायसै। मायदांनि दुखुआ अरायबो जोबारिहवसै। मायदांनि मोनसेल सिमांमोन जे बिथो फिसा नेसौनजोंनो आलो-गोजोन रंजा-बाजा गावनि जिउखौ हगार हरनो। राहा गैथारै जाननै मायदांङा बिफा बिनेखर ठिकादारनिआव रां नागिरनानै थांडी। नाथाइ तायदांखौ बिफाया सहाय खोलामाखिसै। मायदांखौ बिफाया जेबो जेबो बुंतानै रायना हरनायसै। मायदांश्रीआ गाबै गाबै नसिम थांफिन नायसै। नआव थांननै नुहैबायदि नोंसौरनि बेरामा जोबोर गोसा जानानै माबा माबि बखिलाबाय थादों। आरो मायदां बिखुमजोआ नेसौननि खरआव दैलुदों। बेबादिनो सानसे खालि बारानिफ्राय बारा जाना नेसौना बे बुहुमनिफ्राय बेसेबा गोजान नुहरसयै जायागायाव थांनायसौ। फिसाज्ला आरो फिसाय गोमाजानानै उनथाराव गासै बुहुमखौनो जेरैबो खोमसि दरसि हरबायदि नुनायसै। बुरै बिखुमजोनि बिखायाव खरखौ दीननानै मायदांश्रीआ जोबोर गावदोंमोन। ❖

# "ব্যৰ্থতাৰ পৰিণতি"

শ্ৰীনিৰঞ্জন শৰ্মা
স্নাতক ২য় বৰ্ষ (কলা)

নোপোৱা বস্তুতকৈ পাই হেৰোৱাটোৰ প্ৰতি মানুহৰ স্বাভাৱিকতে এক দুৰ্বাৰ আকৰ্ষণ আছে। এবাৰ পাই হেৰোৱা বস্তুটো বিচাৰি মানুহ উদ্বাউল হৈ পৰে। কোনোৱাই বিচাৰি পায় কোনোৱাই নাপায়। কোনোৱে আকৌ ইমান উৎসাহেৰে বিচৰা বস্তুটো পোৱাৰ পিচতো তাক গ্ৰহণ কৰিবলৈ অসমৰ্থ হয়। হয়তো আন কোনো বিকল্প আগতে সংগ্ৰহ কৰি লয়। ইমান আগ্ৰহেৰে বস্তুটো বিচাৰিও গ্ৰহণ কৰিবলৈ অসমৰ্থ হয়। মনত সংকোচ হয়।

এনেকুৱা এটা দুদোল্যমান পৰিস্থিতিৰ সন্মুখীন হৈছে 'সাগৰিকা'। এয়া তাইৰ সম্পূৰ্ণ অপ্ৰত্যাশিত। সপোনতো কল্পনা কৰা নাছিল তাই চাৰি বছৰ আগতে এই জনসমুদ্ৰত হেৰাই জোৱা ৰঞ্জনক তাই আৰু কেতিয়াবা বিচাৰি পাব। তাই বহুদিন বিছাৰিছিল তাক। কিন্তু এটা সময়ত বিচাৰি থাকিও তাই নিশ্চিত হৈছিল যে ৰঞ্জনক আৰু কেতিয়াও বিচাৰি পোৱা সম্ভব নহয়। তথাপিও তাই বিচাৰি আছিল। পৃথিৱীত বহু মানুহৰে এনেকুৱা হয়। বিচৰা বস্তুটো নাপায় বুলি নিশ্চিত হৈয়ো তাৰ পিচ এৰি নিদিয়ে বা এৰি দিব নোৱাৰে। কিবা এটা অন্তৰ্নিহিত শক্তিয়ে টানি থাকে।

চহৰৰ জনাকীৰ্ণ পথটোৰে আগুৱাই গৈ আছিল সাগৰিকা। হঠাৎ তাই ৰৈ যাবলৈ বাধ্য হ'ল।

ঃহেল্লো সাগৰিকা............।

অপ্ৰত্যাশিত ভাবে তাইক কোনোৱাই সম্বোধন কৰা শুনি তাই পিচলৈ ঘূৰি চালে। কিন্তু ......। কিমান সময় তাই মুখেৰে একো মাতিব নোৱাৰিলে! তাকে দেখি আগন্তুকে আকৌ কৈ উঠিল-

ঃ চিনি পোৱা নাই? মই ৰঞ্জন। সেই যে চাৰিবছৰ আগতে.......।

ঃ কিয় চিনি নাপাম? ইমানেই যাদা কমজোৰ হৈ যোৱা বুলি ভাবিছে নেকি?

ঃ সচাই মনত আছে?

ঃ কিয় নাথাকিব।

ঃ You are realy great.।

ঃ হব, হব, পিচত শলাগিলেও হব। পিচে হঠাৎ ইয়াত পদাৰ্পন হ'ল কিয়বা?

ঃ পিচে সকলো কথা বাৰু এনেকৈয়ে কম নেকি? ব্যস্ত পথত ব্যস্ত মানুহৰ সোঁত...

ঃ বাৰু কলৈ যাব? ৰেষ্টুৰেন্ট নে আন কৰবালৈ?

ঃ ইমান দিনৰ মূৰত লগ পালো যেতিয়া ৰেষ্টুৰেন্টে উপযোগী।

ঃ Correct.

দুয়ো ৰেষ্টুৰেন্ট এখনত সোমাল। এখন টেবুল সন্মুখত লৈ দুয়ো মুখামুখিকৈ বহি ল'লে। ৰঞ্জনে কিবা কিবি অৰ্দাৰ দিলে। এই বাৰ সাগৰিকাই আৰম্ভ কৰিলে।

ঃ বাৰু, এতিয়া কওক, তৎক্ষণাত পঢ়া এৰি টকাৰ পিচত লাগিল যে?

ঃ অ' সেইটো এটা চিম্পোল কেচ। স্কোপ এটা পালো, গুচি গলো।

ঃ হলেও ইমান ততাতৈয়াকৈ পঢ়া শুনা আধৰুৱাকৈ বাদ দি....

ঃ আচলতে কি জানা সেই সময়ত মই যি পৰিস্থিতিত পৰিছিলো, তেতিয়া বোধহয় টকাৰ বাহিৰে





আন কোনো কথাই মই চিন্তা কৰিব পৰা নাছিলো। আৰু যিটো সুবিধা পালো একমাত্ৰ সেইটো কাৰণতে এৰি নিদিলো। আনহাতে আজিৰ যুগত লক্ষ্মীথাকিলেহে সৰস্বতীৰ বাস হয়। তথাপি মই কব বিচৰা নাই যে টকা পইচাই মানুহৰ সকলো। মানুহ এজনে সুস্থ, সবল, সৱল, সভ্য জীৱন যাপন কৰিবলৈ হলে উচ্চ শিক্ষাৰে শিক্ষিত হোৱাটো খুবে?ই প্ৰয়োজনিয়। আৰু মই আধৰুৱা কৰি থোৱা শিক্ষা এতিয়া সম্পূৰ্ণ কৰিব নোৱাৰিম জানো।

ঃ নিশ্চয়। বাৰু এতিয়া কওক কেতিয়া আহিল? কিমান দিনলৈ আহিল?

ঃ অ'... যোৱা কলিয়েই আহিলো। চৰকাৰৰ ইচ্ছাত গোটেই জীৱনৰ বাবেই ইয়ালৈ গুচি আহিলো। এতিয়া মোৰ চাকৰি এই চহৰতে। আৰু বহু কিবা কিবি কথাৰ অন্তত দুয়ো তাৰ পৰা আতৰি আহিছিল। আজি সিহতে ইমান অন্তৰংগতাৰে কথা বতৰা পাতিছিল যে সেইয়া চাৰিবছৰ আগৰ মাত্ৰ দুটা দিনৰ চিনাকিৰে পতা কথা বতৰা বুলি ধৰিব পৰাই টান আছিল।

২

সাগৰিকাৰ এতিয়া দুই নাৱত দুই ভৰি। কোনখনত ওজন বেছিকৈ দিব তাই থিৰাং কৰিব পৰা নাই, কোনো এটা মুহূৰ্তত শান্তিৰে থাকিব পৰা নাই তাই। বিচনাখনত বাগৰি এনেয়ে ইকাতি সিকাতি কৰি আছে। ব্ৰহ্মাণ্ডৰ ক'ত যে বাৰে ভচহু কথা আহি মগজটোত দোলা দি দি আতৰি যায়। বাহিৰত আন্ধাৰে আবৰি ধৰা পৃথিৱীখনে শান্ত সমাহিত ভাৱে শুই পৰিছে। কেৱল তাইৰহে চকুত অকনো টোপনি নাই। বাৰে বাৰে এটা কথাই অকাই পকাই যিকোনো প্ৰকাৰে আহি মগজুত প্ৰবেশ কৰে চাৰিবছৰ আগতে ঘটি যোৱা এটা সাধৰণ ঘটনা। চাৰিবছৰ নহয় যেন যোৱা কালিহে ঘটিছে ঘটনাটো। ভাবিব নোৱাৰা ধৰণে সৰু ঘটনাটো। কিন্তু ইয়াৰ ফল যে ইমান সাংঘাটিক হব পাৰে সেয়া কল্পনাৰ বাহিৰত। সময়ৰ নিষ্ঠুৰ পদাঘাতত কেতিয়াবা অতীতবোৰ মৰহি যায়। কিন্তু সেই সময়ে যে সেই অতীতক আদৰি লবলৈ সোৱৰাই দিব সেইকথা তাই কেতিয়াও ভবা নাছিল।

কলেজলৈ এইকণ বাট তাই খোজ কাঢ়িয়ে যায়। কেতিয়াবাহে কিবা পাকত পৰি ৰিক্সা এখনত উঠে। সেই দিনাও তাই খোজ কাঢ়িয়েই গৈ আছিল। পুৱাৰ পৰা ব'দৰ কোনো চিন চাবেই নাই। সেই কাৰণে তাইৰ ছাতিতোৰ কথাও ইমান সময়ে মনত পৰা নাছিল। বৰুণ দেৱতায়ো যেন এই সুযোগটোলৈ বাট চাই আছিল। দুই এটোপাল বৰষুণ গাত পৰাতহে তাই ছাতিতোৰ কথা মনত পৰিল। তাইৰ বেগত ছাতিতো নাই বৰষুণৰ টোপালবোৰ ডাঙৰ হৈ আহিল। ছিঃ বৰ বেয়া কথা হ'ল। কোনোবা এখন দোকানত সোমোৱাৰ কথাও তাই ভাবিব নোৱাৰিলে। অইন কোনো ঠাইত কণমান ৰৈ যোৱা কথাও তাই নাভাবিলে। ল'ৰাবোৰ যিহে যতে ত'তে আড্ডা পিতি বহি থাকে, ছোৱালী দেখিলে একেবাৰে কণ্ঠত সৰস্বতীয়ে থিতাপি লয়। এইবোৰ ভাবি গুনিয়ে তাই ক'তো নোসোমোৱাকৈ গৈ থাকিল।

তাইৰ কাপোৰবোৰ এতিয়ালৈকে সম্পূৰ্ণকৈ তিতা নাই যদিও কলেজ পোৱালৈ একেবাৰে জেপজেপিয়া হৈ যাব। তিতিবুৰি গৈ কলেজ পালে কেনেকুৱা লাগিব তাইৰ ছিঃ কি লাজৰ কথা হ'ল। এইবোৰ ভাবি গৈ থাকোতে তাই দেখিলে ৰাস্তাটোৰ বাওঁহাতৰ সৰু পথটোৰে এটা মেলা চাতিৰে সৈতে এজন ল'ৰা আহি আছে। সিও তাইৰ পিছে পিছে খোজ লৈছে। তাই এবাৰ ঘূৰি চাতিৰ ভিতৰত থকা মুখখনলৈ চায় পঠিয়ালে। ল'ৰা জনক এতিয়া বাৰু কেনেকৈ মাতে? কিন্তু........

ঃ এছকিউজ মি।-তাইৰ নিচেই ওচৰতে মাতটো শুনি তাই লৰা জনৰ ফালে ঘূৰি চালে। লগে লগে সি চাতিটো তাইৰ ফালে আগুৱাই দি কলে।

ঃ বৰকৈ তিতিলা এইটো লোৱা।

ঃ নাই নালাগে আৰু অলপহে - তায়ো ভদ্ৰতা ৰক্ষাৰ বাবে ক'লে।

বৰষুণ আৰু ডাঙৰকৈ পৰিছে। এই খিনি গৈ পোৱালেকে একে বাৰে অৱস্থা নাইকিয়া হব। লোৱা।

ঃ কিন্তু আপুনি?

ঃ মই কিবা এটা ব্যৱস্থা কৰি ল'ম।

তাই চাতিটো ল'লে। চাতি লোৱাত যেন বৰষুণৰ প্ৰকোপ আৰু চৰিলহে! এইফালে ল'ৰাজন কলৈ গ'ল তাই তলকিবই নোৱাৰিলে।

কলেজৰ ক্লাছ শেষ হৈ গ'ল। গোটেই দিনটোত আৰু এবাৰো লগ নাপালে তাই। ছাতিটো শেষত ঘৰলৈ লৈ যাবলৈ বাধ্য হ'ল সাগৰিকা। ছেঃ ল'ৰাজনে বাৰু কি ভাবিব! সি আজি তাইক কমখন সহায় কৰিলেনে বাৰু!

পিচদিনা তাই কলেজলৈ যেন ল'ৰাজন বিচাৰিহে আহিছে। হাতত চাতিটো লৈ চাৰিওফালে তাইৰ সন্ধানি দৃষ্টি ঘুৰি ফুৰিছে। ল'ৰাবোৰ যিহে, আজিবা আৰু ল'গ পাওনে নাপাও। নে চাতিটোৰ কথা পাহৰিয়ে গ'ল!

যাহওক এটা সময়ত তাই দেখিলে, ল'ৰাজন আহিছে। কিন্তু লগত অহাজন কোন? সমীৰ নহয় জানো? হয় সমীৰে হয়। ইওনো তাইক কমখন কৰিছেনে। এদিন বেয়াকৈ কোৱা বুলিহে যেনিবা পিচতো এৰিছে। তেন্তে সমীৰৰে বন্ধু নেকি বাৰু সি! এনেকুৱা এজন অসভ্য ল'ৰাৰ বন্ধুজন কিমানখিনি ভাল হব পাৰে বাৰু! তাইতো ল'ৰাজনক বৰ ভাল বুলিয়ে ভাবিছিল। তাইৰ হয়টো ভবাত ভুল হৈ গৈছিল। হয়টো নহবও পাৰে।

ছেঃ, কি কথাবোৰয়ে ভাবিছে তাই। সিনো তাইৰ কোন? এই বিলাক ভাবি থাকোতে সিহঁত আহি তাইৰ ওচৰ পালে। আগবঢ়াই দি কলে- ঃ এইটো লওক যোৱাকালি এবাৰো লগ নোপোৱা বাবে দিয়া নহ'ল। বেয়া নাপাব।

ঃ নাই কিয় বেয়া পাম। মই নাছিলো বাবেহে.......

ঃ বাৰু, পিছে পৰে লগ পালে মাতিব। মোৰ নাম সাগৰিকা।

ঃ মোৰ নাম ৰঞ্জন। দেখিলে নিশ্চয় মাতিম- কথ হ'ম।—আহিছো।

ঃ বাৰু।

লগে লগে সিহঁত আতৰি গৈছিল। ৰঞ্জনৰ এই সামন্য কথা খিনিয়ে তাইৰ ভাল লাগি গৈছিল। ইমান শান্তভাবে কথাবোৰ কয় ল'ৰাজনে।

এই ঘটনাটো বাৰু সামান্য নহয়নে? এই সামান্য কথাখিনিযে তাইৰ মনৰ বহুখিনি পৰিবৰ্তন আনিছিল। হায়! কি বিচিত্ৰ মানৱি মন! তাই অন্তত আৰু এবাৰ ৰঞ্জনক লগ পাৱলৈ উদ্বিগ্ন হৈ পৰিছিল। তাই বহু কথা পাতিব বিচাৰিছিল তাৰ লগত। ইমান দিনে তাই ৰঞ্জনক লগ পোৱা নাছিল। বহুদিনৰ মুৰত তাই ভাবিবলৈ বাধ্য হৈছিল যে ৰঞ্জনক আৰু বিচাৰি পোৱা সম্ভব নহয়। সমীৰে কিন্তু তেতিয়াও নিৰব নিৰ্বিকাৰ ভাবে তাইৰ পিচত লাগি আছিল। তাই যেন আগতকৈ অলপ কুমলিছিল। তাই সমীৰৰ মুখৰ পৰাই এদিন শুনিবলৈ পাইছিল ৰঞ্জন হেনো কিবা চাকৰি পায় পঢ়া এৰি কলিকতালৈ গৈছে। তাইৰ মনটো মৰি গৈছিল। কিন্তু কিয়? এই 'কিয়' টোৰ উত্তৰো তাই বহুদিন বিচাৰিব লগিয়া হৈছিল। আৰু এদিন সমীৰৰ মাজতে তাৰ উত্তৰ বিচাৰি পাইছিল। যিহেতু তাই ৰঞ্জনক কেতিয়াও লগ নাপাব বুলিয়ে ভৱিছিল সেয়েহে তাই তাৰ ক্ষন্তেকিয়া স্মৃতিকো পাহৰি থাকিব বিচাৰিছিল। কিন্তু সকলো কথা ভবাৰ দৰে নহয়। ৰঞ্জন ধুমকেতুৰদৰে আৰ্বিভাব হ'ল। এতিয়া বাৰু কি কৰিব তাই! এফালে ৰঞ্জন আনফালে সমীৰ। কাক বাৰু আকোৱালি লব তাই? নাই তাই ৰঞ্জনক এৰিব নোৱাৰে। কিন্তু শান্ত, নম্ৰ, বিনয়ী ল'ৰাজন।

সমীৰ আৰু ৰঞ্জনৰ মাজত তুলনা কৰি চালে





ৰঞ্জনে ওপৰত থাকিব। নাই তাই সমীৰৰ পৰা এৰাই চলিব লাগিব। একোবাৰ আকৌ ভাবে তাই বাৰু সমীৰক প্ৰতাৰনা কৰিবলৈ ওলাইছে নেকি? কিন্তু আকৌ ওলোটাই ভাবিবলৈ বাধ্য হয়; 'কিহৰ প্ৰতাৰনা? তাইতো তাক ভাল পোৱাই নাছিল আনহাতে তাই ৰঞ্জনক ভাল পায় পেলাইছিল বহুদিন আগতে, সেই প্ৰথম দেখাৰ দিনাই। তাই আকৌ ভাবিবলৈ বাধ্য হয়, তাইৰ এই অনুভুতিৰ জানো মূল্য থাকিব? যদি সি তাইক ভাল নাপায়? অৱশেষত তাই নিজে নিজে সান্ত্বনা লাভ কৰে নাই, অন্তত ৰঞ্জনে কেতিয়াও তাইক প্ৰত্যাখ্যান কৰিব নোৱাৰে। নকৰে।

এনেদৰে তাই প্ৰত্যেকটো বিষয়ে চালি জাৰি চাই আৰু শেষত প্ৰত্যেকৰে ওপৰত একোটা সিদ্ধান্ত নিজেই লৈ পেলাই? কিন্তু নিজে লোৱা সকলো সিদ্ধান্তকে শুদ্ধ বুলি মানি লব পৰা নাই তাই।

বাহিৰত চৰাইৰ চি-চিয়নি শুনিহে তাইৰ ভাবনাৰ ওৰ পৰিল। তেন্তে ৰাতি পুৱাবৰে হ'ল। গোটেই ৰাতিটো উজাগৰে পাৰ হ'ল। বাৰু যি হয় হব। এইবাৰ মুৰে-গায়ে কাপোৰ খন টানি লৈ শুই পৰিল সাগৰিকা। বিৰাট ধুমুহাৰ অন্তত শান্ত সমাহিত সাগৰখনৰ দৰে।

৩

সি অহাৰ আজি চাৰিদিন হ'ল। সৌ সিদিনা এৰি থৈ যোৱা ঠাইখনৰ সৈতে এতিয়াও যেন সম্পূৰ্ণ এডজাষ্ট হব পৰা নাই। মাত্ৰ চাৰিটা বছৰৰ ব্যৱধানে তাৰ মনটোক সম্পূৰ্ণ আচহুৱা কৰি পেলাইছে। আচলতে অঞ্চলটোৰ পৰিবৰ্তনো অধিক হৈছে। তাৰ কান সমনীয়া বন্ধুবোৰৰ মাত্ৰ সমীৰ, প্ৰকাশ আৰু কৃষ্ণৰ বাহিৰে বাকিবোৰ হয় চাকৰি নহয় ব্যৱসায়ৰ কামত বাহিৰতে আছে গৈ। তাৰোপৰি এই দুটা বছৰত নিজৰ ঘৰখনলৈ বুলি সিনো আহিছে কিমানবাৰ! মাত্ৰ দুবাৰ দুটা দুটা দিনৰ বাবে আহি গৈছে। বাকিবোৰ সময়ত পৰিয়ালৰ লগত সংযোগ ৰাখিছিল মাত্ৰ কিছুমান শব্দৰ গাঠনিৰেহে। হায় জননী! হায় জন্মভুমি! সন্তানৰ লগত তোমাৰ কি কৰুণ বিচ্ছেদ।

অকমান জিৰাই সতাই সদায় এপাক ক্লাৱলৈ ওলাই যায় সি। বন্ধু মহলৰ লগত সংগ দানৰ যেন এইখিনিয়ে উপযুক্ত সময়। আজিও তাৰ ব্যতিক্ৰম নহল। চাহকাপ খাই ওলাই গ'ল সি। গৈ পায় দেখে মাত্ৰ তিনিটা জনপ্ৰাণীহে ক্লাৱত উপস্থিত। প্ৰকাশ, কৃপেষ আৰু অৰূপ তিনিও টেবুল এখনৰ তিনি কাষে বহি নানা নানা গাজাখুৰিয়া গল্পৰে আড্ডা পিতি আছে। সি চিধাই সোমাই গৈ খালি থকা কাষটোত বহি ললে। সি প্ৰকাশৰ ফালে চাই সুধিলেঃ কি বন্ধুবৰ, আজি ইমান সেৰেঙা কিয়? বাকি মখা গ'ল কেনি?

ঃ যানো ক'ত মৰিল!

ইফালে ইহতে তাচ খেলাকে আৰম্ভ কৰিলে। নানা কথাৰ মহলা মাৰি সিহতে খেলি থাকিল। এবাৰ ৰঞ্জনে কৃপেশক শুধিলে-

ঃ ই সমীৰ কলৈ গ'ল অ' কৃপেশ?

ঃ কব নোৱাৰো। তয়ে নাজান যদি কোনে জানিব?

ঃ এদিন লাঠ মাৰি দিছিল। এতিয়া সি নহলে থাকিবই নোৱাৰে। -এইবাৰ প্ৰকাশে কলে।

ঃ মানে? — কাৰ কথানো কৈছ?

ঃ কোন নো আৰু সপোন কুঁৱৰী।

ঃ কোননো সেইজনী?

এই কলটো একেবাৰে চেলাই দিলেহে খাব পাৰ। সাগৰিকা আৰু——

ঃ সাগৰিকা! তেনে সি মোক ইমান দিনে কোৱা নাই কিয়?

ঃ হয়টো তোকে এটা 'ছাৰপ্ৰাইজ' দিবৰ বাবে।

ইতিমধ্যে সিহতে কথাৰ মাজতে তাচ সামৰি থৈছিল। উপস্থিতৰ সংখ্যা কম হোৱা বাবে বৰ সেৰেঙা লাগিছিল। দুটামান কথাৰ মহলা মাৰি সকলো ঘৰাঘৰি গুছি গৈছিল।

ৰঞ্জনে বিচনাত পৰিও এযাৰ কথাই চিন্তা কৰি আছিল। সমীৰে তাক এতিয়াও কথাটো কোৱা নাই কিয়?

অ, সি এদিন গম পাইছিল। কলেজত পঢ়ি থকা সময়ত সমীৰে এজনী ছোৱালীৰ পাচত বৰকৈ লাগিছিল। এদিন তাই তাক বৰ বেয়াকৈ কৈছিল। তেতিয়া সি তাইৰ ওচৰৰ পৰা কিছু আতৰি আহিছিল। কিন্তু সেইজনী ছোৱালীয়ে জানো সাগৰিকা আছিল? হয়তো আছিল।

কিন্তু সাগৰিকাই ইমান অন্তৰংগতাৰে তাৰ ওচৰ চাপিছে কিয়? এই কেইটা দিনত তাই নিয়মিয়াকৈ ৰঞ্জনক লগ ধৰি আহিছে। কিন্তু কিয়? তাইৰ কোনো অভিপ্ৰায় নাইটো! নাই ছোৱালী মানুহৰ মন বুজিব নোৱাৰি। সিয়ে তাইৰ পৰা আতৰি চলিব লাগিব। আন নহ'লেও সমীৰ তাৰ এজন অন্তৰংগ বন্ধু। কিন্তু এই খবৰটো সি এতিয়াও তাক দিয়া নাই কিয়? কাইলৈ ৰবিবাৰ সি তাৰ ওচৰলৈ যাব। ইয়াৰ উপযুক্ত কৈফিয়ৎ বিচাৰিব। ইমান ডাঙৰ খৱৰ এটা লুকাই থব লাগেনে?

পুৱাৰ চাহ কাপ খায়ে ৰঞ্জনে কাপোৰযোৰ সলায় ললে। ঠিকটো নাই পলম হ'লে আকৌ ল'গ পাইনে নাপায়। গতিকে সোনকালে এবাৰ লগধৰি আকৌ আহিব লাগিব। ফনিখনেৰে চুলিকেইডাল ঠিক কৰি ললে সি কিন্তু ......এয়া কি? সমীৰচোন নিজেই আহি দুৱাৰমুখত ঠিয়হৈ আছে।

ঃ কি অ'? এই ঢলপুৱাতে ওলালিহি যে?

ঃ বেলিকৈ আহিলে জানো লগ পালো হৈ? যিৰকম সাজি কাছি ওলাইছ। কাকনো এই পুৱাই.....

ঃ বাৰু, এনেকৈয়ে ঠিয় হৈ থাকিব পাৰিবিনে? বহহি।

ইতিমধ্যে ৰঞ্জনে বিচনাখনতে বহি ললে। টেবুলৰ ওচৰৰ পৰা চকিখন তানমাৰি আনি সমীৰে তাৰ মুখামুখি বহি ললে।

ঃ বাৰু কছোন কিবা নতুন খৱৰ ?

ঃ খৱৰ পিছত। আগতে ক মই যি ভাবি আহিছো সেইটো হব নে নহয় ?

ঃ তই বা কি ভাবিছ মই কি জানো? ভবামতে হয় যদি হব।

ঃ আজি তই আৰু মই এঠাইলৈ ফুৰিবলৈ যাম। হব?

ঃ হব।

ঃ লগতে অৱশ্যে মোৰ এজনী বান্ধৱীও থাকিব।

ঃ সাগৰিকা নিশ্চয়।

ঃ হা ......তই কেনেকৈ জানিলি?

ঃ তই নজানালি বুলিয়ে নাজানিম হবলা?

ঃ —?

বাৰু ইমান দিনে কিয় কোৱা নাছিলি?

ঃ এটা 'ছাৰপ্ৰাইজ' এতিয়া ক' যাবিনে নাযাৱ?

ঃ নাযাও।

ঃ কিয়?

ঃ মই ভবামতে হোৱা নাই।

ঃ বলনা। তাইকো মই আজি এটা চাৰপ্ৰাইজ দিম বুলি ভাবিছো।

ঃ কিহৰ 'ছাৰপ্ৰাইজ'? চাৰিওফালে কেৱল ছাৰপ্ৰাইজেই ছাৰপ্ৰাইজ।

ঃ তই যে আহিছ মই এতিয়াও তাইক কোৱা নাই? আৰু আজি হঠাৎ—

ঃ কিন্তু মইতো সাগৰিকাক লগ পাইছো।

ঃ কি—? তাই তেন্তে এতিয়াও মোক তোৰ বিষয়ে একো কোৱা নাই কিয়?

ঃ হয়টো মোৰ ওপৰত গুৰুত্ব দিয়া নাই?

ঃ তাই গুৰুত্ব নিদিব! তোক! শুন, তই গুছি যোৱাৰ পিচত বহুদিন তোক বিচাৰিছিল। হয়টো তাই তোক ভাল পায় পেলাইছিল। কিন্তু ময়ো তাইক এৰি দিয়া নাছিলো। আৰু তাই এদিন বুজিছিল তই আৰু সহজে উভতি নাহ আৰু ময়ো তাইক সচাঁকৈয়ে ভাল পাওঁ। তেতিয়া তাই মোৰ লগত সহজ হৈ পৰিছিল।

Rural development is a strategy designed to improve the socio-conomic life of a specific group of people-the rural poor. By increasing gainful employment, expanding the field of knowledge for high productivity and inculcating the scientific temper in the minds of the rural people, science and technolgy can bring about tremendous changes in rural India.

The rural development programme must be supported by a national level policy of science and technolgy. This set of policy will determine the appropriate scientific methods and thechnologies to be devised and adopted to suit the socio-economic environment of any part of the Country. Thus the experience of appropriate policy differ from Country to Country and even within the different parts of the Country. Again this policy should undergo necessary changes with the change of the social dynamics from time to time.

The scientific community has another vital responsibility to motivate the people with scientific way of life. Generally, the people in rural India can not analyze the things scientifically. They do not have the scientific temper. It is the scientific community who can inculcate scientific temper in the minds of the rural people. Untill and unless such a mental framework is there, the new discoveries and innovations have no meanimg for them. The rural Indian life is full of religious orthodoxy, superstitious beliefs for which we are not ready to accept the new discoveries and inventions however beneficial it may be for a better life of thus. Thus the role of science and technology in this direction in india rural sets is most imperative.

Rural indian economy is mainly dependent on agriculture and allied activities. Agricultural activities include production of crops, rearing of animals, fishery, poultry, piggery farming etc. With the application of scientific and technical knowledge, a lot of improvement can be brought about. High productivity demands increasing efficiency through development of skills. For rural indian farmers an intermediate standard of technlogy should be devised which is comparatively cheap and can be used by labour with not much of technical know-how.

In the field of animal husbandry artifial insemination, developed feed, health care etc. are the different fields of scientific inputs for maximization of return. In the process of animal husbandry one important point is, it always emphasize in the development of dairy science but for ploughing and other related operations and rural transport draught animals are also equally essential in rural india.

Indian farmers are highly dependent on rainwater for their agricultural activities and it is a major couse of low production . The "Pani Panchayat" or "water users association- a co-operative system institution formed for the purpose of water distribution among different categories of farmers can solve this problem to a large extent.

For rural people question of health and sanitation is also to be considered seriously. Providing easily available pure and safe drinking water, nutritional value of food, population control measures etc. are worth mentioning. With a very small effort, both govt and non govt organization can systematically organized the rural community to deliver the message of health and sanitation. The scientific community can suggest measures to the state authority to build up environmental friendly to move arrangement for cheap residential accomodation with proper health and sanitation system.

Communication is another field where scientist and technologist have to suggest ways and means. Majority of our villages are yet to have regular electricity and telephone link, villages can be provided, solar power system or gobar gas plant for power. The villagers can be awakened about the importance of road link and through the assistance of "Panchayati Raj Institution", can be motivated to construct their own roads in thier respective areas and also telephonic network.

In the devlopment of education, scientific community can develop some low cost kit for academic purpose for used in rural areas. What is more important here is to motivate the village people to have education in general and scientific education in particular to have a better life.

The village industry is another dimention where in by putting scientific and technological efforts the natural





resources found abundantly in rural India can be utilized for national prosperity. Today there is no dearth of funds or raw materials for industry in rural areas, the only constrain being technological know-how. The new industrial strategy should be split up into various components and the component requiring simple skill should be selected for rural areas. This will provide employment to rural artisans without much technical know-how.

In fine rural development should be strengthened through the help of science and technology. Rural life needs to be affected by the lastest developments so that rural upliftment becomes a reality in the millennium.

❖❖❖

References

1. Science and Technology for Rural Development - Upendra kumar, Deep & Deep Publication. Delhi.
2. Rural Industrialization. An Approach - T.S. Papola, Himalayan Publishing House, Bombay.
3. Science and Technology and Rural Development -P.S. Lamba & S.S. Solanhi. Published in CSIR Hemd Book, Sept.2000.
4. Agro Industrial Development and its implications for rural areas-P.K.Mishra, Sterling New Delhi.

## গছত সোন

টেক্সাছ বিশ্ববিদ্যালয়ৰ মিগুেৰল জোছ য়াকামেন (New Scientist) শেহতীয়া সংখ্যাটোত তেখেতৰ গৱেষণালব্ধ তথ্য প্ৰকাশ কৰি লিখিছে যে 'আলফালফা'(Alfalfa) নামৰ গছবিধে সোন উৎপাদন কৰিব পাৰে। মাটিৰ তলৰ পৰা সোণ আহৰণ কৰি এইবিধ গছে ইয়াৰ শিপা আৰু অন্যান্য অংগত তাক সংৰক্ষণ কৰি থ'ব পাৰে। মিগুৱেলৰ তথ্য প্ৰকাশ হোৱাৰ পাছত বিভিন্ন দেশে 'আলফালফা' গছবিধৰ সংৰক্ষণৰ কাৰণে উঠি পৰি লাগিছে, অন্যথা অচিৰেই ই পৃথিৱীৰ পৰা লুপ্ত হৈ যাব পাৰে। (সংগৃহীত)

# "Human Resource Development in N.E.with Special reference to the development of Rural people"

*Lect. Bhaben Ch. Lahkar*

[1]

Human resources of an area Positively and definitely effects its economic growth. It is because man-power provides human labour essentially needed for economic development and growth. Economist A.C. pigoue said once "Human beings are ends in themselves and factors of production as well". According to Karl Marx, without human beings capital & mechineries are useless. By giving the labour theory of value he said profit of a commodity is linked with the amount of human labour put in it. Adamsmith thinks that it is increasing population which facilitate the division of labour and ensure economic growth. Dr. Simon Kuznet viewed human beings are not merely source of Biological Reproduction but source of knowledge. Kuznet stressed with Adamsmith that increase of human beings help in new inventions, dignity and knowledge when they are provided with educational facilities. It is they who help in increasing production, consumption and savings. Alvin Hansen, another Keynesian Economist severely criticised Malthus and Ricardo and opined that it is only decreasing human being that may create the problem of falling effective demand. Pointing to the days of Industrial revolution and happening regarding man and percapita income B.Higgins supported Hansen. D.H. Handerson viewed that decrease in population result in shortage of right type of people for right jobs and thus whole process of progress and development will considerably slow down. Mydal in his "Population- A problem for Democracy has raised a concern over decrease in population".

[2]

The development of human resources constitute a central objective of all development efforts. Hence, in recent yrs philosophy has come up that for all types of development human resources should first be developed. Human development means the "process of acquiring and increasing the number of persons who have the skills, education and experience which are critical for the economic and the political development of a country. Human resource development is associated with invest in man and his development as a creative and productive resources". According to Schultz, there are five ways of developing human resources.(i) Health facilities and services i.e., all expenditure that affect the life expectancy, strength and stamina, and the vigour and vitality of the people. (ii) on-the-job training (iii) formally organised education at the elementary, secondary and higher levels (iv) study programmes for adults that are not organised by firms, including extension programmes notably in agriculture (v) migration of individuals and families to adjust to changing job opportunities. To this list may be added the import of technical assistance, expertise and consultants.

The growth of tangible capital stock depends to a considerable extent on the human resource development which is the "process of increasing knowledge, the skill and the capacities of all people of the country. Undoubtedly, the most significant way of human resource development is through the education. Economist like Schultz, Harbison Dension, Kendrick, Moses Abrannovitz, Becker, Mary Bowman and a host of others have shown in their economic studies that one of the important factors responsible for the repid growth of the American economy has been the relatively increasing outlays an education. Prof. Galbraith has written, "We now get the larger part of our industrial growth not from more capital investment but from investment in men and improvements brought about by improved men. Earlier economist like Adamsmith and Veblen stressed the importance of investment in human beings. According to Veblen, "Technological knowledge and skills formed the community's" immaterial equipment or intangible assets" without which physical capital could not be utilised productively. Economists are, therefore, of the view that it is the lack of investment in human capital that has been responsible for the slow growth of under developed countries.

[3]

There is wide aggrement that for human resource development education is primary input, it is the mover of all kinds of development. Like India Assam / NE is a village economy. The relative increase of village and urban people of India in 1991 was 74.3% and 25.7% accordingly. The all India literacy rate is 52.21 and Rural and urban literacy in India is 36.4% and 61.8% according to 1991. So far average literacy rate of NER is concern, it is almost equal with National average according to 71,81,& 91 census. But this region is economically backward than many other states of India. The state, Kerala is also advance in literacy rate and also in higher education among all other states of India. But high development of higher education in this state also has not been reflected in its economic development. According to 1991 cencus the rural and urban literacy is 49.32%&79.39%. In the state Kerala it is 88.92% & 92.25%.

North East Region has 7.8% of total Geographical are a of India and 3.8% of total population of India. This is a region full of Natural resources like forest mineral & water. Yet the region is economically poor back-ward and agricultural is the principal sector of production. The density of population of Assam is 267 per sq kilometre according to 1991 census with surprising decadel growth rate of population specially during 1961 to 1971.

In NER, so far 133 primary School per lac population is available as against only 68 at National level. In case of college level scenario is lower than National level even Nagaland and Mizoram having no university. To-day the most urgent institutions are technical institution & education. The only outstanding addition here is only one IIT recently.

The infrastructral facilities of education for human resource development in NER are available in general education. All most all the central Govt's programmes are working in this region. The universalization elementary Education,(UEE) Non-formal education (NEE), Adult-Liferacy the vocational thrust in school education, the Navodaya Vidyalayas, higher educational Schemes all are working in NER. But a serious contradiction has arisen. The number of general graduates & Post-graduates are increasing at a fast rate while the employment avenues for them are also declining at a high rate. In the front of technical education, more critical knowledges have been invited than traditional one. This has posed a serious problem for NER where such critical knowledges are quite lack of.

Again human resource development not only depend upon investment in man through education but also on some other schemes like primary health care, control of communicable diseases, Medical infrastructure, family welfare programmes, women and child development, welfare of weaker sections, Housing, sanitation, pure drinking water etc; which have special bearing in rural life of rural people. In NER the percapita income is Low, for higher productivity higher should be the investment in this sectors/schemes. But in our region it is not satisfactory.

Here in our regions, the ethnic composition of population is diverse. So far studies are available, they have shown that village ridden different Tribes, classes still have miles to go for proper development. Taking the present case of ST&SC people whose number is considerable in NER-the Hill Tribes, Plain tribes - the Boro speaking people, the Rabha, the Koch Rajbanshi- all are disssatisfied with their own level of development even after the provisions enshrained in the constitution of free India specially meant for them. Probably the various Acts/schemes are not working in true & full spirit for which we have the gap of development of General and SC/ST other groups of people living in NER.

In the content of Physical capital availability the NER is poor when compared at the National level. This has definitely the bearing in the life of NER people. NER has only 2,500 km of railway that come to about 4% of the countries total. About 80% of the railway are single track and 95% of the railway of this region are in Assam. The average percentage of electrified village in India was 76.28% in 1987-88 whereas in NER it was 48.39% and in 1988-89 the Indian average was 79.44% and NER it was 58.6% which was much below the National level.

The general characteristics of village Economy of India like under utilisation of land, Low productivity of Land, Abundant man-power resources, low mobilily, capital scarcity, dearth of Investment opportunities, Low Labour and capital productivity etc.-are equally present in the villages of NER also. Yet some changes have been effected in the village life of India. During the last three and half decades of Economic planning whose major thrust has been on rural reconstruction, the Indian rural economic scene has undergone sizeable transformation which is true in case of NER also. But the ground realities are these till to-day the village life is poverty ridden, high illiteracy with school drop-outs, high percentage of people below the poverty line and vast volume of unemployment and increasing pressure on limited agricultural land. The traditional agriculture and small & cottage industries has no capacity to bear this growing rural people of village. This has contributed largely in the distabilization and instability of grouth & development specially in the NER.

Finally, it may be concluded that through the development of human resources all kinds of development can be effected to the maximum extent. But the development of villagers of NER is confronted with large number of problems so far component of village development are concerned. Special drive or thrust, or Big push are needed to bring it on the National level. ❖

**References** :


(1) Rural Banking in India by I.C. Dhingra.

(2) ACTA Magazine-1999-2000 yr publication.

(3) Economic Survey(1990-91)

(4) Economics of Survey (1994-95)

(5) The Economics of Development and planning by M. L. Jhingan. (Eleventh edition)

## দেৱালৰ স্বৰ

*দেৱালেও কথা কয়। নকয় জানো? এই দেৱাল বিলাকে বহুতৰ কাৰণে প্ৰেৰণাৰ উৎস হৈ আছে। ৰঙিয়া মহাবিদ্যালয়ৰ বেৰত ওলমি থকা প্ৰাচীৰ পত্ৰিকা সমূহত বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰে। তেনে কিছু নিৰ্বাচিত অংশ ছাত্ৰ-ছাত্ৰী সকললৈ আগবঢ়োৱা হ'ল।*

সম্পাদক, ৰঙিয়া মহাবিদ্যালয় আলোচনী।

## অভিজ্ঞান শকুন্তলম নাটকত শৃঙ্গাৰ আৰু কালিদাসৰ প্ৰেম

কালিদাসৰ জন্ম সম্বন্ধে পণ্ডিত সকল একমতত উপনীত হব পৰা নাই। কিংবদন্তি অনুসৰি কালিদাস প্ৰথমাৱস্থাত মহামূৰ্খ আছিল। তেওঁ কাশীৰাজ নন্দিনী বিদ্যাৱতীৰ পাণি গ্ৰহন কৰিছিল। পিছত দেৱী কালীৰ অনুগ্ৰহত বিদ্যা উপাৰ্জন কৰে।

কালিদাসৰ ৰচনা বুলি অভিহিত "জ্যোতি বিদ্যানৰ্ব" নামৰ এখন গ্ৰন্থত থকা এটা শ্লোকৰ পৰা কালিদাসক ৰজা বিক্ৰমাদিত্যৰ নৱৰত্নৰ এজন বুলি ধৰা যায়। কালিদাসৰ সকলো কাব্যৰ ভিতৰত "অভিজ্ঞান শকুন্তলম" শ্ৰেষ্ঠ কাব্য। ইউৰোপৰ কবি গ্যেটেই কৈছে- কোনোবাই যদি বসন্তৰ ফুল আৰু শৰৎৰ ফল, কোনোবাই যদি সৰগ আৰু মৰ্ত্য একেলগে চাব খোজে তেন্তে শকুন্তলাক পঢ়া উচিত। ভাৰতত কালিদাসৰ দৰে মহান কবি নাই, শকুন্তলাৰ দৰে নাটক, দুষ্মন্তৰ নিচিনা নায়ক আৰু শকুন্তলাৰ দৰে নায়িকা নাই।

শকুন্তলা নাটকৰ মাজেৰে কবিয়ে নৰ-নাৰীৰ প্ৰেমৰ আদৰ্শ নিৰূপন কৰিছে। প্ৰেমক কালিদাসে কেৱল নায়ক নায়িকাৰ মাজতে আৱদ্ধ নাৰাখি পিতা-পুত্ৰ, পিতা-কন্যা, বন্ধু-বান্ধৱী, প্ৰকৃতি ৰাজ্যৰ পশু-পক্ষী-আনকি তৃণ-তৰুলৈকে যে প্ৰেমৰ বিশাল সাম্ৰাজ্য বিয়পি আছে, সেই কথা কালিদাসৰ শকুন্তলা নাটকৰ মাজেদি প্ৰকাশ পাইছে। কালিদাসৰ পাৰ্থিব প্ৰেমক স্বৰ্গীয় প্ৰেমলৈ উত্তৰণ ঘটাইছে। কালিদাস মানেই প্ৰেমৰ কবিতা আৰু প্ৰেম মানেই শকুন্তলা। (সহায়লৈ)

হিমজিৎ শৰ্ম্মা, স্নাতক ২য় বৰ্ষ।

## এজাক বৃষ্টিৰ আগমন

শ্ৰীৰূপশ্ৰী ডেকা
স্নাতক ২য় বৰ্ষ (অসমীয়া)

বৃষ্টিৰে সমন্বিত এটি গোপন ৰজনীত
তোমাৰ সতে আকাস্মিক মিলন মোৰ।
মোৰ নতুনকৈ বলা যৌৱনৰ লহৰত,
চঞ্চল হৈ আহোতে তুমি পাগল হ'লা।
কেতিয়াবা কলীয়া আন্ধাৰৰ সতে মতলীয়াহৈ
বেদনাৰে ভৰা আকাশ খনলৈ চালো দেখো।

কেনেকৈ যে অচিনাকী হ'ল সেই চিনাকী বাট
শাৰী শাৰী মনোমোহা লিচু গছ,
নতুবা তোমাৰে মোহময়ী ছয়াময়া ছবিটি
আজি তোমাক দেখি চোৰাছোন খৰাংকালতে মূষলধাৰে নিগৰিছে,
ধাৰাসাৰ বৃষ্টি......................





## ২০০১-২০০২ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকল



*বহি বাওঁফালৰ পৰা- সৰ্বশ্ৰী* মহেন্দ্ৰ কলিতা (তত্বাবধায়ক, লঘুখেল বিভাগ), দীনেশ লহকৰ ((তত্বাবধায়ক, সমাজ সেৱা বিভাগ), হেমেন শৰ্ম্মা ((তত্বাবধায়ক, সাংস্কৃতিক বিভাগ), মীৰা পাটগীৰি (তত্বাবধায়িকা, ছাত্ৰী জিৰণি কোঠা), ভবেন্দ্ৰ নাথ ডেকা (অধ্যক্ষ), দক্ষেশ্বৰ ডেকা (ট্ৰেজাৰাৰ), মনোজ সিন্‌হা(তত্বাবধায়ক, তৰ্ক আৰু সাহিত্য), সংগীতা শৰ্ম্মা (উপ-সভানেত্ৰী), ললিতা কলিতা (সম্পদিকা, ছাত্ৰী জিৰণি কোঠা), প্ৰণৱ বড়ো (সহঃ সাধাৰণ সম্পাদক)।

*থিয় হৈ বাওঁফালৰ পৰা- সৰ্বশ্ৰী* ৰিন্টু মহন্ত (সম্পাদক, ছাত্ৰ জিৰণি কোঠা), জাকিৰ হুছেইন (সম্পাদক, সমাজ সেৱা বিভাগ), ৰাঙ্কোৱা বড়ো (সম্পাদক, সাংস্কৃতিক বিভাগ), পিয়াৰুল হক চৌধুৰী (সম্পাদক, গুৰু খেল বিভাগ), প্ৰকাশ কলিতা (সম্পাদক, আলোচনী বিভাগ), পংকজ ডেকা (সাধাৰণ সম্পাদক)।

## ২০০১-২০০২ চনৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগী সকলঃ



শ্ৰীআশীষ চক্ৰবৰ্ত্তী
(শ্ৰেষ্ঠ গায়ক)



শ্ৰীতপন শৰ্ম্মা
(শ্ৰেষ্ঠ তাৰ্কিক)



প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি ভাষণৰত অৱস্থাত
নিখিল বড়ো ছাত্ৰ সন্থাৰ সহঃ সম্পাদক
মাননীয় প্ৰমোদ বড়ো



হাফজুল ইছলাম
(শ্ৰেষ্ঠ খেলুৱৈ)




শ্ৰীবীণা বড়ো
(শ্ৰেষ্ঠ কাবাদী খেলুৱৈ )



## দেশমাতৃৰ' সেৱাই যাৰ জীৱনৰ অৰ্থ




(ৰঙিয়া মহাবিদ্যালয় এন. চি. চি. গোট)



স্বৰ্গীয় সিদ্ধিনাথ শৰ্ম্মা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাৰ এটি মুহূৰ্ত

# 1st Assam BN. N.C.C.

## Rangia College

(1) 26/01/2001তাৰিখে কমল কৃষ্ণ দাস ৰঙিয়া মহাবিদ্যালয়ৰ N.C.C.গোটৰ S.U.O.হিচাপে নিৰ্বাচিত হয়।
(2) 15/08/01 স্বাধিনতা দিৱসত 2nd Prize (S.U.O. K.K.Das).
(3) 03/09/2001অভিৰুচি ক্ৰীড়া দিৱসত 1st Prize (S.U.O. K.K.Das)
(4) 26/01/02 গণতন্ত্ৰ দিৱসত 1st Prize (S.U.O. K.K.Das).
(5) 15/01/2002 স্বাধিনতা দিৱসত 1st Prize (S.U.O. K.K.Das)
(6) 03/09/2002 অভিৰুচি ক্ৰীড়া দিৱসত 1st Prize (S.U.O. K.K.Das)
(7) 2001 কলেজ সপ্তাহত প্ৰথম বাৰৰ বাবে N.C.C. গোটে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে আৰু ফুটবলত 1st Prize আৰু ভলীবলত 2nd Prize আনিবলৈ সক্ষম হয়।
(8) 28/08/2002 ৰ পৰা 09/09/2002 লৈকে অনুষ্ঠিত National Integration Campত ৰঙিয়া মহাবিদ্যালয়ৰ S.U.O. Kamal Krishna Das য়ে অসমৰ Senior হিচাপে অংশ গ্ৰহণ কৰে।
(9) 2002 ৰ নৱাগত আদৰণি সভাত প্ৰথম বাৰৰ বাবে N.C.C.গোটে বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে।
(10) ৰঙিয়া মহাবিদ্যালয়ত আৰু মহাবিদ্যালয়ৰ বাহিৰত অনুষ্ঠিত বিভিন্ন সভা-সমিতি, শোভাযাত্ৰা আদিত N.C.C.গোটে সহায় সহযোগিতা আগবঢ়াই আহিছে।
(11) "B"চাৰ্টিফিকেট পৰীক্ষাত উত্তীৰ্ণ কেডেট সকল হ'ল-
(i) S.U.O. Kamal Krishna Das.
(ii) U.O. Tarun Baro.
(iii)U.O. Ramesh Ch. Narzary.
(iv) U.O. Devajit Das.
(v) Sgt. Ramen Das.
(vi) Sgt. Kamal Day.
(vii) Sgt. Suren Kalita.
(viii) Sgt. Rajib Chakraborty.
(ix) Sgt. Labin Baro.
(x) Sgt. Anju Lahkar.
(xi) Sgt. Bishwajit Bhatta.
(xii) Sgt. Soleman Khan Choudhury.
(xiii) Piyarul Haque Choudhury.
(xiv) Jatin Ch. Baro.
(xv) Devajit Baro.
(xvi) Balen Ch. Baro.



# উপ সভানেত্ৰীৰ প্ৰতিবেদন



প্ৰাৰম্ভণীতে মই অসম তথা অসমবাসীৰ বৃহত্তৰ স্বাৰ্থৰ বাবে প্ৰাণ আহুতি দিয়া শত সহস্ৰ বীৰ শ্বহীদ সকললৈ মোৰ ভক্তিভৰা অশ্ৰু-অঞ্জলী যাচিছোঁ। মই যিসকল শিক্ষাগুৰু, সতীৰ্থ বন্ধু-বান্ধৱী, ভাইটি ভন্টী, দাদা-বাইদেউৰ সহযোগত ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনত উপসভানেত্ৰীৰ পদত প্ৰতিদণ্ডিতা কৰি জয়লাভ কৰিলোঁ তেওঁসকললৈ মোৰ আন্তৰিক প্ৰণাম আৰু শুভ ইচ্ছা জ্ঞাপন কৰিছোঁ।

ৰঙিয়া মহাবিদ্যালয়ৰ পৰম্পৰা ৰক্ষাৰ শপত লোৱা মুহূৰ্তৰ পৰা মোৰ কাৰ্য্যকালৰ শেষ সময়ছোৱালৈ সীমিত ক্ষমতা আৰু নিৰ্দিষ্ট পৰিসৰত আৱদ্ধ হৈ মহাবিদ্যালয় খনিত বিদ্যালয়তনিক্ সুস্থ পৰিবেশ এটা গঢ়ি তুলিবলৈ সদায়ে যত্ন কৰি আহিছিলোঁ। এখন মহাবিদ্যালয়ৰ সভানেত্ৰী/উপ-সভানেত্ৰীৰ দায়িত্ব অধিক। যদিও বিভিন্ন বিভাগ লৈ ভিন ভিন সম্পাদক-সম্পাদিকা লৈ ছাত্ৰ একতা সভাখন গঠিত। মহাবিদ্যালয় খনত মোৰ কাৰ্য্যভাৰ লোৱাৰ পিচতে বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, নৱাগত আদৰণি সভা, ফাতেহা-ই-দোৱাজ-দহম, নীলকান্ত মহন্ত সোঁৱৰণী কুইজ প্ৰতিযোগিতা, সিদ্ধিনাথ শৰ্মা সোঁৱৰণী তৰ্ক আন্তঃ মহাবিদ্যালয় (অসম ভিত্তিত) প্ৰতিযোগিতা, জ্যোতি শতবৰ্ষ উপলক্ষে বক্তৃতা অনুষ্ঠান, আদি বহুতো অনুষ্ঠান সুকলমে পাৰ কৰি নিছিলোঁ। এই ছেগতে মই মোৰ সতীৰ্থ তথা ভাইটি বিভিন্ন বিভাগৰ দায়িত্বত থকা সম্পাদক-সম্পাদিকা আটাইৰে উৎসাহ-উদ্দীপনা লগতে দায়িত্ববোধ দেখি যথেষ্ট আনন্দিত হৈছোঁ।

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ পৰা ইমান দিনে উপসভাপতি হিচাপে প্ৰাৰ্থী থিয় কৰোৱাৰ পিছত এয়া মই প্ৰথম বাৰৰ বাবে উপসভানেত্ৰী হিচাপে অধিষ্ঠিত হৈ নিজকে ধন্য মানিছোঁ। মই কাৰ্য্যনিৰ্বাহ কৰি বৰ্তমান আমাৰ চাৰিওফালে ঘটি থকা বিভিন্ন অশান্তিময় পৰিস্থিতিৰ সন্মুখীন হৈছো যিবোৰে মানৱ সভ্যতাৰ সুদৃঢ় ভেটিত আজি প্ৰৱল জোকাৰণিৰ সৃষ্টি হৈছে। এফালে উগ্ৰপন্থী আনফালে চৰকাৰী সন্ত্ৰাসত অসমৰ মানুহে ত্ৰাসিত হৈ পৰিছে। এনেকুৱা এটা পৰিস্থিতিত উঠি অহা প্ৰজন্ম অৰ্থাৎ বৰ্তমানৰ যিসকল ছাত্ৰ-ছাত্ৰী তেওঁলোকৰ কৰণীয় যথেষ্টখিনি আছে বুলি ভাবোঁ।

ছাত্ৰ শক্তি মহৎ শক্তি। আজিৰ ছাত্ৰ-কাইলৈ দেশৰ নাগৰিক। গতিকে আমি শিক্ষানুষ্ঠান এখনত শিক্ষাগ্ৰহন কৰাৰ লগতে বিভিন্ন ধৰণৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাটো নিতান্তই দৰকাৰ। এখন মহাবিদ্যালয়ত বিভিন্ন অভাৱ, সমস্যা, ছাত্ৰ-ছাত্ৰী সকলৰ অভিযোগ থাকে। তাৰে মাজেৰে আটাইৰে সহযোগত মই যিখিনি আগবাঢ়িছো তাৰ অন্তৰালত ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা সকলৰ আশীৰ্বাদ জড়িত হৈ আছে।

যিয়েই নহওক প্ৰতিবেদনৰ প্ৰান্তত আকৌ এবাৰ মই ক'ব খোজো যে Duity is beauty অৰ্থাৎ কৰ্তব্যই সৌন্দৰ্য্য। আত্মবিশ্বাস ৰাখি আগবাঢ়িলে আৰু কৰ্তব্য সোঁৱৰণ কৰি আগুৱাই গলে আমি ভৱিষ্যতে দেশখনক ভালদৰে নেতৃত্ব দিব পাৰিম। শেষত মোৰ কাৰ্য্যকালত অজ্ঞাতে হৈ যোৱা ভুলৰ বাবে ভাতৃ-ভগ্নী, বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ছাৰ-বাইদেউৰ ওচৰত ক্ষমা বিচাৰি মোক প্ৰতিবেদন সামৰিছোঁ। প্ৰান্তত-

নতুন বছৰৰ শুভকামনাৰে-

সংগীতা শৰ্ম্মা
উপ-সভানেত্ৰী
জয়তু ৰঙিয়া মহাবিদ্যালয়

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্ততেই মই সেইসকল বীৰ শ্বহীদলৈ মোৰ সহস্ৰ প্ৰণাম যাঁচিছো যিসকলে নিজৰ বুকুৰ তেজেৰে ত্যাগৰ শলিতা জ্বলাই অসমী আইক বিশ্বদৰবাৰত একস্বকীয় পৰিচয় দান কৰিছে, লগতে সেই সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ অফুৰন্ত প্ৰীতি আৰু শুভেচ্ছা যাঁচিছো মোক গভীৰ বিশ্বাস আৰু আত্মপ্ৰত্যয়ৰে এই গধুৰ দায়িত্ব অৰ্পণ কৰা বাবে।

বিগত বেলিৰ দৰে এই বেলিও ৰঙিয়া মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ ইং ৫, ৬, ৭, ৮, ৯ আৰু ১০ জানুৱাৰী ২০০২ ত অনুষ্ঠিত হয়। ইং ৫ জানুৱাৰী শনিবাৰে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ পতাকা উত্তোলনেৰে মহাবিদ্যালয় বাৰ্ষিক সপ্তাহৰ শুভ উদ্বোধন কৰা হয়। পতাকা উত্তোলন কৰে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকাদেৱে। শ্বহীদ তৰ্পন কৰে মহাবিদ্যালয় ছাত্ৰসন্থাৰ উপ সভানেত্ৰী শ্ৰীসংগীতা শৰ্মাই। মহাবিদ্যালয় প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে সদৌ কামৰূপ জিলা বড়ো ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত প্ৰমোদ বড়োদেৱে।

ইং ১০ জানুৱাৰী বৃহস্পতিবাৰ ২০০২ ত মহাবিদ্যালয় ছাত্ৰ সন্থাৰ মুকলিসভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। মুকলি সভাত সভাপতিত্ব কৰে ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকাই, মুখ্য অতিথি ৰূপে উপস্থিত থাকে উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী মাননীয় শ্ৰীভুবনেশ্বৰ কলিতা। সভাত নিৰ্দিষ্ট বক্তাৰ আসন শুৱনী কৰে চি. আই. ডি. বিভাগৰ ডি. আই. জি মাননীয় শ্ৰীযুত কুলধৰ শইকীয়াই।

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উদ্যোগত ২৬ আগষ্ট ২০০২ ইং তাৰিখে জ্যোতি জন্ম শতবাৰ্ষিকীৰ সতে সঙ্গতি ৰাখি এখনি সভা অনুষ্ঠিত হয়। শতবাৰ্ষিকী অনুষ্ঠানত উপস্থিত থাকে নিৰ্দিষ্ট বক্তাৰূপে বিশিষ্ট কবি মাননীয় শ্ৰীনীলিম কুমাৰ দেৱ। মুখ্য অতিথিৰূপে উপস্থিত থাকে ৰঙিয়া মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মূৰব্বী অধ্যাপক মাননীয় শ্ৰীযুত দক্ষেশ্বৰ ডেকা দেৱ আৰু ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীউপেন দত্ত দেৱ।

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ নৱাগত আদৰণি সভা অনুষ্ঠিত হয় ৩১ আগষ্ট ২০০২ ইং তাৰিখ শনিবাৰে। প্ৰথমে প্ৰীতি সন্মিলন উদ্বোধন কৰে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীপংকজ ডেকাই আৰু সঞ্চালনা কৰে ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰবক্তাদ্বয় শ্ৰীফুকন বসুমতাৰীদেৱে আৰু ইমদাদ আলীদেৱে। আবেলি অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকাদেৱে। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰিন্স ফাইজুল হক। উক্ত সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰে বিশিষ্ট সাহিত্যিক তথা N.F. Railway ৰ C.P.R.O. শ্ৰীলীনা শৰ্মাই। বিশিষ্ট অতিথিৰ আসন শুৱনী কৰে অসমৰ খ্যাতনামা অভিনেতা শ্ৰীযুত তপন দাসে।

শোকসভা ঃ ৰঙিয়া মহাবিদ্যালয়ৰ কৰ্মচাৰী ৰজনী বড়োৰ হত্যাকাণ্ডৰ প্ৰতিবাদত প্ৰতিবাদী মৌন সমদল উলিওৱা হয় আৰু লগতে শোকসভা অনুষ্ঠিত হয়।



সামৰণি ঃ উগ্ৰজাতীয়তাবাদ, গোষ্ঠীগত সংঘৰ্ষ, সন্ত্ৰাসবাদ সমস্যাৰে আজি অসমখন বিধ্বস্ত। ৰঙিয়া মহাবিদ্যালয়ে ইয়াৰ বিপক্ষে সবল প্ৰতিবাদ আন্দোলনৰ আগৰণুৱা হওঁক। প্ৰচলিত সমাজৰ আশা-নিৰাশা-ভণ্ডামী আদিৰ স্বৰূপ উদঙাই ভৱিষ্যত সমাজৰ দিক্ নিৰ্ণয় কৰাৰ লগতে মানুহৰ মাজৰ পৰা ক্ৰমাৎ হেৰাই যাব খোজা মানৱীয় প্ৰমূল্যবোধ পুনৰোজ্জীৱিত কৰক।

সদৌশেষত মোৰ কাৰ্য্যকালত বিভিন্ন পৰামৰ্শ দি সহায় কৰা মাননীয় অধ্যক্ষদেৱ, শিক্ষাগুৰুসকল আৰু মোৰ সহকৰ্মী বন্ধু-বান্ধৱী সকলক মোৰ আন্তৰিক শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিলো লগতে অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে সামৰিছো।

*জয় আই অসম*

*জয়তু ৰঙিয়া মহাবিদ্যালয়*

শ্ৰীপংকজ ডেকা
সাধাৰণ সম্পাদক
২০০১-২০০২ ইং চন

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকল

লিখনিৰ বুলনিতে মোৰ প্ৰতিবেদনৰে বঙিয়া মহাবিদ্যালয়ৰ সমূহ শুভাকাংক্ষী বিষয়-ববীয়া শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ হিয়া ভৰা ওলগ জনালোঁ।

যোৱা ২০০১-২০০২ ইং চনৰ বাবে বঙিয়া মহাবিদ্যালয়ৰ সহঃ সাধাৰণ সম্পাদক পদৰ বাবে মোক নিৰ্বাচিত ও মনোনীত কৰাত মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধুবৰ্গলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। বঙিয়া মহাবিদ্যালয়লৈ আহি আপোনালোকৰ যি মৰম, চেনেহ- আন্তৰিকতা আদি পালো তাৰবাবে মই নিজকে সচাঁকৈ ভগ্যবান বুলি অনুভৱ কৰো। এই সহঃসাধাৰণ সম্পাদকৰ দায়িত্বটো লৈ মই কিমান দূৰ ফলপ্ৰসু হব পাৰিলো তাৰ প্ৰমান আপোনালোকৰ হাতত নোহোৱা নহয়। এটি মহান অনুষ্ঠানৰ যিকোনো এটি বিভাগলৈ দায়িত্ব লোৱাটো সাধাৰণ কথা নহয়। এনে ছাত্ৰ বহুতে বিদ্যালয়ৰ কাৰ্য্য পৰিচালনা কৰাটো মোৰ বোধেৰে সহজ বুলি নাভাবো। যাহওক নানাধৰণৰ সমস্যাৰ মাজতো মই মোৰ দায়িত্ব পালন কৰি যাবলৈ চেষ্টা কৰিছিলো।

এই মহাবিদ্যালয়খন বঙিয়া অঞ্চলৰে এক সৰ্ববৃহৎ শিক্ষানুষ্ঠান। এই মহাবিদ্যালয়ত বছৰি ৮/৯ মাহ ধৰি শ্ৰেণী চলি থাকে। এই মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বহুতো অভাৱ অভিযোগ লক্ষ্য কৰিছিলো যদিওঁ আতৰাব নোৱাৰিলো। দৰাচলতে সহঃ সাধাৰণ সম্পাদক হিচাপে কোনো বিশেষ কাম নাথাকে তথাপি বহু কৰিব বিছাৰিছিলো। বহুক্ষেত্ৰত আশা কৰা হিচাপে সফল হৈছো। তথাপিও বিফলতাৰ পৰিমাণো নোহোৱা নহয়। মহাবিদ্যালয়ৰ খনৰ অডিটেৰিয়াম হলৰ বাবে অধ্যক্ষৰ জৰিয়তে কৰ্তৃপক্ষলৈ স্মাৰকপত্ৰ দাখিল কৰা হৈছিল। কিন্তু দুৰ্ভাগ্যৰ ফলত সেই কাম সম্পূৰ্ণ হৈ নুঠিল। মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যান এখন স্থাপন কৰাৰ বাবে বহুতো চেষ্টা কৰিছিলো। কিন্তু সেয়াও সম্পূৰ্ণ হৈ নুঠিল। তাৰোপৰি মহাবিদ্যালয়খন বিভিন্ন বিভাগৰ বিষয়-ববীয়াসকলক সহায়-সহযোগ কৰিছিলো আৰু বিদ্যালয়খনত দেখা দিয়া বিভিন্ন ধৰণৰ সমস্যা সমূহ সমাধান কৰি যাবলৈ চেষ্টা কৰিছিলো। এই কামবোৰ সমাধান কৰিবলৈ যাওঁতে মই বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হবলগীয়া হৈছিলো। তথাপিওঁ মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে মোৰ দায়িত্ব পালন কৰিবলৈ এৰা নাছিলো।

মোৰ কাৰ্য্যকালত মোলৈ সহায়-সহযোগিতা দিয়া পৰামৰ্শ আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী তথা বন্ধু- বান্ধৱী সকললৈ মই ধন্যবাদ জনালো। সিহঁতৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ অজানিতে হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে মই মহাবিদ্যালয়খনৰ কতৃপক্ষৰ বিষয়-ববীয়া শিক্ষাগুৰু স্থানীয় ৰাইজ, ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা বিচাৰিলো।

সদৌ শেষত আমাৰ মৰমৰ বঙিয়া মহাবিদ্যালয়খনৰ শুভ কামনা জনাই মোৰ অসাৰুৱা প্ৰতিবেদন সামৰণি মাৰিলো।

শ্ৰীপ্ৰণৱ বড়ো
সহঃ সাধাৰণ সম্পাদক
বঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা।



# তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



জয় জয়তে দেশমাতৃৰ বিভিন্ন সংকটৰ সময়ত অতন্ত্ৰ প্ৰহৰী হিচাপে থাকি কলিজাৰ কেঁচা তেজেৰে দেশমাতৃৰ চৰণ ধুৱাই ধন্য হোৱা অমৰ শ্বহীদ সকললৈ মোৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ। আকৌ যি সকল মহানুভৱ ব্যক্তিৰ শিক্ষা প্ৰসাৰৰ হেঁপাহ আৰু ত্যাগৰ জলন্ত নিদৰ্শন স্বৰূপে এই ঐতিহ্যমণ্ডিত বঙিয়া মহাবিদ্যালয়ৰ জন্ম হ'ল সেই সকল চিৰ নমস্য ব্যক্তি সকলকো মোৰ সশ্ৰদ্ধ প্ৰণিপাত জ্ঞাপন কৰিছো।

মোৰ প্ৰতিবেদন আৰম্ভ কৰাৰ আগতে বঙিয়া মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ বাবে বঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু সাহিত্য বিভাগৰ দৰে অতি গুৰুত্বপূৰ্ণ পদৰ সম্পাদিকা ৰূপে নিৰ্বাচন কৰি কাৰ্য্যনিৰ্বাহ কৰিবলৈ সুযোগ দিছে সেই সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদিকাৰূপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতে মোৰ কাৰ্য্যকাল আৰম্ভ হয় "মহাবিদ্যালয় সপ্তাহ" ৰ যোগেদি। মোৰ বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতাসমূহ আছিল- তৰ্ক, কুইজ, আকস্মিক বক্তৃতা, কবিতা আবৃতি (ইংৰাজী, অসমীয়া) বাতৰি পাঠ, ইত্যাদি প্ৰতিযোগিতা সমূহ যিবোৰ মই অতি সফলতাৰে অনুষ্ঠিত কৰিছিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যানুপাতে উক্ত প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা তুলনামূলক ভাৱে কম আছিল যদিও প্ৰতিযোগিতাৰ মানদণ্ড উন্নত আছিল যিটো আমাৰ মহাবিদ্যালয়ৰ বাবে গৌৰৱৰ বিষয়। কিন্তু পৰিতাপৰ কথা যে আমাৰ সমাজৰ উঠি অহা যুবচামৰ ভালেমানে এতিয়াও এই বিষয়টোৰ প্ৰতি গুৰুত্ব উপলব্ধি কৰা নাই যেন লাগে। এই ছেগতে মই সংশ্লিষ্ট সকলো পক্ষলৈ এই বিষয়টোৰ প্ৰতি আকৰ্ষিত হৈ ইয়াৰ বহুল চৰ্চাৰ বাবে আহ্বান জনালোঁ।

ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ বাবে তৰ্ক প্ৰতিযোগিতাৰ প্ৰয়োজন আছে। এটা বিষয়ৰ ওপৰত বিষয় জ্ঞান, যুক্তিবাদী দৃষ্টিভঙ্গ, বাকপটুতা, উপস্থাপন কলা গুণবোৰৰ চৰ্চা হোৱাটো প্ৰয়োজনীয় আৰু এখন তৰ্ক প্ৰতিযোগিতা এনেবোৰ চিন্তা চৰ্চা ক্ষেত্ৰ। এনেবোৰ উদ্দেশ্য আগত ৰাখি "বঙিয়া মহাবিদ্যালয়"ত প্ৰত্যক বছৰে 'সিদ্ধিনাথ শৰ্ম্মা সোঁৱৰণী' সদৌ অসম আন্তঃ মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আৰু এইবাৰ মোৰ বেলিকাতো উক্ত প্ৰতিযোগিতাখন মই অতি সফলতাৰে অনুষ্ঠিত কৰিছিলোঁ। প্ৰতিযোগিতাখনৰ তৰ্কৰ বিষয় আছিল- সদনৰ মতেঃ "কৰ্ম সংস্কৃতিৰ অভাৱেই আমাৰ দেশৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ মূল কাৰণ"। প্ৰতিযোগিতাখন যথেষ্ট উচ্চ মানদণ্ডৰ হৈছিল আৰু বিভিন্ন মহাবিদ্যালয়ৰ তাৰ্কিক সকলে অংশ গ্ৰহণ কৰিছিল। তাত গুৱাহাটী বিশ্ববিদ্যালয় আইন মহাবিদ্যালয়ৰ ৰাজুমণি শৰ্ম্মাই অতি সুন্দৰ

যুক্তি যুক্ততাৰে প্ৰথম শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মানেৰে বিজয়ী হৈছিল। সেইদৰে কটন মহাবিদ্যালয়ৰ তাৰ্কিক সকলেও সুন্দৰ যুক্তি-যুক্ততাৰে প্ৰথম শ্ৰেষ্ট দল হিচাপে বিজয়ী হৈছিল। উক্ত প্ৰতিযোগিতাত সন্মানীয় অধ্যক্ষ মহোদয় শিক্ষাগুৰু আৰু বন্ধু বান্ধবীয়ে আগবঢ়োৱা সহায় সহযোগিতাই সফলতাৰ একমাত্ৰ কাৰণ। তেখেত সকলৰ ওচৰত মই কৃতজ্ঞতা স্বীকাৰ কৰিছো।

শেষত মোৰ কাৰ্য্যকালত মোক সকলো ক্ষেত্ৰতে দিহা পৰামৰ্শ দি উপকৃত কৰা তত্বাৱধায়ক শ্ৰদ্ধাৰ মনোজ কুমাৰ সিংহ চাৰ আৰু বিশেষভাবে মহাবিদ্যালয়ৰ সপ্তাহৰ প্ৰতিযোগিতাসমূহ সফলতাৰে চলাই নিয়াত সহায় কৰা শ্ৰদ্ধাৰ চাৰ বাইদেউ দক্ষেশ্বৰ ডেকা, ভূপেন্দ্ৰ নাথ শৰ্ম্মা, কবীন্দ্ৰ বড়ো, দীনেশ লহকৰ, পৰিতোষ দাস, হৰেন্দ্ৰ শৰ্ম্মা, মুকুল কলিতা আৰু দীপিকা শৰ্ম্মা আৰু বিজুলী বাইদেউলৈ মোৰ শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। লগতে নিৰ্বাচনৰ সময়ত বিশেষ ভাবে সহায়ৰ হাত আগবঢ়োৱা সৰ্ব্বশ্ৰী ৰাজীৱ মহন্ত দা, আছুৰ পৰেশ দা, প্ৰণৱ দা, মোহন দা, ভবেশ দা, অৰূপ দা , আৰু মোৰ বন্ধু বান্ধবী বুবুল, পংকজ পাটোৱাৰী, গীতিকা, পপি, দীপা, ববিতা আৰু সংগীতা বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিছাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

*জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা*
*জয় আই অসম*

ৰূপা দাস
সম্পাদিকা
তৰ্ক আৰু সাহিত্য বিভাগ



# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ সুভাৱভনিতে যি সকল বীৰ স্বহীদেই স্বদেশ স্বজাতি, ভাষা-সংস্কৃতি আৰু ঐক্য-সংহতি প্ৰতিষ্ঠাৰ হকে নিজৰ জীৱন আহুতি দিলে সেই বীৰ স্বহীদ সকলক শ্ৰদ্ধাৰে সুৱৰিছো। এই সুযোগতে যি সকল চিৰযুগমীয়া নমস্য ব্যক্তিৰ সোনালী হাতৰ পৰশে তথা ত্যাগে "ৰঙিয়া মহাবিদ্যালয়ক এখন সৰ্বাঙ্গীন তথা একবিংশ শতিকাৰ অসমৰ লেখত লবলগীয়া মহাবিদ্যালয় গঢ়ি তোলাত অৰিহণা যোগালে তেখেতসকলক প্ৰতিবেদনৰ বাটচৰাতে সুশ্ৰদ্ধাৰে সুৱৰিছো।

বিগত ২০০১-২০০২ বৰ্ষৰ "ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা" সাধাৰণ নিৰ্বাচনত "অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ" নিৰ্বাচিত প্ৰাৰ্থী হিচাপে নিৰ্বাচনত জয়ী হৈ গুৰুখেল বিভাগৰ সম্পাদকৰ দৰে গুৰু দায়িত্ব থকা পদৰ কাৰ্য্যৱলী মূৰ পাতি লব লগা হয়। এই ছেগতে সমুহ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মোক ছাত্ৰ একতা সভালৈ জয়ী কৰাৰ কাৰণে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

বিগত বছৰত মই আপোনালোকৰ পৰা প্ৰতিনিধিত্ব কৰি আপোনালোকৰ বাবে কি কৰিলো কি নকৰিলো তাক চালি জাৰি চোৱাৰ দায়িত্ব সমূহ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰে ওপৰতে এৰিলো। ঐতিহ্যমণ্ডিত এনেহেন গৌৰৱোজ্জ্বল মহাবিদ্যালয় এখনৰ খেলৰ সামগ্ৰীৰ নাটনি থকাতো খুৱেই আচৰ্য্যৰ বিষয়। খেলৰ সামগ্ৰীৰ অভাৱৰ ফলত তথা অনুশীলনৰ নিৰ্দ্দিষ্ট খেল পথাৰ নোহোৱাৰ ফলতে ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিভা থকা খেলুৱৈও বিৰত হৈছে নিজৰ ক্ৰিয়া শৈলী প্ৰদৰ্শনৰ ক্ষেত্ৰত।

ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা প্ৰদৰ্শনৰ শ্ৰেষ্ঠতম আহিলা "মহাবিদ্যালয় সপ্তাহ"। আধুনিক যুগৰ গতিশীলতাৰ লগত থাপ খাই ছাত্ৰ-ছাত্ৰী সকলৰ মনত উদ্ভৱ হোৱা Competition মনোভাৱৰ ধাৰনাই খেলবোৰ সুচাৰুৰূপে পৰিচালনা কৰাত সুবিধাৰ সৃষ্টি কৰিছিল। মহাবিদ্যালয় সপ্তাহত Athleticsৰ প্ৰায় সকলো খেলৰ লগতে Kabadi, Martial Arts, Cricket আদিৰ প্ৰতিযোগিতা সুন্দৰভাবে অনুষ্ঠিত কৰা হয়। কেইবাবছৰ মানৰ বিৰতিৰ পাছত মোৰ তাগিদাত "ৰঙিয়া মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ" ত Foot Ball আৰু Body Building প্ৰতিযোগীতা পতা হয়। তথাপিও সময় তথা মহাবিদ্যালয়ৰ পুজিত থকা অৰ্থৰ নাটনিয়ে কিছুমান খেল অনুষ্ঠিত কৰাত বাধাৰ সৃষ্টি কৰিছে। বাৰ্ষিক সপ্তাহৰ অন্যতম আকৰ্ষনীয় খেল হ'ল- ছাত্ৰ একাদশ বনাম শিক্ষক একাদশৰ প্ৰীতি ক্ৰিকেট খেল প্ৰতিযোগিতা আৰু মোৰ অধিনায়কত্বত ছাত্ৰ একাদশ বিজয়ী সন্মান লাভ কৰে। মোৰ কাৰ্য্যকালৰ সময়ছোৱাত লঘুখেল বিভাগৰ সম্পাদক পদৰ অনুপস্থিতিত মোৰ তত্বাৱধায়নত আমাৰ মহাবিদ্যালয়ে "আন্তঃ মহাবিদ্যালয় ভলীবল" প্ৰতিযোগিতাত প্ৰথম বাৰৰ বাবে ছেমি ফাইনেল প্ৰৱেশ কৰিবলৈ সক্ষম হয় আৰু তাত খেলুৱৈ সকলৰ প্ৰদৰ্শন আছিল খুৱেই চকুত লগা। মহাবিদ্যালয়ৰ বিভাগীয় পুজিত থকা অৰ্থৰ অভাৱৰ ফলত গোলাঘাটত অনুষ্ঠিত আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পৰা নগল ।

সম্পাদকৰ পদত নিজকে অধিস্থিত কৰিবলৈ মহাবিদ্যালয়ত এচাম ছাত্ৰ ছাত্ৰীয়ে খেলিছে ৰাজনীতিৰ জোলোঙা যাৰ ফলত বিনষ্ট হয় মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ, নিজৰ দলক আনৰ দলতকৈ শ্ৰেষ্ঠ কৰিবলৈ যাওতে ম্লান কৰিছে। মহাবিদ্যালয়ৰ সন্মান তথা গৌৰৱজ্বোল ভৱিষ্যত। বহুতো তিক্ত-সিক্ত-জ্ঞানে মোক দুৱাৰ দলিলৈ ঠেলি দিছে ন-ন অভিজ্ঞতালৈ। বহুত সপোন বহুত স্মৃতি তথা আশা আকাঙ্খা বুকুত বান্ধি এদিন হয়তো মহাবিদ্যালয়ৰ পৰা শিক্ষা সমাপ্ত কৰি ওলাম। তথাপি আশাকৰো মহাবিদ্যালয় সৰ্বাঙ্গীন উন্নতি।

শেষত মোৰ কাৰ্য্যকাল ছোৱাত মোৰ বিভাগীয় পদৰ তত্বাবধায়ক মাননীয় ড. আব্দৰ ৰেজ্জাক চাৰুক, তেখেতে প্ৰতিটো দিশতে দিয়া দিহা পৰামৰ্শ তথা সহায়ৰ বাবে তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। লগত ৰঙিয়া মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ ডাঙৰীয়া তথা সন্মানীয় শিক্ষক শিক্ষয়িত্ৰী বৃন্দলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ সকলো ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱা যুৱছাত্ৰ পৰিষদৰ সমূহ সতীৰ্থ বৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন তথা যুৱছাত্ৰ পৰিষদৰ সৰ্বাঙ্গীন মংগল কামনা কৰিলো। এই ছেগতে মোৰ প্ৰতিটো ক্ষেত্ৰতে মোক সহায় কৰা মৰমৰ বন্ধু-বান্ধৱী হেকিম, কমল, পপীণ, কঙকণ, ইফটিকাৰ ,দিগন্ত, ৰামেশ্বৰ, পংকজ বড়ো, আৱাল, তুলতুল, গফুৰ, বাছিৰ, জেহৰুল, সোন, হাফিজুল. মৰমী, নাৰ্জী, সঙ্গীতা, মামণি, অৰুনিমা, গীতিকা, পান্না, লিপি আৰু সমূহ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিছো, লগতে মোৰ প্ৰতিটো ক্ষেত্ৰতে মোক পৰামৰ্শ আগবঢ়োৱা মোৰ প্ৰিয় বান্ধৱী তৰালীলৈ মোৰ আন্তৰিক মৰম জ্ঞাপন কৰিছো।

আগত দিনবোৰ ৰঙিয়া মহাবিদ্যালয়ৰ কাৰণে সোনোৱালী দিনলৈ ৰূপান্তৰিত হওক। তাৰেই আশাৰে-

*জয়তু ৰঙিয়া মহাবিদ্যালয়*

চৈয়দ পিয়াৰুল হক চৌধুৰী
সম্পাদক
গুৰু খেল বিভাগ



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে মই অসমৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ মোৰ শ্ৰদ্ধাঞ্জলি যাচিছোঁ। লগতে যি সকল ব্যক্তিয়ে মহান ত্যাগ আৰু আক্লান্ত পৰিশ্ৰমৰ ফলত এই পবিত্ৰ ৰঙিয়া মহাবিদ্যালয়ত ভূমিষ্ঠ হৈছে সেই চিৰ নমস্য ব্যক্তিকো মোৰ শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

যোৱা ইং২০০১-২০০২ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মোক সমাজসেৱা বিভাগৰ দৰে পদ এটাত নিৰ্বাচিত কৰি আমাৰ এই মহান অনুষ্ঠান খনৰ সেৱা আগবঢ়োৱাৰ কাৰণে সুযোগ দিয়া ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

মোক কাৰ্য্য কালৰ সময়ছোৱাত মোৰ এই দায়িত্ব পালনত মই কিমানখিনি সফলতা লাভ কৰিছো সেইটো আপোনালোকৰ বিচাৰ্য্য। মই মোৰ কাৰ্যকালত মোৰ ক্ষমতা অনুযায়ী অশেষ চেষ্টা কৰিছিলো। কিন্তু মই ভবা মতে কৰিব নোৱাৰিলো। কাৰণ ৰঙিয়া মহাবিদ্যালয়ত কিছুমান অসুবিধা আছে।

তথাপিতো মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মই মহাবিদ্যালয় খনৰ চৌহদটো আৰু পুখুৰীটো সম্পূৰ্ণ ভাৱে পৰিস্কাৰ কৰো। তাৰোপৰি মহাবিদ্যালয়ৰ পৰা খেল পথাৰলৈ যোৱা পথটো মেৰামতি কৰা হয় আৰু শ্বহীদ বেদীত ৰং দিয়া হয়।

এইখিনিতে মই কব বিচাৰো যে আমাৰ মহাবিদ্যালয় খনত কিছুমান অভাৱ অভিযোগ আছে। যেনে-

(ক) মহাবিদ্যালয়ত এটা উন্নত মানদণ্ডৰ প্ৰেক্ষাগৃহ নিৰ্মান কৰিব লাগে।

(খ) বিজ্ঞান শাখাৰ 'ব'টানীকেল গাৰডেন' এখন পাতিব লাগে।

(গ) প্ৰসাৱ গাৰ, পাইখানা আদি উন্নত মানৰ কৰিব লাগে।

শেষত মোৰ বিভিন্ন দিশত দিহা পৰামৰ্শ আৰু উপদেশ দি সহায় কৰাৰ কাৰণে অৰ্থনীতি বিভাগৰ অধ্যাপক মাননীয় শ্ৰীযুত দীনেশ লহকৰ ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। তাৰোপৰি মোক বিভিন্ন কাম-কাজত সহায় কৰা ছাৰ মাননীয় শ্ৰীব্ৰজেন্দ্ৰ শইকীয়া আৰু মাননীয় শ্ৰীবিমল কুমাৰ দাস আৰু মোৰ বন্ধু বান্ধৱী নাজিৰ, ৰাজীৱ, পংকজ, প্ৰকাশ, ৰিন্টু ,গীতিকা আৰু মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আচনিগোটৰ সদস্য-সদস্যা সকলক মোৰ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞ জ্ঞাপন কৰিলো।

শেষত প্ৰতিবেদন তথা মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভূল ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছো আৰু ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো।

*জয় আই অসম*

জাকিৰ হুছেইন
সম্পাদক
সমাজ সেৱা বিভাগ

# ছাত্ৰ জিৰণী কোঠা সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্ মুহুৰ্ত্তত অসমৰ জাতীয় অস্তিত্ব ৰক্ষা হেতুকে যি সকল বীৰ শ্বহীদে দেশৰ হকে আত্মা বলিদান দি গ'ল সেই সকল মহান শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিলোঁ।

ইং ২০০১-২০০২ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনৰ 'সদৌ অসম ছাত্ৰ সন্থাৰ' মনোনীত প্ৰাৰ্থী হিচাপে যি সকল বন্ধু বান্ধৱীয়ে মোক জয়ী কৰালে সেই সকলৰ ওচৰত মই চিৰকৃজ্ঞ। মোৰ কাৰ্য্যকালৰ প্ৰথম পদক্ষেপ 'মহাবিদ্যালয় সপ্তাহত' ছাত্ৰ জিৰণী কোঠাৰ বিভাগীয় খেল সমূহ অনুষ্ঠিত কৰা হয়। কিন্তু পৰিতাপৰ বিষয় এনেহেন ঐতিহ্যমণ্ডিত মহাবিদ্যালয় খনত খেল-ধেমালীৰ সজুলিৰ অভাৱ। যি খিনি খেল সামগ্ৰী আছে সিও শোচনীয় ৰূপ।

মহাবিদ্যালয়খনত এতিয়া এটা পূৰ্ণ-পৰ্য্যয়ৰ ছাত্ৰজিৰণী কোঠা গঢ়ি উঠিছে যদিও হোৱা নোহোৱা সমান। কিয়নো জিৰণী কোঠাটোত ছাত্ৰ সকলে জিৰণী সময়ত বহিবলৈ কোনো আসন নাই। প্ৰয়োজন অনুসৰি খেলৰ সামগ্ৰী নাই , বিদ্যুৎতৰ ব্যৱস্থা নাই , প্ৰসাৰ গাৰ এটা নাই , ফলস্বৰূপে বহু সংখ্যক ছাত্ৰই জিৰণী সময়ত বহিবলৈ ঠাই নাপায় মহাবিদ্যালয়ৰ আমলখিৰ তলত বাৰণ্ডাত ঠিয় দি থাকিব লগা হয়। সেয়েহে মই এই ক্ষুদ্ৰ প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয় কতৃপক্ষক টানি অনুৰোধ জনাও যাতে ছাত্ৰ সকলৰ বাবে সকলোবোৰ অসুবিধা দূৰ কৰি ছাত্ৰ সকলৰ লগতে মহাবিদ্যালয়ৰ আকৰ্ষন বৃদ্ধি কৰে।

মোৰ কাৰ্য্য কালত প্ৰতিটো মূহুৰ্তত মোক দিহা পৰামৰ্শ দিয়া এই বিভাগৰ তত্বৱধায়ক অধ্যাপক মাননীয় শ্ৰীবিমল দাস মহোদয়লৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিছো।

ইয়াৰ লগতে মহাবিদ্যালয় সপ্তাহত মোক হাতে কামে সহায় আগবঢ়োৱা বন্ধু বান্ধৱী সকল সৰ্বশ্ৰী প্ৰকাশ,পঙ্কজ, দিপক, কৃষ্ণা, তপন, জয়ন্ত, ভবেশ, বিষ্ণু, ৰমেন, দিলিপ, মনোজ, নিৰঞ্জন, গীতিকা, বিউতি আৰু বহুতলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ ।

শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল ক্ৰুটিৰ বাবে এই প্ৰতিবেদনৰ জড়িয়তে ক্ষমা প্ৰাৰ্থনা বিছাৰিছো। সদৌশেষত ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্বঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ মোখনি মাৰিছো।

*জয় আই অসম*

শ্ৰীৰিন্টু মহন্ত
সম্পাদক, ছাত্ৰ জিৰণী কোঠা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনীতে আই অসমীক ৰক্ষাৰ অৰ্থে যিসকল ব্যক্তিয়ে প্ৰাণ আহুতি দিলে সেই বীৰ শ্বহীদলৈ মোৰ সশ্ৰদ্ধা প্ৰণাম যাঁচিছো। লগতে মাননীয় অধ্যক্ষ মহোদয় তথা অধ্যাপিকা আৰু সমূহ বন্ধু বান্ধৱীলৈ মোৰ শ্ৰদ্ধা আৰু হিয়াভৰা মৰম জ্ঞাপন কৰিলো।

ইং ২০০১-২০০২ চনৰ বাবে মোক ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে মহাবিদ্যালয়ৰ সেৱা আগৱঢ়াবলৈ সুযোগ কন দিয়া বাবে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা যাঁচিলো।

মহাবিদ্যালয়ত পৰম্পৰাগত ভাৱে চলি অহা "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" এইবেলিও উদ্‌যাপন কৰা হয়। এই মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণী কোঠাৰ বিভাগীয় খেলসমূহ অতি সুচাৰুৰূপে অনুষ্ঠিত কৰা হয়। অতি আনন্দৰ বিষয় যে বিভিন্ন প্ৰতিযোগিতাত যথেষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। প্ৰতিযোগিতা সমূহৰ বিশেষ আকৰ্ষণ আছিল পিঠা বনোৱা, কইনা প্ৰতিযোগিতা আৰু ৰছী টনা। এই প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণকাৰী আৰু দৰ্শক সকলোৱে যথেষ্ঠ আনন্দ উপভোগ কৰা দেখা গৈছিল।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায়-সহাযোগ আগবঢ়োৱা তথা উপদেশ দিয়া তত্বাবধায়িকা মাননীয়া শ্ৰীমীৰা পাটগিৰী বাইদেউ আৰু বিশেষ ভাৱে খেলসমূহ পৰিচালনা কৰি মোক উৎসাহিত কৰা শ্ৰদ্ধাৰ শ্ৰীকমলা বৰ্মন বাইদেউ, শ্ৰীৰানু চৌধুৰী বাইদেউ, শ্ৰীদীনেশ লহকৰ ছাৰ আৰু ৰীতা বাইদেউ প্ৰমুখ্যে সমূহ শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিলো।

শেষত প্ৰতিবেদন তথা মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল ক্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছো আৰু ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কমনা কৰিলো।

শ্ৰদ্ধাৰে--

শ্ৰীললিতা কলিতা
সম্পাদিকা
ছাত্ৰী জিৰণী কোঠা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

# EX-EDITORS OF OUR JOURNAL

| | | |
|---|---|---|
| 1. | 1966-67 ☞ | *Paramesh Sarma.* |
| 2. | 1967-68 ☞ | *Bibhab Bhatta.* |
| 3. | 1969-70 ☞ | *Baneswar Sarma.* |
| 4. | 1971-72 ☞ | *Rupsad Ali.* |
| 5. | 1973-74 ☞ | *Ramesh Mahanta.* |
| 6. | 1974-75 ☞ | *Bhupen Kakati.* |
| 7. | 1975-76 ☞ | *Praful Kr. Sarma.* |
| 8. | 1976-77 ☞ | *Badan Ch. Bharali.* |
| 9. | 1977-78 ☞ | *Biren Sarma.* |
| 10. | 1978-79 ☞ | *Kandarpa Kr. Kalita.* |
| 11. | 1979-81 ☞ | *Sanjib Kalita.* |
| 12. | 1982-83 ☞ | *Khagen Ch. Deka.* |
| 13. | 1983-84 ☞ | *Manoranjan Goswami.* |
| 14. | 1984-85 ☞ | *Simanta Saloi.* |
| 15. | 1985-86 ☞ | *Jyotirmoy Kalita.* |
| 16. | 1986-87 ☞ | *Mukulananda Bhattacharyya.* |
| 17. | 1987-88 ☞ | *Dasarath Kalita.* |
| 18. | 1989-90 ☞ | *Tapan Konwar.* |
| 19. | 1991-92 ☞ | *Babul Baishya.* |
| 20. | 1992-93 ☞ | *Dilip Deka.* |
| 21. | 1993-94 ☞ | *Ataur Rahman.* |
| 22. | 1994-95 ☞ | *Hemanta Das.* |
| 23. | 1995-96 ☞ | *Diganta Saloi (Un-Published)* |
| 24. | 1996-97 ☞ | *Dulal Deka.* |
| 25. | 1997-98 ☞ | *Ripul Ch. Deka.* |
| 26. | 1998-99 ☞ | *Anuj Bakkar.* |
| 27. | 1999-2000 ☞ | *Rajib Mahanta.* |
| 28. | 2000-2001 ☞ | *Pankaj Deka (In-charge).* |

**Editor**

Prakash Kalita

29th. Issue

2001-2002

Printed at **CHITRALI PRINTERS**
M.G. Road, Rangia